# অভিজ্ঞানম্

## প্ৰাক্তন সতীৰ্থ সমাৰোহৰ স্মৰণিকা



সংস্কৃত বিভাগ
কামৰূপ মহাবিদ্যালয়, চামতা

# অভিজ্ঞানম্

প্ৰাক্তন সতীৰ্থ সমাৰোহৰ স্মৰণিকা

**আন্তৰিক শুভেচ্ছাৰে-**

প্ৰতি,

পৰমাদৰণীয়/পৰমাদৰণীয়া

.......................................................................................

.......................................................................................

ড° লতিকা দেৱী
সভানেত্ৰী

ড° বিভূতি লোচন শৰ্মা
শ্ৰীফুলেন শৰ্মা
সম্পাদকদ্বয়




# অভিজ্ঞানম্

## প্ৰাক্তন সতীৰ্থ সমাৰোহৰ স্মৰণিকা


**প্ৰচ্ছদ অংকন**
শ্ৰীজ্যোতিৰ্ময় ভট্টাচাৰ্য্য

**প্ৰকাশক ঃ**
প্ৰাক্তন সতীৰ্থ সংস্থা

**প্ৰকাশ কাল ঃ**
নবেম্বৰ, ২০২৪ খ্ৰীষ্টাব্দ

**মুদ্ৰণ ঃ**
বৰ্ণমালা প্ৰিন্টাৰ্চ, পল্লা ৰোড, নলবাৰী


### সম্পাদনা সমিতি

**উপদেষ্টা**

**শ্ৰীযুত ভগৱান শৰ্মা**, মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, কামৰূপ মহাবিদ্যালয়, চামতা।

**ড° উপমা বৰ্মন ডেকা**, প্ৰাক্তন অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**ড° তপন কুমাৰ কাশ্যপ**, সহযোগী অধ্যাপক, সংস্কৃত বিভাগ, কামৰূপ মহাবিদ্যালয়, চামতা।

**ড° নকুল চন্দ্ৰ ডেকা**, প্ৰাক্তন সহযোগী অধ্যাপক, কামৰূপ মহাবিদ্যালয়, চামতা তথা প্ৰাক্তন অধ্যক্ষ বাপুজী মহাবিদ্যালয়, (সৰ্থেবাৰী), বৰপেটা (অসম)

**সভানেত্ৰী**

**ড° লতিকা দেৱী**, প্ৰাক্তন ছাত্ৰী (সংস্কৃত বিভাগ), কামৰূপ মহাবিদ্যালয়, চামতা তথা গ্ৰন্থাগাৰিক, পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়, বাৰাংহাটী (কামৰূপ)

**সম্পাদকদ্বয়**

**ড° বিভূতি লোচন শৰ্মা**, প্ৰাক্তন ছাত্ৰ (সংস্কৃত বিভাগ), কামৰূপ মহাবিদ্যালয়, চামতা তথা সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয় (অসম)

**শ্ৰীযুত ফুলেন শৰ্মা**, প্ৰাক্তন ছাত্ৰ (সংস্কৃত বিভাগ), কামৰূপ মহাবিদ্যালয়, চামতা তথা প্ৰধান অধ্যাপক, জীৱানন্দ জ্যোতিৰ্বিদ্যালয়, গন্ধিয়া (নলবাৰী)

**সহকাৰী সম্পাদকদ্বয়**

শ্ৰীশান্তনু বৰ্মন, শ্ৰীযুগল কিশোৰ শৰ্মা

**সদস্য/সদস্যা**

বিনোদ মিশ্ৰ, নৱনীতা ডেকা, হৃষিকেশ চক্ৰৱৰ্ত্তী, চয়নিকা দেৱী, নীলাক্ষি দত্ত, দীক্ষিতা শৰ্মা, ডিম্পী বৰ্মন, হীৰামণি বৰ্মন, বিভাগত অধ্যয়নৰত প্ৰথম, তৃতীয় আৰু পঞ্চম ষাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী।




# শ্ৰদ্ধাঞ্জলি

মহাবিদ্যালয়ৰ
প্ৰতিষ্ঠা কালৰে পৰা
যিসকল মহান শিক্ষাগুৰু
আমাৰ মাজৰ পৰা চিৰবিদায় মাগিলে,
সেই স্বৰ্গগত পৱিত্ৰ আত্মালৈ
অশ্ৰুসিক্ত
শ্ৰদ্ধাৰ্ঘ্য
নিবেদিছোঁ।

'অভিজ্ঞানম্' সম্পাদনা সমিতি

# আমি শ্ৰদ্ধাৰে সুঁৱৰিছো



নলবাৰী জিলান্তৰ্গত নদলা গাঁওৰ কুলধন্য স্বৰ্গীয় মকুন্দ চৌধুৰী কৃষিকৰ্মানুৰক্ত প্ৰথিতযশা এজন সমাজকৰ্মী। ইংৰাজী ১৯২৩ চনৰ জুলাই মাহৰ ১৪ তাৰিখে ভূমিষ্ঠ হোৱা এইজনা মহানুভৱৰ ইংৰাজী ২০২০ চনৰ জুলাই মাহৰ ১৫ তাৰিখে মহাপ্ৰয়াণ ঘটে। মহান ব্যক্তিজনাৰ সোঁৱৰণত 'অভিজ্ঞানম্' শীৰ্ষক গ্ৰন্থখনি তেখেতৰ সু-পুত্ৰ পুলেন চৌধুৰীদেৱে উৎসৰ্গা কৰে। মান্যবৰ পুলেন চৌধুৰীদেৱ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা (বৰ্তমান গুৱাহাটী নিবাসী) তথা এজন সংস্কৃত ভাষানুৰাগী সু-সংস্কৃত ব্যক্তি।

# শুভেচ্ছাবাৰ্তা



কামৰূপ মহাবিদ্যালয়, চামতাৰ সংস্কৃত বিভাগটো মহাবিদ্যালয়ৰ এটা লেখত ল'বলগীয়া বিভাগ। এই বিভাগটোৱে মহাবিদ্যালয়ৰ মান ধাৰাবাহিকভাৱে বৃদ্ধি কৰি আহিছে। বিভাগটোৱে এইবাৰ প্ৰাক্তন সতীৰ্থ সমাৰোহৰ আয়োজন কৰিছে লগতে তাৰ লগত সংগতি ৰাখি 'অভিজ্ঞানম্' নামৰ এখন স্মৰণিকা প্ৰকাশ কৰিবলৈ আগবাঢ়িছে। এয়া সঁচাকৈ প্ৰশংসনীয়। এই খবৰে মোক আহ্লাদিত কৰিছে। এই স্মৰণিকাখনত বিভাগটোৰে জড়িত ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভাৱ ব্যক্ত কৰাৰ জৰিয়তে সোণোৱালী মূহুৰ্তবোৰ প্ৰকাশ পাব। সংস্কৃত বিভাগৰ দাপোনস্বৰূপ এই স্মৰণিকাখন সৰ্বাংগসুন্দৰ হওঁক। তাৰে শুভ কামনা জনালোঁ।

(ড° দেবেন্দ্ৰ কুমাৰ বেজবৰুৱা)
অধ্যক্ষ
কামৰূপ মহাবিদ্যালয়, চামতা

# শুভেচ্ছাবাণী



কামৰূপ মহাবিদ্যালয়, চামতাৰ সংস্কৃত বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সহোদৰৰ মনোভাৱেৰে লগ হৈ অহা ৩ নৱেম্বৰ ২০২৪ ইং তাৰিখে মহাবিদ্যালয়ত এখনি সতীৰ্থ সমাৰোহৰ আয়োজন কৰা বুলি জানিবলৈ পাই অতি আনন্দিত হৈছোঁ। বিগত বৰ্ষসমূহত সংস্কৃত বিভাগৰ পৰা অসংখ্য ছাত্ৰ-ছাত্ৰী সুখ্যাতিৰে উত্তীৰ্ণ হৈ শিক্ষা, সমাজ, সংস্কৃতি, বাণিজ্য আদি বিভিন্ন ক্ষেত্ৰলৈ সেৱা আগবঢ়াই প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ সাফল্যই মহাবিদ্যালয়ক গৌৰৱান্বিত কৰি তুলিছে। শিক্ষানুষ্ঠান এখনৰ গতি আৰু প্ৰগতিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সংস্কৃত বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে এই কথাটো অনুধাৱন কৰি ন-ন চিন্তা আৰু পৰিকল্পনাৰে বিভাগটোৰ লগত জড়িত হৈ পৰাটো অতি প্ৰশংসনীয়। সতীৰ্থ সমাৰোহখনৰ লগত সংগতি ৰাখি 'অভিজ্ঞানম্' শিৰোনামেৰে এখন স্মৰণিকা গ্ৰন্থও প্ৰকাশ কৰিবলৈ যো-জা কৰিছে, যিটোৱে গোটেই অনুষ্ঠানটোত সুৰগা চৰাইছে। সংস্কৃত বিভাগৰ শিক্ষকসকলৰ সহযোগিতা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ ঐকান্তিক প্ৰচেষ্টাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা সতীৰ্থ সমাৰোহখনক সঁচা অৰ্থত স্মৰণীয় কৰি ৰাখিব 'অভিজ্ঞানমে'।

এইছেগতে সমাৰোহখনৰ পূৰ্ণ সফলতা কামনা কৰাৰ লগতে স্মৰণিকাখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা কৰিলোঁ। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এনে সুন্দৰ চেষ্টা ভৱিষ্যতেও অটুত থাকক। তেওঁলোক আটাইৰে মংগল হওঁক।

কবিতা চৌধুৰী

(ড° কবিতা চৌধুৰী)
উপাধ্যক্ষ
কামৰূপ মহাবিদ্যালয়, চামতা

# শুভকামনাৰে



কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগে 'অভিজ্ঞানম্' নামৰ স্মৰণিকাখনি প্ৰকাশ কৰি উলিওৱাৰ যি এক মহান পদক্ষেপ হাতত লৈছে, তাৰ বাবে বিভাগটোলৈ জনাইছোঁ আন্তৰিক শুভকামনা। স্মৰণিকাখনি সকলো পাঠকে মৰমেৰে আঁকোৱালি লওঁক। বিভাগটোৰ অধ্যাপক, প্ৰাক্তন তথা অধ্যয়নৰত মৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিৰে পৰিপুষ্ট 'অভিজ্ঞানম্' স্মৰণিকাখনি দীৰ্ঘজীৱী হওঁক।


**পুলেন চৌধুৰী**
জ্যেষ্ঠ অধিবক্তা
গুৱাহাটী উচ্চ ন্যায়ালয়, গুৱাহাটী

# সম্পাদকীয়

অসমৰ নলবাৰী জিলাৰ অন্যতম শিক্ষানুষ্ঠান হ'ল ১৯৬৬ ইং চনত স্থাপিত হোৱা কামৰূপ মহাবিদ্যালয়, চামতা। এই মহাবিদ্যালয়ত জন্মলগ্নৰে পৰা সংস্কৃত বিষয় অন্তৰ্ভুক্ত। বিগত চেপ্তেম্বৰ মাহৰ ৭ তাৰিখ শনিবাৰে কামৰূপ মহাবিদ্যালয়, চামতাৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত ভগৱান শৰ্মাদেৱৰ সভাপতিত্বত ন-পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত প্ৰাক্তন সতীৰ্থ সমাৰোহৰ বিষয়ে আলোচনা কৰা হয় লগতে 'অভিজ্ঞানম্' নামেৰে এখন স্মৰণিকা প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। যাৰ অৰ্থ হ'ল 'স্মাৰকচিহ্ন' বা 'পৰিচায়ক'। সেয়েহে এই স্মৰণিকাখনত নবীন-প্ৰবীণ ছাত্ৰ-ছাত্ৰী, গুৰু-গুৰ্বী তথা হিতাকাংক্ষীসকলে তেখেতসকলৰ স্বকীয় স্বকীয় অনুভৱ প্ৰকাশ কৰাৰ লগতে বিভিন্ন প্ৰবন্ধ, কবিতা আদিৰে স্মৰণিকাখনৰ সৌন্দৰ্য্য বঢ়াইছে। স্মৰণিকাখন সম্পাদনা কৰাৰ ক্ষেত্ৰত কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত ভগৱান শৰ্মা, সহযোগী অধ্যাপক ড° তপন কুমাৰ কাশ্যপ আৰু সহকাৰী অধ্যাপক ড° সুবোধ কুমাৰ মিশ্ৰ ভাগৱতীদেৱৰ শ্ৰম চিৰস্মৰণীয়।

কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান অসম চৰকাৰৰ কৰ্মচাৰী শ্ৰীমান শান্তনু বৰ্মনৰ অশেষ কষ্ট শলাগ ল'বলগীয়া। স্মৰণিকাখন প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। উক্ত স্মৰণিকাখনৰ বেটুপাত নিৰ্মাণৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ সংস্কৃত বিভাগৰ প্ৰাক্তন ছাত্ৰদ্বয় জ্যোতিৰ্ময় ভট্টাচাৰ্য্য আৰু যুগল কিশোৰ শৰ্মাক আমি পাহৰিব নোৱাৰোঁ।

অতি আনন্দৰ বিষয় উক্ত স্মৰণিকাখনৰ সমস্ত খৰচ বহনকাৰী নদলা গাঁওৰ (বৰ্তমান গুৱাহাটী নিবাসী) গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মাননীয় শ্ৰীযুত পুলেন চৌধুৰীদেৱক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ততাতৈয়াকৈ

স্মৰণিকাখন প্ৰস্তুত কৰাৰ বাবে ভুল-ক্ৰুটি হোৱাটো নিতান্তই স্বাভাৱিক। সদাশয় পাঠক-পাঠিকাই ভুল-ক্ৰুটি মাৰ্জনা কৰিব বুলি আশা কৰিলোঁ।

প্ৰেছৰ স্বত্বাধিকাৰ যিটো নয়নমনি দত্ত
ছপা কৰি দিয়া বাবে আনন্দ অপাৰ
আৰু য'ত কৰ্মীগণ
পাকাম অগণন
তাৰ মাজে কৰি দিলে আনন্দিত হৈ
শলাগো সবাকে আমি প্ৰতিমূৰ্ত্তি চাই।।

সদৌ শেষত ৰসেন্দ্ৰ চিন্তামনিৰ কথাষাৰেৰে সম্পাদকীয়ৰ সামৰণি মাৰিলোঁ-

অশ্ৰৌষং বহুবিদুষাং মুখাদপশ্যাম্
শাস্ত্ৰেষু স্থিতমকৃতং ন তল্লিখামি।
যৎ কৰ্ম্মব্যৰচয়মগ্ৰতো গুৰুণাং
প্ৰৌঢ়ানাং তদিহ বদামিৱীতশঙ্কঃ।।
অধ্যাপয়ন্তি দৰ্শয়িতুং ক্ষমন্তে
সূতেন্দ্ৰকৰ্ম্মগুৰৱো গুৰৱস্ত এৱ।
শিষ্যাস্ত এৱৰচয়ন্তি গুৰোঃ পুৰো য়ে
শেষাঃ পুনস্তদুয়াভিনয়ং ভজন্তে।।

ইতি শম্

ড° বিভূতি লোচন শৰ্মা
ফুলেন শৰ্মা
সম্পাদকদ্বয়
'অভিজ্ঞানম্'

# অভিজ্ঞানম্‌ৰ ভিতৰচ'ৰাত


| | | |
|---|---|---|
| সংস্কৃত ভাষাত সঙ্গীত | ড° লতিকা দেৱী | ১ |
| কামৰূপমহাবিদ্যালয়ীয়স্মৃতিসুরভিঃ | ডাঁ উপমা বর্মন ডেকা | ৩ |
| কামৰূপমহাবিদ্যালয়ঃ | ড° গোকুলেন্দ্র নাৰায়ণ দেৱ গোস্বামী | ৬ |
| স্মৃতি ৰোমন্থন | সত্যৱতী গোস্বামী শৰ্মা | ৭ |
| আমাৰ চেনেহৰ কলেজখন | দীনেন্দ্র নাৰায়ণ দেৱ গোস্বামী শাস্ত্ৰী | ১০ |
| আচাৰ্যপ্ৰশস্তিঃ | ড° বিভূতি লোচন শৰ্মা | ১২ |
| কালিদাস | মীৰা বৰ্মন | ১৪ |
| মমাভিধেয়ম্ | ডা° সুবোধ কুমাৰ মিশ্ৰ ভাগৱতী | ১৪ |
| তোৰে মোৰে আলোকৰে যাত্ৰা | ভগৱান শৰ্মা | ১৫ |
| কামৰূপ মহাবিদ্যালয়ত মোৰ অনুভৱ | ড° তপন কুমাৰ কাশ্যপ | ১৭ |
| মধুৰতম দিনবোৰৰ স্মৃতিয়ে ৰিঙিয়াই | জুৰি দেৱী | ১৮ |
| কামৰূপ মহবিদ্যালয়, চামতাৰ সংস্কৃত বিভাগৰ কিছু স্মৃতি | চন্দনা ডেকা | ১৯ |
| My sweet Memories at Kamrup College | Dipankar Sarma | ২১ |
| GOLDEN TIMES OF KAMRUP : A wealth of memories | Jahnabi Devi | ২২ |
| কামৰূপ মহবিদ্যালয়ৰ সংস্কৃত বিভাগ, অধ্যয়নৰ এক অনুভৱ | ৰমেন বেজবৰুৱা | ২৪ |
| মোৰ অনুভৱ | গীতিমা দেৱী | ২৫ |
| সংস্কৃত বিভাগ আৰু মই সোণালী স্মৃতিৰ দুখৰীয়া ছবি | তৃষ্ণা ডেকা | ২৬ |
| অনুভৱৰ দস্তাবেজত.... কামৰূপ মহাবিদ্যালয়ৰ "সংস্কৃত বিভাগ" | পল্লবী ভট্টাচাৰ্য্য | ২৮ |
| গৌতম ধৰ্ম সূত্ৰানুসাৰং বৰ্ণধমঃ একা আলোচনা | হীৰামণি বৰ্মন | ৩০ |
| সাহিত্য সৃষ্টিত শংকৰদেৱ আৰু আমাৰ অনুভৱ | গীতাশ্ৰী বৰ্মন | ৩২ |
| জ্যোতিষ শাস্ত্ৰৰ চমু আলোকপাত | যুগল কিশোৰ শৰ্মা | ৩৪ |
| ভাৰতীয় সাহিত্যৰ লগত চিত্ৰকলাৰ সম্পৰ্ক | জ্যোতিৰ্ময় ভট্টাচাৰ্য্য | ৩৬ |
| কলেজীয়া দিনৰ কিছু স্মৃতি | মৃদুস্মিতা ডেকা | ৩৮ |
| বৰ্তমানৰ শিক্ষাব্যৱস্থাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা | শান্তনু বৰ্মন | ৪০ |
| এটি অধ্যায়ৰ পৰিসমাপ্তি | বৰষা পাঠক | ৪২ |
| বিভাগটোৰ প্ৰতি থকা আন্তৰিকতা | নিশিতা ভূঞা | ৪৩ |
| নলবাৰী ক্ষেত্ৰে পাৰস্পৰিক সংস্কৃত শিক্ষা | গীতাশ্ৰী দেৱী | ৪৫ |
| বিষাদ বেদনা | নিশিস্মিতা বৰ্মন | ৪৬ |
| শেষ মুহূৰ্ত | প্ৰিয়ংকা শৰ্মা | ৪৭ |
| পিতাই | অলিস্মিতা শৰ্মা | ৪৭ |
| সোণোৱালী দিনক সুঁৱৰি..... | সংগীতা দেৱী | ৪৮ |
| স্মৃতিবোৰ সোঁৱৰিছো | প্ৰীতিৰেখা বৰ্মন | ৪৯ |
| আকৌ আহিব দুৰ্ভিক্ষ, দুৰ্দ্দিন | অংকিতা দেৱী | ৫০ |
| জোনাক নিশাৰ আমেজ | শিখামনি শৰ্মা | ৫০ |

# সংস্কৃত ভাষাত সঙ্গীত

ড° লতিকা দেৱী

সংস্কৃত শব্দৰ ব্যুৎপত্তি হৈছে "সম্+কৃ + ক্ত"। পাণিনি আদিৰ দ্বাৰা কৃত সূত্ৰাদিৰ জৰিয়তে সাধু শব্দৰ প্ৰয়োগযুক্ত সংস্কৃত হৈছে ভাৰতীয় প্ৰাচীন ভাষা। ভৰতৰ মতে "পাণিন্যাদিকৃতব্যাকৰণসূত্ৰেণ উপেত উপগতো লক্ষণোপেতঃ সাধুশব্দঃ।" অমৰকোষৰ মতে -
"যুক্তেঽতিসংস্কৃতেঽ মৰ্ষিণ্যভিনীতোঽ থ সংস্কৃতম্।
কৃত্ৰিমে লক্ষণোপেতেঽ প্যনন্তোঽ নৰধাৰপি।।"

ইয়াত সংস্কৃতভাষাত সঙ্গীতৰ ভূমিকা সম্পৰ্কে চমুকৈ আলোচনা আগবঢ়োৱা হ'ল।

সঙ্গীত হৈছে গীত ,বাদ্য আৰু নৃত্যৰ সমলয়। হেমচন্দ্ৰৰ মতে "প্ৰেক্ষাৰ্থনৃত্যগীতৱাদ্যম্"। আকৌ সংগীত মানে হৈছে -
" গীতবাদ্যনৃত্যত্ৰয়ং নাট্যং তৌৰ্য্যত্ৰিকঞ্চ তত্।
সঙ্গীতং প্ৰক্ষাৰ্থেঽস্মিনঽশাস্ত্ৰোক্তে নাট্যধৰ্ম্মিকা।।"

সোমেশ্বৰ, ভৰত, হনুমৎ, কল্লিনাথ- এই চাৰিজনৰ মতৰ ওপৰতেই প্ৰাচীনকালৰ সঙ্গীত শাস্ত্ৰ প্ৰচলিত আছিল যদিও বৰ্তমান হনুমানৰহে মত প্ৰচলিত হৈ আছে। 'হনুমৎ'ৰ সঙ্গীতশাস্ত্ৰখনত সাতটা অধ্যায় পোৱা যায়। যেনে ঃ স্বৰাধ্যায়, ৰাগাধ্যায়, তালাধ্যায়, নৃত্যাধ্যায়, ভাৱাধ্যায়, কোকাধ্যায় আৰু হস্তাধ্যায়।

স্বৰ তিনিবিধ উদাত্ত, অনুদাত্ত, স্বৰিত। এই স্বৰত্ৰয়ৰ জৰিয়তে বৈদিকমন্ত্ৰোচ্চাৰণ বিধিসন্মত। হ্ৰস্ব, দীৰ্ঘ, প্লুত, অৰ্দ্ধ ভেদে মাত্ৰা পোৱা যায়। ইয়াৰোপৰি সা, ৰে, গা, মা, পা, ধা, নি- এইসপ্তস্বৰৰ বিষয়ে সঙ্গ.ত শাস্ত্ৰত উল্লেখ আছে। এইসপ্তস্বৰৰ বিষয়ে সংস্কৃতত এটি সুন্দৰ শ্লোক পোৱা যায়। যেনে -
"ষড়্জঋষভগান্ধাৰাঃ মধ্যমঃ পঞ্চমস্তথা।
ধৈৱতনিষাদশ্চ স্বৰাঃ সপ্তপ্ৰকীৰ্তিতাঃ।।"
তেনেদৰে ৰাগৰ লক্ষণ হৈছে-
"যস্য শ্ৰৱণমাত্ৰেণ ৰঞ্জন্তে সকলাঃ প্ৰজাঃ।
সৰ্বাধৰৰঞ্জনাদ্ধেতোস্তেন ৰাগ ইতি স্মৃতঃ।।"
আকৌ-
" যৈস্তু চেতাংসি ৰজ্যন্তে জগত্ত্ৰিতয়ৱৰ্তিনম্।
তে ৰাগাঃ ইতি কথ্যন্তে মুনিভিৰ্ভৰতাদিভিঃ।।"

ৰাগৰ সংখ্যা ৩৬ প্ৰকাৰৰ বুলি কোৱা হয় যদিও ৰাগ ছয়প্ৰকাৰৰ বুলি ভৰতে মত পোষণ কৰিছে। যেনেঃ ভৈৰৱ, কৌশিক, হিন্দোল, দীপক, শ্ৰী আৰু মেঘ।

সংস্কৃত ভাষাত লিখা সংগীত শাস্ত্ৰত

ৰাগৰ বিৱৰণ শ্লোকাকাৰত পোৱা যায়।

'তাল' হৈছে গীতক্ৰিয়াৰ সময় নিৰ্ধাৰণ কাৰক। সেয়ে কোৱা হয় " তালঃ গীতকালক্ৰিয়ামানম্"। তাল সম্পৰ্কে শব্দকল্পদ্ৰুমত এইদৰে পোৱা যায়- " অয়ং স্বৰ ইয়ত্ কালং গেয়ঃ ইয়ত্ কালং ৱিলম্বিতং ইয়ত্ কালং দ্ৰুতং ইয়ত্ কালং মধ্যমিতি বোধয়িতুং ঈদৃশৈঃ হস্তৈৰঙ্গুল্যা আকুঞ্চনপ্ৰসাৰণাদিক্ৰিয়াভিঃ নৰ্ত্তিতব্যং গাতব্যঞ্চেতি কালক্ৰিয়য়োঃ প্ৰমাণং তালঃ।" তেনেদৰে পোৱা যায়-"সাঙ্গে ইদমিয়ত্ কালং গেয়মিতি কালেনাঙ্গুল্যাদ্যাকুঞ্চনাদিক্ৰিয়মাণং তালঃ। কালস্য একদ্বিত্ৰিমাত্ৰাদ্যুচ্চাৰণনিয়মিতস্য ক্ৰিয়ায়াঃ পৰিস্পন্দাত্মিকায়াঃ পৰিচ্ছেদহেতুস্তালঃ।" শিৱৰ নৃত্য হৈছে তাণ্ডৱ আৰু গৌৰীৰ নৃত্য হৈছে লাস্য। তাণ্ডৱৰ 'তা" আৰু লাস্যৰ পৰা "ল" অক্ষৰৰ সমন্বয়ত 'তাল' শব্দৰ সৃষ্টি হৈছে বুলি কিছুমান পণ্ডিতে মত পোষণ কৰে।

আকৌ নৃত্যৰ লক্ষণ হৈছে-

"দেৱৰুচ্যা প্ৰতীতো যস্তালমানৰসাশ্ৰয়ঃ।
সবিলাসঃ অঙ্গবিক্ষেপঃ নৃত্যমিত্যুচ্যতে বুধৈঃ।।"

যেনেদৰে সঙ্গীতৰ বিধি সম্পৰ্কে সংস্কৃত ভাষাত সুন্দৰ ভাবে পোৱা যায়, তেনেদৰে নৃত্য সম্পৰ্কেও এইদৰে উল্লেখ আছে যে তাণ্ডৱ আৰু লাস্যভেদে নৃত্য দুই প্ৰকাৰৰ।

ভাৱ হৈছে

"নানাভিনয়সম্বন্ধান্ ভাৱয়ন্তি ৰসানিমান্।
যস্মাত্তস্মাদমী ভাৱা ৱিজ্ঞেয়া নাটকোক্তিষু।।"

ভাৱৰ অভিব্যক্তি সঙ্গীতৰ মাধ্যমেৰে সম্ভৱ বুলি সংস্কৃত শাস্ত্ৰত উল্লেখ আছে। ভেঁকুলী, চক্ৰৱাক ইত্যাদিৰ কূজনলৈ দৃষ্টি নিক্ষেপ কৰি সঙ্গীতৰ চৰ্চা সংস্কৃত ভাষাৰ গ্ৰন্থত বহুলভাৱে হৈছে। কোক মানে হৈছে ভেঁকুলী, চক্ৰৱাক ইত্যাদি। পাণিনীয় শিক্ষাগ্ৰন্থতো পোৱা যায়- "চাষস্তু ৱদতে মাত্ৰাম্" ইত্যাদি।

'লয়' হৈছে গীতবাদ্যনৃত্যাদি ক্ৰিয়াযুক্ত হৈ থকা সময়ত পৰস্পৰ সমতাৱস্থা। সেয়ে পোৱা যায়- "গীতবাদ্যপাদন্যাসানাং ক্ৰিয়াকালয়োঃ পৰস্পৰং সমতা লয়ঃ।" লয়হীনভাৱে কোনো কাৰ্য সিদ্ধ নহয়। খোজ কাঢ়োতেও লয়ৰ প্ৰয়োজন। লয় ভংগ হ'লে উজুটি খোৱাৰ সম্ভাৱনাই অধিক হৈ পৰে।

সামবেদ হৈছে গীতপ্ৰধান। উপনিষদ, পুৰাণাদিতো সঙ্গীতৰ প্ৰভাৱ দেখা যায়। ৰামায়ণতো সঙ্গীতৰ উল্লেখ আছে। সঙ্গীত ৰত্নাকৰ, সঙ্গীত সময়সাৰ, মদ্ৰাগচন্দ্ৰোদয়, ৰাগমালা, ৰাগমঞ্জৰী, নৰ্তননিৰ্ণয় ইত্যাদি সঙ্গীত বিষয়ক গ্ৰন্থ পোৱা যায়। সংস্কৃত ভাষাত বৰ্তমানো বিবিধ সংস্কৃত গীতসম্বলিত গ্ৰন্থ উপলব্ধ। যেনে বেংগলুৰু "সংস্কৃত ভাৰতী" ৰ গেয়গীতমঞ্জৰী, বৈদিকগণীয় "সংস্কৃতগীতিচন্দ্ৰিকা" (ড° সুবোধ কুমাৰ মিশ্ৰ ভাগৱতী ৰচিত ১০৭টা গীত), কামেশ্বৰসিংহ দৰভঙ্গা সংস্কৃত বিশ্ববিদ্যালয়ৰ "সংস্কৃতগীতমালিকা", শংকৰলালস্বামীৰ "গীত গীতা"ইত্যাদি বহুতো গীতৰ কিতাপ বৰ্তমান উপলব্ধ।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী, স্নাতক বৰ্ষ (১৯৮১-১৯৮৬), গ্ৰন্থাগাৰিক, পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়, বাৰাংহাটী, কামৰূপ

# कामरूपमहाविद्यालयीयस्मृतिसुरभिः

डॉ उपमा वर्मन डेका

जीवनकाललब्धास्वभिज्ञतासु काश्चन मधुराः स्मृतयः मनसः चित्रपटे अम्लानाःवर्तन्ते। भिन्नविषयकस्मृतिषु छात्रजीवनस्य स्मृतयोऽन्यतमा इति निश्चितम्। शिक्षासरणिः सुदीर्घा, तत्कालिक्यः स्मृतयोऽपि वह्व्यः। तासां कासाञ्चन स्मृतीनामहं रोमन्थनं कर्तुमुत्सहे।

नलबारीमण्डलान्तर्गते चामताग्रामे अनुष्ठिते कामरूपाख्ये महाविद्यालयेऽस्मिन् १९७६ तमे ईशवीयाब्दे प्रविष्टा भूत्वा प्राग्-विश्वविद्यालयपरीक्षायां प्रथमविभागे समुत्तीर्णा सत्यहं पुनरस्मिन्नेव महाविद्यालये स्नातकपाठ्याध्ययनार्थं १९७८तमे ईशवीयाब्दे नामप्रवेशनं कृतवती। माध्यमिकशिक्षाकालादेव संस्कृतविषयं प्रत्यनुरक्तायाः मम कृते सौभाग्यस्य विषयमासीद् यत्तद्वर्षादेव महाविद्यालयेऽस्मिन् संस्कृतस्य सम्मान(अनार्च) पाठ्यक्रमः प्रारब्धः। मया सह सप्तसंख्यकाः विद्यार्थिनःसंस्कृत मुख्यविषयरूपेण गृहीत्वा स्नातकपाठ्यस्य पाठग्रहणमकुर्वाम। ते ताः च खलु आसन् देवेन्द्रः, जगदीश, अमियः, दीलिपः अनसूया, मीना तथा अहमुपमा च। अस्माकं कृते महतः शोकस्य विषयः अयमेव यत् अस्माकं सतीर्थो देवेन्द्रः यः खलु परवर्तिकाले अस्य महाविद्यालयीयसंस्कृतविभागस्य प्रवक्तारूपेण कर्मरतासीत् सः सम्प्रति स्वर्गगतः। अस्मिन्नवसरे तस्य आत्मानं प्रति श्रद्धाञ्जलिं ज्ञापयामि।

तदा संस्कृतविभागीयाध्यापकरूपेणासन् त्रयः शिक्षकाः यथा सम्मानीयाः श्रीयुक्तअच्युत्चन्द्रमिश्रमहाभागाः ये खलु अस्माकं वैदिकपाठ्यमतीव सरलतया सरसतया च अध्यापयन्ति स्म। भारवेः किरातार्जुमीयमहाकाव्यस्य निर्दिष्टं पाठ्यमपि तैरेव पाठ्यते। तत्समये अपरः स्थायी शिक्षकः मान्याः श्रीयुक्तफटिकचन्द्रशर्ममहाभागाः केनचित् कारणेन पाठदानात् विरता आसन्। तेषां रिक्तस्थानंपूरितमासीत् अध्यापकसत्यप्रसादशर्ममहाभागैः। ते अस्माकमतीवाकर्षकरूपेण स्वप्नवासवदत्ताख्यनाटकस्य पाठमध्यापितवन्तः। तेषां रसाभिव्यञ्जकपाठनेन वयमाप्लुताः सञ्जाताः। परवर्तिसमये फटिकचन्द्रशर्ममहाभागानां प्रवेशहेतोः ते

शर्ममहाभागा अध्यापनरूपकर्तव्याद् विरता आसन्। विभागस्य नवनियुक्ता अध्यापका आसन् श्रीयुक्त(डॉ)नकुलचन्द्रडेकामहाभागाः। ते महाशया अस्माकं वेदान्तसारमिति दर्शनस्य पाठ्यं साहित्यदर्पणं तथा अस्माकं कृते अतीव कठिनं व्याकरणस्य पाठ्यम् सिद्धान्तकौमुद्याः विभक्तिप्रकरणं पाठयन्तिस्म। दर्शनस्य तथा व्याकरणस्य सूत्रावल्या अतिसरलरीत्या उदाहरणयुक्तेन व्याख्यानेन तान् विषयान् प्रत्यस्माकं भीतिभावं दूरीकुर्वन्ति स्म। तैः कण्ठस्थविद्यायां प्रभूतं गुरुत्वं प्रदत्तमासीत् येन कारणेन वयमाग्रहेण तान् सूत्रान् तान् विषयान् वा कण्ठस्थं कर्तुं समर्था अभवाम। तैरध्यापितानां वहव अंशा अद्यापि निरर्गलमुच्चारयितुं शक्यते अस्माभिः। सतीर्थैः सह श्लोकानां कण्ठीकरणरूपे कर्मणि वयं अतीव उत्फुल्लिता आस्म। ते स्मृतय अद्यापि अस्माकं प्रत्येकमेव आह्लादितं कुर्वन्तीति निश्चितम्।

महाविद्यालयस्य अध्यक्षपदमलंकुर्वन्नासन् सम्मानीयाः श्रीयुक्तविनयचन्द्रवर्मन महाभागाः। ते नित्यम् तत्परया श्रेणीनां सम्यक्रूपेण सम्पादनमभवन् न वेति पर्यवेक्षणमकुर्वन्। अस्मान् प्रति ते पितृवदुपदेशं निरन्तरं प्रदत्तवन्तः। उपाध्यक्षाः सम्मानीयश्रीमथनचन्द्रतालुकदारमहाशया अपि हृदयावर्जकभावेन असमीयाविषयस्य पाठ्यमपाठयन्तः। अन्यविभागानां शिक्षकैः सर्वैरेव वयमादृताः उपदिष्टाश्च आस्म। तेषां शिक्षागुरूणां ये खलु सम्प्रति दिवंगताः तेषां कृते श्रद्धाञ्जलिः मया निवेद्यते। ये शिक्षागुरवः अद्यापि विराजन्ते अपि च ये अध्यापकाः परवर्तिकाले अस्मिन महाविद्यालये नियुक्ताः सन्तः कार्यनिरताः सन्ति तेषां सर्वेषां कृते सर्वासाञ्च कृते अहं हार्दिकीं श्रद्धां निवेदयामि। साम्प्रतिकाध्यक्षपादाः मम सम्मानीयाः परिचिताश्च। तथा अध्यापकाध्यापिकासु प्रायशः सर्वैः सह मम स्नेहपूर्णं सान्निध्यं जातम्।

यद्यपि स्नातकपरीक्षा वर्षद्वयात् परं समापनीय आसीत् परन्तु तदानीन्तनविदेशीवहिष्कारान्दोलननिमित्तं निर्दिष्टसमयाद्वहुविलम्बेनैव स्नातकपरीक्षायामवतीर्णा सती संस्कृतविषये सम्मानेन सह अहं स्नातकोपाधिं लब्धवती। सफलतायाः अन्तराले स्थितानां पाण्डित्यपूर्णानां शिक्षणकलानिष्णातानां शिक्षागुरूणां सदुपदेशं प्रोत्साहनं स्नेहपूर्णमनुशासनं कदापि न विस्मरिष्यामि, तेषामृणमपि न परिशोधयितुं समर्था भविष्यामि। उक्तं हि-

एकमप्यक्षरं यं तु गुरुः शिष्यं प्रवोधयेत्।
पृथिव्यां नास्ति द्रव्यं यद्दत्वा सोऽनृणी भवेत्।।

अतःतान् महाशयान् प्रति भक्ति सहकारेण सर्वदा सश्रद्धप्रणतिं निवेदयामि।

मम कृते गौरवस्य स्थानमेतदेव यत् स्नातकपरीक्षाया अनन्तरं अध्यक्षपादानां निर्देशक्रमेणाहं महाविद्यालयस्यास्य संस्कृतविभागे प्रथमतः 'टिउटर'रूपेण पश्चाच्च अंशकालीनप्रवक्तारूपेण सार्धैकवत्सरं यावत् सेवां कृत्वा कृतार्थशम्। एतदप्युल्लेखनीयं यत् स्नातकपरीक्षायाः प्रागेव अस्य महाविद्यालस्य गणितविभागस्य

प्रधानध्यापकेन डॉ गिरीशचन्द्रडेकामहाभागेन सह मम शुभविवाहकार्यं सम्पन्नमासीत्।

परवर्तिसमये अहं क्रमेण बिबिकिषानमहाविद्यालये रङ्गियामहाविद्यालये नलबारीमहाविद्यालये च संस्कृतविभागेषु अध्यापनं कृत्वा तत्पश्चात् गुवाहाटीविश्वविद्यालयीय संस्कृतविभागे सेवां कर्तुं सुयोगाः प्राप्तवती। मम जीवने यत्किञ्चित् सफलतां प्राप्तुं समर्थास्मि तत् पूज्यवरैः गुरुभिरेव सम्भवति इति मम अनुभवः। मम असार्थकतायाः विफलतायाः वा गुरवः कदापि न हेतवो भवन्ति। अतो मया सर्वदानुभूयते–

'यदत्र सौष्ठवं किञ्चित्तद् गुरोरेव मम न हि।
यदत्रासौष्ठवं किञ्चित्तन्ममैव गुरोर्न हि॥'

मम प्रिये कामरूपमहाविद्यालये संस्कृतविभागे प्राक्तनसतीर्थसमारोहो भविष्यतीति ज्ञात्वा अतीव आनन्दितास्मि। तत्र मम पूज्यैः शिक्षागुरुभिः तथा सतीर्थैः सह सम्मेलनार्थमहमुद्विग्ना एव भवामि तथा महाविद्यालयस्य उत्तरोत्तरोन्नतिं कामयामि।

जयतु कामरूपमहाविद्यालयः
जयतु संस्कृतविभागः।

লেখক পৰিচিতি- प्राक्तनाध्यापिका, संस्कृतविभागः गुवाहाटीविश्वविद्यालयः

# স্মৰামি সাম্প্ৰতমপি

ড° গোকুলেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী

কামৰূপো মহাবিদ্যালয়ো নাম ৱৰপ্ৰদঃ।
ধৰ্মপুৰস্য ৰত্নং ৱৈ মহাবিদ্যালয়ো মহান্।।১
সংস্কৃতৱিভাগো ধন্যসংস্কৃতিসংস্কৃতাত্মকঃ।
ভাৰতস্য হিতাৰ্থায় সংস্কৃতং সৰ্ৱজীৱনম্।।২
আসীৎ পূৰ্বং গঙ্গানাথঃ চৌধুৰীৱংশ্যসম্ভৱঃ।
খ্যাতশ্চ ন্যায়ৱিদ্ ধন্যসংস্কৃতে চ কৃতশ্ৰমঃ।৩
যস্য নাস্তি চ্যুতিৰ্নাম মিশ্ৰোপাহ্বো গুৰুৰ্মহান্।
অচ্যুত পদৱাচ্যশ্চ চন্দ্ৰেন শোভতে সদা।।৪
শব্দশাস্ত্ৰে তথা ৱাক্যে ভাগৱতে কৃতশ্ৰমঃ।
নমামি তং গুৰুং ৱৰ্য্যং সংস্কৃতস্য হিতে ৰতম্।।৫
মাখিবাহানিৱাসী যঃ ফটিক সংজ্ঞকসধীঃ।
ছাত্ৰানাং তু হিতাৰ্থায় সৰ্ৱদা প্ৰোৎসাহেন শম্।।৬
ৱেদে শাস্ত্ৰে যথা দক্ষঃ ক্ৰীড়ায়াঞ্চ তথা পুনঃ।
যস্য ত্যাগস্মৃতসসংঘে ৰাজনীতৌ সচেতনঃ।
তং নৌমি সহস্য চাহং ফটিক সংজ্ঞকং ৱৰম্।।৭
ডেকাৱংশাৱতংসশ্চ খ্যাতো নকুলসংজ্ঞকঃ।
প্ৰমাণশাস্ত্ৰ চ স্মৰামি সাম্প্ৰতং মুদা।।৮
প্ৰাচাৰ্য্য পদৱীং লব্ধা সৰ্থেবাৰীস্থলং প্ৰতি।
গতৱান্ চ সুধীৰ্ধন্যো ৰমতে স্বগৃহে সদা।।৯
পাঠকেভ্যো নৱীনেভ্যো হাৰ্দ্দিকীং শুভকামনাম্।
নিৱেদয়ামি প্ৰীত্যা চ সংস্কৃতশ্ৰীঃ বিবৰ্দ্ধতাম্।।১০
কাময়ে মঙ্গলং সৰ্ৱং
শ্ৰেয়ঃপ্ৰাপ্তিংস্তথৈৱ চ।
কল্যাণং সৰ্ৱেষাং ভূয়াৎ সংস্কৃতেন চিৰন্তনম্।।১১

লেখক পৰিচিতি- Dr. Gokulendra Narayan Deva Goswami, AES, Formarly Member, Maharshi Sandipani Rashriya Veda Vidya Pratishthan, Govt. of India, Presently HOD, Mimamsa Dept. K.K.H. Govt. Sanskrit College, Jalukbari-781014

# স্মৃতি ৰোমন্থন

সত্যৱতী গোস্বামী শৰ্মা

বৰ্তমান নলবাৰী জিলাৰ অন্তৰ্গত আৰু চমতা অঞ্চলৰ এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান হৈছে - 'কামৰূপ মহাবিদ্যালয়'। ১৯৬৬ চনত স্থাপিত এইখন মহাবিদ্যালয়ে জ্ঞানৰ মন্দিৰ হৈ জেউতি বিলাইছে।

১৯৮২ চনত কৈঠালকুছি হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কলেজত নামভৰ্তি কৰাৰ কথা চিন্তা আহি পৰিল। আমাৰ পিতৃদেৱৰ ইচ্ছামতে লগতে নিজৰো আগ্ৰহত 'কামৰূপ মহাবিদ্যালয়'ত নামভৰ্তি কৰিলোঁ। অৱশ্যে সেইসময়ত মোৰ অগ্ৰজা কল্যাণী গোস্বামীও স্নাতক দ্বিতীয় বৰ্ষত এইখন মহাবিদ্যালয়তে পঢ়ি আছিল। তেতিয়া আমাৰ কৈঠালকুছি অঞ্চলৰ পৰা বেছিভাগ ছাত্ৰ-ছাত্ৰী কামৰূপ মহাবিদ্যালয়লৈ যায়। সেই সময়খিনিত আমাৰ ঘৰৰ ওচৰৰ পি.ডব্লিউ.ডি ৰাস্তাৰে তিনিখনমান বাছ চলে গুৱাহাটী অভিমুখে। তাতে যদিহে সময়মতে বাছ পাওঁ, আমি উঠি যাওঁ - বাইদেউ আৰু মই কোনোমতে। ছাত্ৰ-ছাত্ৰীৰ ভাড়া লয় - পঞ্চাশ পইচা। তাকে নাপালে খোজ কাঢ়িব লাগে। ৯ বজাৰ প্ৰথম ক্লাছ থাকিলে আমি যাওঁ ৭.১৫-২০ মানত। বাটে-বাটে ল'ৰা ছোৱালীবোৰ লগ পোৱা যায়। বেছিভাগ ল'ৰাই চাইকেল চলাই যায়। তেতিয়া ছোৱালীয়ে চাইকেল চলাই অহা পৰিবেশ নাছিল। সেই যে আমি বেগাই গৈ ক্লাছ ধৰিব লাগে- সেই সময়কণৰ মাদকতাই সুকীয়া। যাওতে বিভিন্ন সময়ত বিভিন্ন পৰিবেশ পাওঁ। ৰ'দ-বতাহ বৰষুণ কাটি কৰি খোজ আমাৰ কলেজৰ পিনে। এইবোৰ কথা মনলৈ আহিলে আজিও আবেগ বিভোৰ হৈ পৰোঁ।

কলেজৰ গেটখন পালেই যেন দুখ-ভাগৰ আঁতৰি যায়। তেতিয়া আমাৰ অধ্যক্ষ আছিল শ্ৰদ্ধাৰ প্ৰয়াত বিনয় বৰ্মন ছাৰ। মথন তালুকদাৰ ছাৰ, ড° প্ৰমোদ হালৈ ছাৰৰ ক্লাছৰ কথা এতিয়াও মনত পৰে। শ্ৰীযুত ৰাজেন বৰুৱা ছাৰৰ কথা মনত পৰে। এবাৰ নামটো সুধি ল'লৈ ছাৰে নাপাহৰে, সকলোকে নাম ধৰি মাতে। আমাক ইংৰাজী শিকাইছিল প্ৰয়াত হৰমোহন শৰ্মা আৰু প্ৰয়াত মুনীন ভট্ট ছাৰে। মনত পৰে প্ৰয়াত দীপালী বাইদেউৰ কথা, প্ৰয়াত কনক তামুলী ছাৰৰ কথা। কৈঠালকুছিৰ অৰ্থনীতি

বিজ্ঞানৰ প্ৰয়াত ৰাজেন হালৈ ছাৰৰ শিকনি মনত পৰে। ড° ভবেন পাঠক ছাৰকো আমি পাইছোঁ। ড° পৰাগ কুমাৰ ভট্টাচাৰ্য ছাৰৰ অধ্যয়নপুষ্ট শিকনশৈলী মনত পৰে। শ্ৰদ্ধাৰ গৌৰী কলিতা ছাৰ, মুনীন পাটগিৰী ছাৰ, প্ৰশান্ত বৰ্মন ছাৰ আৰু হুছেইন ছাৰৰ কথা মনলৈ আহিছে। ড° নাৰায়ন শৰ্মা ছাৰৰ বক্তৃতা মনলৈ আহে। ড° গিৰীশ ডেকা ছাৰৰ গহীন-গম্ভীৰ খোজ মনলৈ আহে। আমাক তৰ্কশাস্ত্ৰ আৰু দৰ্শন পঢ়াইছিল ড° নাৰায়ণ বৈশ্য আৰু প্ৰয়াত হিতেন শৰ্মা ছাৰে।

সংস্কৃত বিভাগৰ অধ্যাপক আছিল শ্ৰদ্ধাৰ শ্ৰীযুত অচ্যুৎ মিশ্ৰ ছাৰ, ড° নকুল ডেকা ছাৰ আৰু ড° ফটিক শৰ্মা ছাৰ। প্ৰয়াত দেবেন গোস্বামী ছাৰকো আমি কিছুদিন পাইছোঁ।

ইয়াত নাম উল্লেখ কৰা বা কৰিবলৈ অসমৰ্থ সেই শিক্ষাগুৰু সকলৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। সেই সময়ত শিক্ষাগুৰুসকলৰ লগত ছাত্ৰ-ছাত্ৰীৰ আছিল এক আবেগক বান্ধোন। শ্ৰদ্ধা-ভয় আদিও আছিল। পঢ়া-শুনাৰ উপৰিও খেলা-ধূলাৰ পৰিবেশ ভালেই আছিল। সীমিত সুবিধাৰ মাজেৰে আগবাঢ়ি যোৱাৰ সপোন আছিল। ক্লাছ নথকা সময়খিনিত আমি ছাত্ৰী জিৰণী কোঠাত বহো, ঠাগুৰ দিনত মুকলি হৈ থকা ঘাঁহনিত বহোঁ। কেতিয়াবাহে চাহ দোকানখনলৈ গৈ চাহ খাওঁ।

আবেলি ক্লাছ শেষ হোৱাৰ পিছত আমাৰ সময় নাথাকে, সন্ধিয়া হয় বুলি বেগাই খোজ লওঁ ঘৰ অভিমুখে। মাজে সময়ে বাছ এখন পাওঁ। কলেজত কিবা সভা আদি হ'লে দূৰৰখিনিয়ে অনুমতি লৈ আগতীয়াকৈ গুচি আহিবলগীয়া হয়।

১৯৮৪ চনত প্ৰাক্-বিশ্ববিদ্যালয় (P.U) পৰীক্ষা উত্তীৰ্ণ হৈ স্নাতক মহলাত নামভৰ্তি কৰিলোঁ। নতুনকৈ তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম হ'ল। (Part - I) দুবছৰীয়া আৰু (Part - II) এবছৰীয়া। কিতাপপত্ৰ নতুন হ'ল (Pass Course) ত 'দৰ্শন' বিষয় লৈ সংস্কৃতত 'মেজৰ' ললো। কিতাপবোৰ ওলাওতে পলম হ'ল বাবে কলিকতাৰ পৰা ডাকযোগে কিছু কিতাপ মগাই আনিলোঁ-প্ৰসঙ্গ পুথি হিচাপে। কলেজত অধ্যাপকে পঢ়ায় আৰু আমি ঘৰত যিখিনি পাৰোঁ পঢ়ো। লাইব্ৰেৰীৰ পৰাও কিতাপ পাইছিলোঁ। অৱশ্যে আমি ছাৰ সকলৰ পৰাও কিতাপ-পত্ৰ নি পঢ়িছিলোঁ। আমাৰ ঘৰখনত আগৰে পৰাই সংস্কৃতৰ অধ্যয়ন আৰু চৰ্চা কিছু আছিল; সেয়েহে ঘৰতো দুই এখন কিতাপ আছিল। এইখিনিতে স্মৰণ কৰিব লাগিব যে মোৰ বৰদেউতা (মাজুপিতা) প্ৰয়াত উপেন্দ্ৰ নাৰয়ণ দেৱ গোস্বামীৰ পৰা সংস্কৃত ব্যাকৰণৰ বহু কথাই মই শিকিছোঁ। ১৯৮৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি মোৰ অনুজ 'গোকুলেন্দ্ৰ' এইখন মহাবিদ্যালয়তে নামভৰ্তি কৰে। পৰৱৰ্তী সময়ত মোৰ আন এগৰাকী ভাতৃ 'দীনেন্দ্ৰ'ও এই মহাবিদ্যালয়ৰ পৰা সংস্কৃত বিষয়ত স্নাতক হয়।

১৯৮৭ চনত স্নাতক (মেজৰ সহ) উত্তীৰ্ণ হওঁ। পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰোঁ। সময়ে সময়ে বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈছো যদিও 'কামৰূপ মহাবিদ্যালয়'ৰ কথা ওলালেই, কোনো বন্ধু-বান্ধৱীক লগ পালেই সেই সোণালী দিনবোৰৰ

কথা মনত পেলাই আবেগ প্ৰৱণ হৈ যাওঁ। কেইদিনমান আগতে ড° তপন কুমাৰ কাশ্যপৰ পৰা টেলিফোনযোগে সতীৰ্থ সন্মিলন আয়োজনৰ খবৰটো পাই অতিশয় আনন্দিত হলোঁ। শ্ৰীভগবান শৰ্মা ডাঙৰীয়াৰ লগতো কথাপাতি ভাল লাগিল। পূৰ্বৰ সংস্কৃত বিভাগৰ গুৰুসকলৰ উৎসাহ-উদ্দীপনাই আমাৰ গোটেই জীৱনত উল্লেখনীয় বৰঙণি আগবঢ়াইছে। বহুদিন বিৰতি হোৱাত গুৰুসকলৰ নাম উল্লেখ কৰাত ত্ৰুটি যদি হৈছে, তাৰ বাবে মই ক্ষমা প্ৰাৰ্থী।

এতিয়াৰ কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগো নিশ্চয় সকলো ক্ষেত্ৰতে তৎপৰ। এই ছেগতে তেখেতসকললৈ শুভকামনাৰ লগতে শ্ৰদ্ধা নিবেদিছোঁ। কামৰূপ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ। সংস্কৃত বিভাগৰ জয়যাত্ৰা অব্যাহত থাকক - তাৰেই কামনাৰে...

জয়তু কামৰূপ মহাবিদ্যালয়
জয়তু সংস্কৃত বিভাগ।

লেখক পৰিচিতি- সহকাৰী শিক্ষয়িত্ৰী, কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী
প্ৰাক্তন ছাত্ৰী, কামৰূপ মহাবিদ্যালয়, স্নাতক বৰ্ষ (১৯৮৭ বৰ্ষ)

# আমাৰ চেনেহৰ কলেজখন

দীনেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী শাস্ত্ৰী

১৯৮৯-৯০ বৰ্ষ। স্নাতক মহলাৰ নামভৰ্ত্তিৰ উদ্দেশ্যে কামৰূপ কলেজত প্ৰৱেশ কৰিছিলোঁ। লগত আছিল এই কলেজৰ ছাত্ৰ তথা মোৰ দাদা গোকুলেন্দ্ৰ। নামভৰ্ত্তিৰ পাছত অধ্যক্ষ বিনয়চন্দ্ৰ বৰ্মন, উপাধ্যক্ষ মথন তালুকদাৰ (পিছলৈ অধ্যক্ষ) আৰু হৰমোহন শৰ্মা (ইংৰাজী বিভাগ) ছাৰকে আদি কৰি সকলোৰে লগত পৰিচয় কৰাই দিছিল। ইতিমধ্যে দাদাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগত নামভৰ্তি কৰিছিল। বাইদেউ সত্যৱতী গোস্বামী এইখন মহাবিদ্যালয়ৰ পৰা ছয় বছৰ পঢ়ি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বিষয়ৰ এম. এ. কৰি সাংসাৰিক হৈছিল।

ব্যক্তিগতভাৱে আমাৰ পৰিয়ালৰ ছয় ভাই-ভনীৰ ভিতৰত পাঁচজনেই কামৰূপ কলেজৰ শিক্ষাৰ্থী। ইয়াৰে ভিতৰত আমি তিনিজনেই সংস্কৃত বিভাগৰ (মেজৰ) শিক্ষাৰ্থী আছিলোঁ। উল্লেখ্য যে আমাৰ কৈঠালকুছিৰ দ্বীপৰ সত্ৰৰ বৃহৎ পৰিয়ালত সৰহ সংখ্যকেই এই মহাবিদ্যালয়ৰ শিক্ষাৰ্থী। ১৯৮৭ চনত কৈঠালকুছিত 'কামপীঠ মহাবিদ্যালয়' স্থাপন হোৱাৰ পিছতো কামৰূপ মহবিদ্যালয়ৰ আকৰ্ষণ অটুত আছে। বৃহত্তৰ কৈঠালকুছি অঞ্চল, গোবৰাদল, বালি, জোৰাৰ্দ্দি, গামাৰিমুৰী অঞ্চল এই সকলোৰে শিক্ষা লাভৰ স্থান একমাত্ৰ 'কামৰূপ মহাবিদ্যালয়ে' আছিল।

সময়ৰ পৰিবৰ্তনত বহুখিনি সলনি হ'ল যদিও এই মহাবিদ্যালয়ৰ গৰিমা সদায় অক্ষুন্ন থাকিল আৰু থাকিবও। আমাৰ পঢ়াৰ কালত মোবাইল, ইণ্টাৰনেট দূৰৈৰ কথা, ৰাতিপুৱা গুৱাহাটীমুখী দুই তিনিখন মটৰগাড়ীৰ বাহিৰে যাতায়তৰো অইন সুবিধাই নাছিল। কলেজীয়া আমি ছাত্ৰসকলে চাইকেল চলাই গৈছিলোঁ যদিও আমাৰ বাইদেউ ভনীসকলে বেছিভাগ খোজকাঢ়ি অহা- যোৱা কৰিছিল; যিটো নেকি এতিয়াৰ যুগত সপোন সপোন যেন লাগে।

আমাৰ কলেজৰ সংস্কৃত বিভাগটো কেবাটাও কাৰণত অনন্য। আমাৰ লগৰ দুই একে বিদ্যায়তনিক দিশত সৱল বুলি ভাবি নলবাৰী কলেজলৈ গৈছিল। এইখন কলেজৰ সংস্কৃত অধ্যাপকসকলৰ শিক্ষাৰ্থীৰ প্ৰতি আন্তৰিকতা, অগ্ৰসৰ হোৱাৰ বাবে প্ৰেৰণা, বিষয়বস্তু বোধগম্য

কৰোঁৱাত যি দায়িত্ববোধ-মোৰ বোধেৰে অইন শিক্ষানুষ্ঠানত বিৰল আছিল আৰু বোধহয় এতিয়াও আছে। আজি আমাৰ শ্ৰদ্ধাৰ গুৰুসকল যথাক্ৰমে অচ্যুত মিশ্ৰ, ড° ফটিক শৰ্মা, ড° নকুল ডেকা, দেৱেন গোস্বামীক নমস্কাৰ জনাইছোঁ। মিশ্ৰ ছাৰৰ সৰলতা, শৰ্মা ছাৰৰ বন্ধুত্ব- সুলভ আচৰণ, ডেকা ছাৰৰ পঠনশৈলী সদায় স্মৃতিপটত থাকিব। ফটিক শৰ্মা ছাৰে সেই সময়ত সামাজিক, ৰাজনৈতিক কামত কিছু পৰিমাণে জড়িত থকাৰ কথা মনত আছে।

আমি পঢ়া কালত আমাৰ অধিকসংখ্যক গুৰুৱে বিদ্যানুৰাগী আছিল। আজিকালিৰ দৰে নেট, শ্লেট., পি, এইছ.ডি ৰ প্ৰয়োজন সেই সময়ত নাছিল যদিও বহুকেইগৰাকী শিক্ষাগুৰুৱে আমি পঢ়া সময়খিনিতে এনে ডিগ্ৰী পোৱা মনত আছে। ইয়াৰ ভিতৰত শিক্ষা বিভাগৰ দীপালী দেৱী বাইদেউ ডক্টৰেট পোৱাৰ পিছত আমাৰ মহাবিদ্যালয়ত সুন্দৰ সম্বৰ্ধনা সভা অনুষ্ঠিত হৈছিল। বাইদেউৰ পাঠদানৰ কৌশল বৰ সুন্দৰ আছিল। আমাক পঢ়োৱা বহু শিক্ষাগুৰু এতিয়া নাই। শ্ৰদ্ধা নিবেদিছোঁ।

আজি মনত পৰিছে আহল- বহল, মুক্ত পৰিবেশত থকা মহাবিদ্যালয়খনৰ কথা, কলেজৰ কাষতে অধ্যাপকসকলৰ ঘৰ, ওচৰ-পাজৰৰ গাঁওসমূহত অনুষ্ঠিত উৎসৱ পাৰ্বনৰ কথা, কলেজৰ পৰা অকনমান আহিয়ে চ'কটোৰ দোকানকেইখন, ছোৱালীসকলৰ প্ৰয়োজনীয় বিবিধ সামগ্ৰীযুক্ত 'খগেন দা'ৰ দোকানখন ইত্যাদি। ৩০ বছৰ পাছত এনে অনুষ্ঠান পতাৰ বাবে উদ্যোক্তাসকলক ধন্যবাদ জনাইছোঁ।

এনেধৰণৰ অনুষ্ঠানে স্মৃতিকাতৰ কৰি তোলে। 'লোকভাষা প্ৰচাৰ সমিতি', 'সংস্কৃত ভাৰতী'ৰ বিভিন্ন শিবিৰত একেলগে কাম কৰা শ্ৰীমান বিভূতিলোচন শৰ্মা, শ্ৰীমান ভগৱান শৰ্মা, শ্ৰীমান সুবোধ মিশ্ৰ ভাগৱতী আৰু অন্যসকলোকে এই সুযোগতে নমস্কাৰ আৰু সুভাশীষ যাচিলোঁ।

আমি আশা কৰিম চিনাকি-অচিনাকি, অগ্ৰজ- অনুজ, যিয়েই নহওঁক, মূলতঃ আমি এটাই পৰিয়াল- 'সংস্কৃত পৰিয়াল'।

'জয়তু সংস্কৃত, জয়তু কামৰূপ মহাবিদ্যালয়।'

লেখক পৰিচিতি-স্নাতকোত্তৰ শিক্ষক, শংকৰদেৱ বিদ্যা নিকেতন, গুৱাহাটী-২৪

# आचार्यप्रशस्तिः

ड॰ विभूति लोचन शर्मा

ज्ञानविज्ञानविज्ञाय ज्ञानवैभवशालिने।
ज्ञानार्णवविशालाय ज्ञानानन्दस्वरूपिणे।। १।।
शास्त्रज्ञानप्रदीपाय शुद्धाय सुखहेतवे।
शिक्षादानव्रतार्थाय शिष्यवत्सलमूर्तये ।। २।।
सूर्येन्दुरूपयुग्माय सत्वगुणाकराय वै।
साधकाय सुतोषाय सत्यव्रतार्थजीविने।। ३।।
विद्वद्वृन्दप्रमुखाय विद्याविस्तारशालिने।
विदग्धवचनेन्द्रायविनम्रार्णवचक्षुषे।।४।।
विज्ञेयो विविधाङ्गानांविधिज्ञोवैविचक्षणः।
विनम्रोयोविनम्रेषुविख्यातोजनसंदि।।५।।
वेदपुराणयोर्ज्ञानंधर्मशास्त्रादियन्मुखात्।
काव्यनाटकतन्त्राणि विस्तृतानि मुखे मुखे।। ६।।
शिक्षाभ्यासप्रयोगार्थ अध्येतृषु सुविक्रमः।
श्रद्धास्पर्दाविशिष्टो यः अक्लिष्टः शिष्यवत्सलः।।७।।
तस्मै सर्वगुणार्हाय मानार्हाय महात्मने।
श्रीमदच्युतमिश्राय गुरवे भक्तिरञ्जलिः ।।८।।
न्यायार्थं सकलं यस्य न्यायपालनकर्मसु।
न्यस्तं न्यायसुरक्षार्थं नान्यत्किञ्चिद्विपर्यये ।।९।।
शिक्षादानप्रसङ्गेऽपि न्यायो युधिष्ठिरस्य वै।
आतुराणां सुरक्षा च नागानन्दकिरातयोः ।।१०।।
आसन्वेदादिशास्त्राणि पाठ्यविन्दुरनु क्रमात्।
आगमो निगम श्चैव यस्यास्याङ्गविभूषणे ।।११ ।।

धावने कन्दुके चैव बाधाधावनके पुनः।
पारंगतिं प्रदर्श्यैव स्थितः शीर्षकमानके।।१२।।
कल्याणार्थं तु लोकानां येन राजनीतौ पुनः।
आत्मनियोजनं कृत्वा दर्शिता मनसो मतिः।।१३।।
स्फटिकस्वच्छतेव हि आत्मदृष्टिपरायणः।
शुद्धभावस्वरूपो यो नित्यं प्रज्ञार्थसाधकः।।१४ ।।
स्वाध्यायाध्यापने यस्य प्रमुखेचेष्टिते ननु।
छात्रसंघटने चैव तस्य बुद्धिर्विलक्षणा।। १५।।
क्रीडाङ्गनप्रमुखाय विद्यारक्षकरक्षिणे।
तस्मै फटिकचन्द्राय गुरवे भक्तिरञ्जलिः ।। १६।।
सेवार्थ यतमानेषु भारत्या भारतीसुतः।
आन्वीक्षिकीसुरो यस्तु विद्याधरोधरातले।।१७।।
साहित्यदर्पणं यस्य कण्ठहारेव शोभते।
विभक्तिकारके चैव मुखपद्माद्विनिः सृते।।१८।।
कक्षायां वा गृहे यस्तु शिष्यशिक्षार्थमेव च।
भोजप्रबन्धवैशिष्ट्यं विज्ञाप्य रूपकं पुनः।।१९।।
विज्ञेषु नितरां गोष्ठी यस्य मानं च मानिषु।
पारंगतिश्च शास्त्रादौ विद्वद्वृन्दसरोवरे।। २०।।
काव्यपाठनकालेऽपि हास्यशान्तरसाप्लुतः।
शृङ्गारकरुणाद्भुतैः यस्य पाठः समादृतः।।२१।।
नित्यं कक्षां समारभ्य तृषार्तान्कुरुतेप्रियान्।
शिष्यान्ज्ञानसुरक्षाय नित्यंस्वाध्यायमानसान।।२२।।

संस्थाप्य स्वयशो लोके ज्ञानं वै छात्रसंसदि।
दायित्वं सहकर्मिभ्यः सेवानिवृत्तिकं गतः ।। २३ ।।
यस्तु शिक्षां च शास्त्रं च कृतवान्शिष्यसाधने
तस्मै नकुलवर्याय गुरवे भक्तिरञ्जलिः ।। २४ ।।
शम्भोर्ढक्काप्रसूतानि अक्षराणीव यन्मुखात्।
बीजरूपाणि छन्दांसि शिष्ये शिष्ये शनैःशनैः ।। २५ ।।
ह्रस्वदीर्घगणानां वै शिक्षादानप्रसंगतः।
तथाभ्यासप्रयोगार्थ रोपितानि हृदिहृदि ।। २६ ।।
नाटकेषु विशिष्टं यद् अभिज्ञानशाकुन्तलम्।
स्थानकालादिवैशिष्ट्यं चरित्राणां विशेषतः ।।२७ ।।
येन पाठनकाले हि दर्शिते मानसे पटे।
रघुवंश महाकाव्यं गीताज्ञानं ततः परम् ।। २८ ।।

सन्धिसमासवाच्यानि शिक्षितानि अनुक्रमात्।
कक्षायां च नीतिश्लोकाः ज्ञापिता येन सर्वदा ।। २९ ।।
शिष्ये शिष्ये परिपृच्छा योगक्षेमो जने जने।
यस्यास्तामिति विज्ञानां मतं यत्तु मुखे मुखे ।। ३० ।।
यस्य ज्ञानं च विद्या च आस्तां लोकोत्तराय हि।
शिष्यशिक्षाप्रतिज्ञो यो नित्यं स्वाध्यायतत्परः ।।32 ।।
गुरुपरम्पराप्राप्ता सेयं ज्ञानपरम्परा।
शिष्यशिष्योत्तरं गच्छेत्तर्धतांहृदिसर्वदा ।। ३१ ।।
स्वल्पकालस्थितो यस्तु सनाथान्कृतवान्प्रियान्।
शिष्यान्ज्ञानस्य विद्याया मनसो वै महोदयः ।। ३३ ।।
ब्रह्मणि संविलीनाय हृदयान्तस्थिताय वै।
तस्मै देवेनदेवाय गुरवे भक्तिरञ्जलिः ।। ३४ ।।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰ (সংস্কৃত বিভাগ), কামৰূপ মহাবিদ্যালয়, চামতা
তথা সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয় (অসম)

# কালিদাস

মীৰা বৰ্মন

কালিদাস কবি মোৰ,
শত শত শ্ৰদ্ধা,
স্নেহ তোমাৰ নামত
নিজৰি নিচাৰি বয় হৃদয় তলিত
বাঘৰুৱা হাতেৰে লিখিগলা নাটেৰে
অনিন্দ সুন্দৰী সেই তন্বী 'শকুন্তলা'।
যাৰ স্বাদৰ আস্বাদনত মৰতৰ
সুধীগণ আজিও বিভোৰ।
তোমাৰ হৃদয় জুৰি যক্ষৰ বিলাপ,
কেনেদৰে ভাহে কবি 'মেঘদূত' ৰূপে।
তোমাৰ 'ৰঘুত' দেখো
তোমাৰ আদৰ্শ, তোমাৰ চৰিত্ৰ।
কিয় এনে বিশালতা, উদাৰ,
নিস্বাৰ্থ বাৰু তোমাৰ ভাৱনা?
কালিদাস কালিদাস
ভাৰতীৰ বাপতি সাহোন,
নিশ্বাসত সুগন্ধি লাগে,
চকুত চমক জাগে,
হৃদয়ত ৰুণু জুণু নুপুৰৰ ধ্বনি বাজে,
চেতনা কপাই থাকে 'কুমাৰ সম্ভৱ'।
'দীপশিখা' কালিদাস হায় হায়
হাহাকাৰ হৃদয় আঁৱৰি বয়,
নিদিলা অকণো তুমি স্বীয় পৰিচয়।
শ্ৰদ্ধা, মাথো অনন্ত শ্ৰদ্ধাৰ,
হেজাৰ অঞ্জলি, কৰিলো অৰ্পণ,
তোমাৰ চৰণ ধুৱাই।

লেখক পৰিচিতি- অৱসৰপ্ৰাপ্ত মুৰব্বী সহযোগী
অধ্যাপিকা, সংস্কৃত বিভাগ,
বগাধৰ ব্ৰহ্ম কিষাণ মহাবিদ্যালয়, জালাহ

# ममाभिधेयम्

डा॰ सुबोध कुमार मिश्र भागवती

यद्पूर्वोत्तरभारतस्य सुपदं प्राक्कामरूपं स्थितम् ।
देवीक्षेत्रयुते मनुष्यजननं देदीप्यमानं शुभम् ।।
नानामानुषचिन्तनैज्जनपदं विद्याविकाशान्वितम्।
पश्चान्मण्डलरूपचूर्णितपदं तद्कामरूपं स्थितम् ।।१।।

क्षेत्रे वै नलवार्यनन्यनिलय: प: चामतायां स्थित:।
शिक्षाया:निलयस्सुरम्पखचितस्स: कामरूपेति वै।।
छात्रै भिन्नविभागभूषितसुखै: धन्य: महाविद्यया ।
संस्कारान्वितसंस्कृतस्य सुगति: सिद्धिप्रदानान्विता ।।२।।

संस्कृतभाषाशिक्षान्वितजीवनं मे। पाठ्यक्रमैस्सह युक्तोऽहं संस्कृतभाषाया: गीत- नृत्यादिशिक्षाप्रदानकार्यै: सेवायां सततंमनोऽहम्। संस्कृतभाषाया: प्रचारक्षेत्रे सर्वे जागृता: स्यु:। प्राक्तनसतीर्थसमारोहीयपवित्रक्षणे सर्वेभ्यो मे शुभेच्छा।

"सतीर्थानां सुरम्यमेलनै: तीर्यवत् भवति भूमि:।
प्रीतिभावान्वितै: कार्यै: चैक्यभाववृद्धिर्भवेद्ध्रुवम्।।"

লেখক পৰিচিতি- सहकार्यध्यापक:,
संस्कृतविभाग:, कामरूपमहाविद्यालय:, चामता

# তোৰে মোৰে আলোকৰে যাত্ৰা

**ভগৱান শৰ্মা**

১৯৬৬ চনৰ এক শুভ ক্ষণত (২৫ জুলাই তাৰিখে) পশ্চিম নলবাৰী অঞ্চলৰ বিদ্যানুৰাগী দূৰদৰ্শী, ভৱিষ্যদ্ৰষ্টা বিদ্যাৰ সাধকসকলৰ ঐকান্তিক প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰা সকলোকে আশাৰ জ্যোতিৰে জ্যোতিষ্মান কৰা কামৰূপ মহাবিদ্যালয়ে চাওঁতে চাওঁতে ৫৮ টা বসন্ত, ৫৮ টা শৰৎ, অতিক্ৰমি নিজ গৰিমাৰে অসমৰ ভিতৰত এখন লব্ধপ্ৰতিষ্ঠ উচ্চশিক্ষাৰ অনুষ্ঠান হিচাপে নিজ মহিমাৰে মহিমামণ্ডিত হ'ব পাৰিছে। জন্ম লগ্নৰে পৰা শত শত জনক জ্ঞানৰ দীপালীৰে উজলাই ইয়াৰ সংস্কৃত বিভাগটোৱে মহাবিদ্যালয়খনৰ উত্তৰণত সহযাত্ৰী হৈ একনিষ্ঠভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। এই জ্ঞান বিতৰণ যাত্ৰাৰ এজন সাধাৰণ শিক্ষক সহযাত্ৰী হিচাপে নিজকে আত্মনিয়োজিত কৰি জ্ঞান-যজ্ঞত আঁহুতি দিব পৰাটো মোৰ বাবে পৰম সৌভাগ্য। ১৯৯৯ চনৰ আগষ্ট মাহৰ ২ তাৰিখে এই জ্ঞানৰ পীঠৰ কৰ্মযজ্ঞত প্ৰৱেশ কৰিছিলোঁ। তেতিয়াৰ পৰা আজিলৈকে শত শত ছাত্ৰ-ছাত্ৰীক লগ পালো, যি সকলে জ্ঞান আহৰণৰ তাগিদাত এই বিদ্যাৰ মন্দিৰলৈ আহিছিল আৰু আহি আছে। তেওঁলোক মোৰ এই বৃহৎ পৰিয়ালটোৰ নিচেই আপোন।

এক প্ৰাকৃতিক বিতোপন নিৰিবিলি পৰিবেশৰ মাজত বিৰাজিত এই মহাবিদ্যালয়খনে যিদৰে ছাত্ৰ-ছাত্ৰীসকলক সু-শিক্ষাৰে শিক্ষিত কৰিছে, সেইদৰে ক্ৰীড়া, সংস্কৃতি আদিৰ দিশতো ছাত্ৰ-ছাত্ৰীসকলৰ উত্তৰণত সমানে দায়িত্ব পালন কৰি আহিছে। আমাৰ বিভাগটোৰ মহাবিদ্যালয়ৰ ভিতৰত এক সুকীয়া পৰিচয় আছে। নম্ৰ-ভদ্ৰ বিনয়ী গুণেৰে সমৃদ্ধ ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ শৈক্ষিক ফলাফলেৰে বিশ্ববিদ্যালয়ত নিজৰ মান অক্ষুন্ন ৰখাৰ সমান্তৰালকৈ সমাজৰ বিভিন্ন দিশত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ অনেকেই বিশ্ববিদ্যালয়ৰ, মহাবিদ্যালয়ৰ অধ্যাপকৰ আসন অলংকৃত কৰিছে। অসমৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী বিদ্যালয়, কাৰ্যালয় তথা ব্যৱসায়-বাণিজ্য আদিৰ জৰিয়তে সংস্থাপিত হৈ সমাজলৈ প্ৰভুত বৰঙণি আগবঢ়াই আহিছে।

শেহতীয়াকৈ প্ৰাক্তন ছাত্ৰ- ছাত্ৰীৰ

সমাৰোহে এই বিভাগটোৰ মহা মানবৰ মহান মিলনভূমিত পৰিণত কৰিছে। আজি বিভাগটোৰ জন্মলগ্নৰে পৰা আজিলৈকে এই বিভাগটোত যিসকলে অধ্যয়ন কৰি গৈছে অথবা কৰি আছে সেই সকলোৱে এই বিভাগটোক নিজৰ বুলি দাবী কৰিছে নিজৰ বুলি আঁকোৱালি লৈছে। সকলোৱে নোৱাৰিলেও অধিকসংখ্যকে এই অনুষ্ঠানটোৰ সৈতে নিবিৰভাৱে সংযোজিত হৈছে। এইহেন মহামিলনৰ এক উৎসৱ মুখৰ পৰিৱেশে আমাক বিশেষকৈ মোক প্ৰচুৰ আনন্দ দিছে। আহ্লাদিত হৈ পৰিছোঁ। আজি একত্ৰিত হৈছে আমাৰ বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰা পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু একত্ৰিত হৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে, সমস্বৰে গাইছে ঐক্যমন্ত্ৰ একতাৰ জয়গান। এই সমাৰোহ মিলনৰ সমাৰোহ, এই সমাৰোহ আৱেগৰ সমাৰোহ, এই সমাৰোহ আমাৰ বিভাগৰ সমাৰোহ। সমাৰোহৰ প্ৰস্তুতি সভাৰ সাধাৰণ সভাত আমাৰ বিভাগৰ পৰা 'অভিজ্ঞানম' নামৰ স্মৰণিকা এখন প্ৰকাশ কৰাৰ বাবে লগতে ISBN গ্ৰন্থ এখন প্ৰকাশ কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিলোঁ। তাত সকলোৱে সন্মতিয়ে মোক অনুপ্ৰাণিত কৰিছিল। সেই প্ৰস্তাৱ গৃহীত হ'ল আৰু তাৰে পৰিণতিত ছাত্ৰ-ছাত্ৰী আৰু হিতৈষীসকলৰ সহযোগত এই স্মৰণিকা 'অভিজ্ঞানম'খন প্ৰকাশিত হ'বলৈ সুযোগ পালে। ইয়াৰ বাবে মই প্ৰাক্তন সতীৰ্থ সমাৰোহৰ সমূহ বিষয়ববীয়া আৰু সদস্যসকলৰ ওচৰত কৃতজ্ঞ। প্ৰাক্তন সতীৰ্থ সকলে বিভাগটোৰ উত্তৰণৰ ক্ষেত্ৰত যিখিনি অৱদান আগবঢ়ালে তাৰ বাবে মই সকলোৰে ওচৰত ঋণী। এইদৰে হাতত হাত থৈ, কান্ধত কান্ধ মিলাই আমি বিভাগটোৰ উত্তৰণৰ বাবে সকলোৱে আগবাঢ়ি এক উজ্জ্বল পোহৰৰ দিশে আগুৱাই যাওঁ বলক, য'ত থাকিব গুৰু শিষ্যৰ মধুৰ প্ৰগাঢ় সম্বন্ধ, প্ৰকৃত আৰু গুণগত শিক্ষাৰ উপাদান, ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নশীল মানসিকতা, জ্ঞানান্বেষণ আৰু গৱেষণাৰ উৎকৃষ্ট পৰিৱেশ। সেয়েহে এই যাত্ৰা হওঁক মধুৰ যাত্ৰা- 'তোৰে মোৰে আলোকৰে যাত্ৰা'।

লেখক পৰিচিতি- মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ,
কামৰূপ মহাবিদ্যালয়, চামতা

# কামৰূপ মহাবিদ্যালয়ত মোৰ অনুভৱ

ড° তপন কুমাৰ কাশ্যপ

নলবাৰী জিলাৰ পশ্চিম প্ৰান্তত গ্ৰামাঞ্চলত প্ৰাকৃতিক পৰিবেশৰ মাজত অৱস্থিত কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগত ২০০৮ বৰ্ষৰ ১২ নৱেম্বৰ তাৰিখে মই সহকাৰী অধ্যাপক হিচাপে কৰ্মত নিয়োজিত হওঁ। সেই সময়ত বিভাগত ড° ফটিক চন্দ্ৰ শৰ্মা, প্ৰয়াত দেৱেন্দ্ৰ গোস্বামী আৰু ভগৱান শৰ্মা ছাৰক সহকৰ্মী হিচাপে লগ পাওঁ । প্ৰথম অৱস্থাত চাকৰিত যোগদান কৰি মনত এক গভীৰ ভয় হৈছিল। ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জ্ঞানেৰে কিমানখিনি শিক্ষা প্ৰদান কৰিব পাৰোঁ, সেয়া এক চিন্তাৰ বিষয় হৈছিল। কিন্তু মোৰ বিভাগৰ জ্যেষ্ঠসকলৰ সহযোগিতাই মোক সেই ভয়ৰ পৰা দূৰত ৰাখিছিল। লাহে লাহে মোৰ কলেজখনৰ প্ৰতি তথা বিভাগৰ প্ৰতি এক আত্মিক সম্বন্ধ গঢ়ি উঠিছিল। বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল আহে আৰু যায়। তেওঁলোকক সঠিক জ্ঞান দি সদায় সহযোগিতা কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানপিপাসু মনে মোকো আপ্লুত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ লগত কটোৱা সময়ৰ স্মৃতিয়ে মনটো বিভিন্ন সময়ত ভাল লগাই তোলে। তেওঁলোকৰ সফলতাই আমাকো তেওঁলোকক প্ৰদান কৰা শিক্ষাৰ সাৰ্থকতা আনি দিয়ে তথা বিভিন্ন সময়ত আমাক গৌৰৱান্বিত কৰি তোলে। আমাৰ বিভাগৰ প্ৰাক্তন তথা বৰ্তমানৰ ছাত্ৰ- ছাত্ৰীসকলে অহা ৩ নৱেম্বৰ ২০২৪ ইংৰাজী তাৰিখে যি সতীৰ্থ সমাৰোহ আয়োজন কৰিব লৈছে এয়া সঁচাকৈয়ে আনন্দকৰ। তেওঁলোকৰ সহযোগিতাই আমাৰ বিভাগটোক উচ্চ শিখৰলৈ নিয়াত সহায় কৰিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বিভাগটোৰ প্ৰতি মৰম একেদৰে ৰাখিব বুলি আশা কৰিলোঁ। লগতে সতীৰ্থ সমাৰোহৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিজন শিক্ষাৰ্থীৰে কুশল মংগল কামনা কৰিলোঁ।

লেখক পৰিচিতি- সহযোগী অধ্যাপক, সংস্কৃত বিভাগ
কামৰূপ মহাবিদ্যালয়, চামতা

# মধুৰতম দিনবোৰৰ স্মৃতিয়ে ৰিঙিয়াই

জুৰি দেৱী

মন মন্দিৰত সযতনে থাপনা পাতি পূজা কৰা এটি নাম কামৰূপ কলেজ, চামতা, সংস্কৃত বিভাগ। ১৯৯৯ চনৰ আগষ্ট মাহত কামৰূপ কলেজত সংস্কৃত গুৰু বিষয় হিচাপে লৈ মই স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰোঁ। সেই সময়ত বিভাগটোত পৰম শ্ৰদ্ধাৰ নকুল ডেকা ছাৰ, ফটিক শৰ্মা ছাৰ, প্ৰয়াত দেবেন গোস্বামী ছাৰ অৰু বৰ্তমানৰ মুৰব্বী অধ্যাপক ভগৱান শৰ্মা ছাৰ আমাৰ শিক্ষাগুৰু আছিল। এই চাৰিজন গুৰুৰ আশীষ আৰু পাঠদানৰ শ্ৰুতি মধুৰতাই বিষয়টো বোধগম্য হোৱাত সহজ কৰি তুলিছিল। নকুল ডেকা ছাৰে পঢ়োৱা 'কুমাৰ সম্ভৱ' গোস্বামী ছাৰৰ অভিজ্ঞান শকুন্তলম্, ফটিক শৰ্মা ছাৰৰ বেদৰ কথাবোৰ আৰু ভগৱান শৰ্মা ছাৰৰ স্বপ্নৱাসবদত্তা আজিও কৰ্ণকুহৰত বাজি আছে। ২০০২ চনত স্নাতক চূড়ান্ত বৰ্ষত মই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিলোঁ। সেই সময়ত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ ছাত্ৰীৰ সংখ্যা তাকৰ আছিল। সেইবাৰ আমাৰ সংস্কৃত বিভাগৰ পৰাই আমি তিনিজনী ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিলোঁ আৰু বিভাগৰ তৰফৰ পৰাই আমাক 'যোগীৰাজ বসু'দৈৱ বিৰচিত 'বেদৰ পৰিচয়' নামৰ পুথিখন উপহাৰ হিচাপে আগবঢ়াইছিল। আজিও যেতিয়া মই বেদাধ্যয়নৰ বাবে বেদৰ পৰিচয় নামৰ পুথিখন মেলি লওঁ তাত লিখা কথাখিনি এবাৰ চুই চাওঁ। ২০০৫ চনৰ পৰা ২০০৮ চনলৈ মই আকৌ কামৰূপ কলেজ চামতাৰ সংস্কৃত বিভাগত অংশকলীন অধ্যাপিকা হিচাপে কাম কৰিবলৈ অকণমান সুবিধা পাইছিলো। গতিকে আজি ইমান দিনৰ অন্তত আকৌ এবাৰ কামৰূপ কলেজলৈ যাব পৰাৰ এটি সুযোগ দিয়াৰ বাবে সতীৰ্থ সমাৰোহৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। তথা শিক্ষাগুৰুসকললৈ প্ৰণিপাত জনাই মধুৰতম দিনবোৰৰ স্মৃতিৰ মোখনি মাৰিলোঁ।

লেখক পৰিচিতি- মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, ইন্দিৰা গান্ধী কলেজ, বঙাইগাঁও
প্ৰাক্তন ছাত্ৰী, কামৰূপ কলেজ, চামতা (১৯৯৯-২০০২)

# কামৰূপ মহবিদ্যালয়, চামতাৰ সংস্কৃত বিভাগৰ কিছু স্মৃতি

চন্দনা ডেকা

নাস্তি বিদ্যাসমং চক্ষুঃ
নাস্তি সত্যসমং তপঃ।
নাস্তি ৰাগসমং দুঃখং
নাস্তি ত্যাগসমং সুখম্।।

বিদ্যা নামৰ চকুৰে 'সত্য' নামৰ তপস্যাৰে 'ৰাগ' হীনভাবে ত্যাগৰ ভাবনাৰে জীৱনটো আগুৱাবলৈ মোক যেন সংস্কৃত অধ্যয়নে বহুখিনি সহায় কৰিছে। জীৱনটো জীয়াবলৈ প্ৰয়োজনীয় সকলো মাৰ্গ সংস্কৃতৰ বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰিয়েই পোৱা বুলি অনুভৱ কৰোঁ। এইছেগতে গ্ৰন্থসমূহ অধ্যয়নত সহায় কৰা প্ৰতিজন শিক্ষাগুৰুকে চিৰ কৃতজ্ঞতা আৰু প্ৰণাম জনাবই লাগিব। তাৰ ভিতৰত কামৰূপ মহাবিদ্যালয়ত নামভৰ্তিৰ দিনাখনেই লগ পোৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু ভগৱান শৰ্মা ছাৰ আছিল দুখীয়া ছাত্ৰ -ছাত্ৰী সকলৰ এক সাহস। সেই সময়ত ঘৰৰ আৰ্থিক অৱস্থা শোচনীয় স্নাতকৰ তিনিটা বৰ্ষত বহুখিনি কষ্ট হৈছিল। কিন্তু মই লগ পোৱা ছাৰসকলৰ ভিতৰত শ্ৰদ্ধাৰ ফটিক শৰ্মা ছাৰ আছিল আধ্যাত্মিক ভাবাদৰ্শৰে পূৰ্ণ বৈদিক জ্ঞানসমৃদ্ধ, অতিকে সাধাৰণ জীৱন ধাৰণৰ আদৰ্শ দেখুওৱা এজন স্ফুৰ্টিবাজ শিক্ষক। ছাৰে মোক মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পৰা তেখেতৰ নামত কিতাপবোৰ আনি পঢ়িবলৈ সুবিধা কৰি দিছিল। স্নাতক বৰ্ষত আমাৰ বেছিভাগৰে আৰ্থিক সমস্যা আছিল যদিও ছাৰসকলৰ সহায় আৰু মৰম তথা অনবৰতে পাই থকা আন্তৰিকতাপূৰ্ণ পৰামৰ্শবোৰে আমাক আগুৱাই যাবলৈ যথেষ্ট ইন্ধন যোগাইছিল। প্ৰয়াত দেৱেন গোস্বামী ছাৰৰ কাব্য ৰসৰ ৰসিকতা, পৌৰাণিক সাহিত্যসমূক বাস্তৱ দৃষ্টিৰে কৰা আলোচনাবোৰ আছিল অনন্য। ৰামায়ণ মহাকাব্যৰ দুই নায়ক 'ৰাম'ৰ দোষ, ৰাৱণৰ গুণাদিৰ বৰ্ণনা অনন্য আছিল। তেখেতে পৌৰাণিক সাহিত্যসমূহৰ আলোচনাবোৰ সদায় বাস্তৱ উদাহৰণেৰে বুজাই দিছিল। ছাৰে কোৱা 'গাজা'বোৰ 'সাধু' আজিও জীৱনৰ বাটত সুঁৱৰো।

তাৰ মাজতে কেইমাহমানৰ বাবে আমি লগ পোৱা শ্ৰদ্ধাৰ জুৰি দেৱী বাইদেউৰ সুললীত,

মসৃণ সংস্কৃত উচ্চাৰণবোৰ শলাগিবই লাগিব। ব্যাকৰণ, অলংকাৰ আদিৰ জ্ঞান বাইদেৱে ইমান শুৱলাকৈ আৰু স্পষ্টকৈ বুজাইছিল। সংস্কৃত দিৱসত বাইদেৱে গোৱা সংস্কৃত গীত 'তেক তেক, আজিও গুণগুনাওঁ। বৰ্তমান সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ভগৱান শৰ্মা ছাৰেই আমাক বেছিকৈ পাঠদান কৰিছিল। তেখেতৰ সংস্কৃত পাঠদান, উচ্চাৰণ শৈলী বিষয়ৰ গভীৰ জ্ঞান, ব্যাকৰণ ব্যৱহাৰাদিৰ বাবেই মনতে পণ লৈছিলো স্নাতকোত্তৰ পঢ়িম বুলি। সেইমতেই সফলো হৈছিলোঁ। কাৰণ তেখেতে স্নাতকোত্তৰ পঢ়িবলৈ দিয়া অনুপ্ৰেৰণা মোৰ বাবে বহুত মূল্যবান। এই ছেগতে তেখেতৰ সুস্বাস্থ্য কামনা কৰিছোঁ। তেখেতক জ্ঞানৰ আভাৱে বহুজন উজলি উঠক।

মই পঢ়ি থকা সময়ৰ বন্ধু-বান্ধৱী সকল আজি মোৰ মানসপটত ভাহি উঠিছে। সদৌটিলৈ মোৰ মৰম যাচিছোঁ।

শেষত বৰ্তমানৰ শিক্ষাগুৰুসকলক সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। সতীৰ্থ সমাৰোহত জড়িত সকলোকে ধন্যবাদ জনাই কলম সামৰিছোঁ।

জয়তু সংস্কৃত ভাষা
জয়তু সংস্কৃত বিভাগ
জয়তু কামৰূপ মহাবিদ্যালয়, চামতা।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী ২০০৮ বৰ্ষ
সহঃ শিক্ষয়িত্ৰী ২০৭/০১ নং নাথকুছি নিম্ন প্ৰাথমিক বিদ্যালয়

# My sweet Memories at Kamrup college

**Dipankar Sarma**

Kamrup College is a premier educational institution in the district of Nalbari.The college which is located in a rural area of Chamata was established in 1966.I was pleased to get myself admitted into Kamrup College in 2007 and here I continued my education till 2010.I was graduated from this College with Sanskrit as my major subject.The most respected teachers from whom I learnt sanskrit are Dr. Phatik Chandra Sarma, Lt. Debendra Goswami, Bhagawan Sarma, Juri Devi,Dr. Tapan Kumar Kashyap, Dr. Subodh Kumar Mishra Bhagawati, .The love and respect which I felt for the college when I was a student is often felt in the deep core of my heart.I become nostalogic when I remember the pleasent days which I spent at the college as a student.The memories of those days have been reflecting in the mind on this day of Alumni Meet.I am proud to be an ex-student of Kamrup College, Chamata.

जयतु कामरूपमहाविद्यालयः
जयतु संस्कृतविभागः ।।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰ, (২০০৭-২০১০ বৰ্ষ)

# GOLDEN TIMES OF KAMRUP : A wealth of memories

**Jahnabi Devi**

Memories are one of the greatest things human can have, and among all I heartfully adore and remember my experience and memories which the 3 years of being a 'Kamrupian' gifted me.

The year 2017, life was going to take a new turn for me; and all I need to do was choose a correct path to step on for constructing the upcoming days. Thinking all that, I chose Kamrup College to become my mentor. I got admission and I selected Sanskrit as my major subject. A new journey began. The days started with the mixture of both excitement and nervousness. The environment of the college was so pleasing and how the college conducted the whole teaching-learning process was very disciplined and well maintained.

As for my department, the Sanskrit department has great impact on forming my further life. The beginning days were full of excitements, we were adapting and adjusting with our new college life, new friendships were formed and most importantly a new level of learning started. Sanskrit was always one of my favourite subjects and I wanted to learn and understand the language. The vast area of knowledge the language covers, the variety of contents the Sanskrit subject holds; it really fascinates me every time. Sanskrit, the language of Gods; and I am really greatfull to get the opportunity to connect with the language, to be able to study and dive into the deep ocean of the language.

The department of Sanskrit played huge role for me to get the great knowledge of it. Our professors taught us everything so heartfully, from grammar to the great Natakas, Vedas to

philosophy; with their great teaching we were constructing ourselves day by day. The impact of being a Sanskrit major student really shows up in my life. I feel like Sanskrit not only teaches the subjects and syllabus, it reflects upon morality, humanity, cultural aspects, sociological norms etc.

Beside learning, there was always a homely bonding among the students and the teachers in our department and I really felt that by heart. The way we all communicated and got together with each other, it's always a pleasing and comfort feeling for me. I learned so much from the department and from our respected teachers, that will be valued for a lifetime for sure.As I believe'good environment builds good things', I achieved the result I expected.

The way Kamrup College coloured my life, it was beyond my imagination. The experiences like sitting in the class with everyone and attending lectures, all the cultural programmes, the rallies we took part at, the Sanskrit Divas we celebrated and for the first time I delivered speech in Sanskrit, the fear and pressure of exam, nervousness on the result declaration day, the long standing line of students at the addmission and form fill up days, when the pandemic started and we were not able to go to college. When I got the chance to go to Tripura for excursion.......these golden days are always alive in my memory. As I think now, the 3 years feel so short.

At the present time I have achieved my dream to be a teacher and I would like to mention that my college life played a huge role to build my personality to achieve it, the version of me I am able to be today. So I am always thankful towards my college and my department. Those were the best days so far I remember. I wish I could turn back time and be able to live those days again.

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী, (২০১৭-২০২০ বৰ্ষ)
বৰ্ত্তমান শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত

# কামৰূপ মহবিদ্যালয়ৰ সংস্কৃত বিভাগ, অধ্যয়নৰ এক অনুভৱ

ৰমেন বেজবৰুৱা

পোন প্ৰথমতে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক মোৰ প্ৰণিপাত জনালোঁ। সতীৰ্থ সন্মিলন অনুষ্ঠিত কৰা উদ্যোক্তাসকলক, জ্যেষ্ঠজনক, কনিষ্ঠজনক আৰু মৰমৰ বন্ধু-বান্ধৱীসকলক শাৰদীয় শুভেচ্ছা জ্ঞাপন কৰিলোঁ। মনৰ ভাব ব্যক্ত কৰাৰ সুবিধাকণ দিয়া বাবে বিভাগৰ মুৰব্বী মহোদয়ৰ লগতে সতীৰ্থ সকলক ধন্যবাদ জনালোঁ।

২০০৮ ইং বৰ্ষত মই স্নাতক প্ৰথম বাৰ্ষিকত সংস্কৃত বিষয়ত মেজৰ হিচাপে লৈ নাম ভৰ্তি কৰিছিলোঁ। বিভাগত শ্ৰীযুত ফটিক চন্দ্ৰ শৰ্মা ছাৰ, স্বৰ্গীয় দেবেন গোস্বামী চাৰ, শ্ৰীযুত ভগৱান শৰ্মা চাৰ, ড° সুবোধ মিশ্ৰ ভাগৱতী ছাৰ আৰু ড° তপন কাশ্যপ ছাৰক শিক্ষাগুৰু হিচাপে পাইছিলোঁ। প্ৰথম বাৰ্ষিকৰ সহপাঠী শ্ৰীগীতিমা দেৱী, শ্ৰীমাইনু দেৱী, শ্ৰীসংগীতা পাঠক, শ্ৰীনিলাক্ষী ডেকা, শ্ৰীৰূপৰেখা বৰ্মন, শ্ৰীচন্দন ভাগৱতী, শ্ৰীনিতুল গোস্বামী। গোস্বামী ছাৰৰ অভিজ্ঞানম শকুন্তলম্ নাটকখনৰ মনোগ্ৰাহী বৰ্ণনা আৰু তেখেতৰ হাস্যমধুৰ্ বৰ্ণনাই আমাক ৰস দিছিল। শৰ্মা ছাৰে দৰ্শন পঢ়াইছিল তেখেতে দৰ্শনৰ পাঠ প্ৰতিটো সুন্দৰকৈ বুজাইছিল। ভাগৱতী ছাৰ আৰু কাশ্যপ ছাৰেও কষ্টেৰে আৰু আমোদজনকভাৱে শিক্ষাদান কৰিছিল। তেখেতসকল আমাৰ কাৰণে অকল শিক্ষাগুৰুই নাছিল, তেখেতসকল বন্ধু, অভিভাৱক আৰু পথ প্ৰদৰ্শকও আছিল। নীতিমূলক শিক্ষাও তেখেতসকলে দিছিল। নতুন বিল্ডিংৰ কোঠাত পাঠগ্ৰহণৰ মধুৰ স্মৃতি এতিয়াও পাহৰিব নোৱাৰোঁ। ক্লাছ নিতৌ কৰিছিলোঁ আৰু অন্য কলেজৰ অনুষ্ঠানবোৰ থাকিলে ক্লাছ নহলে বেয়া লাগিছিল। কাৰণ প্ৰতিটো ক্লাছৰ পৰাই জ্ঞানৰ সমল পাইছিলোঁ। শিক্ষাগুৰুসকলে শিক্ষা দিবলৈ সংকোচ কৰা নাছিল। তেখেতসকলে ওপৰঞ্চিকৈও ক্লাছ কৰি আমাৰ অভাৱখিনি পূৰণৰ চেষ্টা কৰিছিল। কাব্য, সাহিত্যৰ প্ৰতিটো বিষয়, যেনে- উপমা, অলংকাৰ, ৰীতি, অৰ্থশাস্ত্ৰ, বস্তুশাস্ত্ৰ, দৰ্শনৰ প্ৰতিটো ভাগ, বেদৰ বিষয়বস্তু সুন্দৰ আয়ত্ত কৰিছিলোঁ।

লেখক পৰিচিতি- স্নাতক-২০১৩
বৰ্তমান সংস্কৃত শিক্ষক হিচাপে কৰ্মৰত

# মোৰ অনুভৱ

গীতিমা দেৱী

মই ২০১১ বৰ্ষৰ কামৰূপ মহাবিদ্যালয় চামতাৰ এগৰাকী প্ৰাক্তন ছাত্ৰী। মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ লগতে আমাৰ সংস্কৃত বিভাগৰ প্ৰতিগৰাকী শিক্ষাগুৰুয়ে আমাক যথেষ্ট আদৰ চেনেহ কৰিছিল। আমিও তেওঁলোকক শ্ৰদ্ধা ভক্তি কৰিছিলোঁ। আমাৰ বিভাগৰ গোস্বামী ছাৰ, ভগৱান শৰ্মা, ছাৰ কাশ্যপ ছাৰ তথা ভাগৱতী ছাৰে শৈক্ষিক ক্ষেত্ৰত আমাক যথেষ্ট সহায় কৰিছিল। তেখেতসকলৰ এই অনবদ্য অৰিহণাই আমাক বাৰুকৈয়ে কৃতাৰ্থ কৰিছে। শিক্ষাগুৰুসকলে আমাৰ পথ প্ৰদৰ্শক তথা অভিভাৱকৰূপে আমাক যিখিনি সহায়-সহযোগিতা আগবঢ়াইছিল তাৰ বাবে আমি গৌৰৱ অনুভৱ কৰোঁ। কিছুদিনৰ বাবে হ'লেও শিক্ষাগুৰু হিচাপে পোৱা ফটিক শৰ্মা ছাৰৰ বিখ্যাত হাঁহিটোৱে আমাক আপ্লুত কৰিছিল লগতে অধ্যয়নৰ প্ৰতিও প্ৰেৰণা যোগাইছিল। বিভাগত উপস্থিত হৈয়ে আমি এক পৰিয়ালত থকাৰ নিচিনা অনুভৱ কৰি্লোঁ। সেই সময়ত বিভাগটো সৰু আছিল যদিও তাত থকা ব্যক্তিসকলৰ মনবোৰ বহুত বহল আছিল। মই সংস্কৃত বিভাগৰ প্ৰাক্তন ছাত্ৰী হিচাপে নিজকে গৌৰব অনুভব কৰোঁ। লগতে এই মহাবিদ্যালয়ৰ সংস্কৃত বিভাগটোত অংশকালীন প্ৰৱক্তা হিচাপে শিক্ষাগুৰুসকলৰ লগত কাম কৰাৰ মোৰ সৌভাগ্য হোৱাৰ বাবে মই নথৈ আনন্দিত হৈছিলোঁ। মহাবিদ্যালয়ৰ লগতে বিভাগটো যেন সদায় আগুৱাই যায় তাৰে কামনাৰে 'জয়তু কামৰূপ মহাবিদ্যালয়', 'জয়তু সংস্কৃত বিভাগ'।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী, (২০১১ বৰ্ষ)

# সংস্কৃত বিভাগ আৰু মই
# সোণালী স্মৃতিৰ দুখৰীয়া ছবি

তৃষ্ণা ডেকা

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা ৰঙে-ৰূপে উপচি পৰা মধুৰ স্বপ্নালিৰ আৱেশেৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়বোৰেই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন আনন্দোচ্ছল, মাধুৰ্য্যপূৰ্ণ, আশা-আকাংক্ষাৰ সোণালী ৰঙেৰে ৰঙীন, ৰামধেনুৰ বিচিত্ৰতাৰে বৰ্ণালীময়। এইছোৱা কালত ছাত্ৰ-ছাত্ৰীৰ মন হয় দিগন্ত প্ৰসাৰী ভাব হয় পৰ্বতীয়া জুৰিৰ দৰে লয় লাস। গতিময়, ছন্দোময়, অনুভূতিময় আৰু হয় সুন্দৰ ভৱিষ্যত জীৱনৰ মহান আদৰ্শৰ উদ্দীপনা আৰু অনুপ্ৰেৰণাৰে সমুজ্জ্বল। এই সময়ছোৱাত নতুনকৈ কিবা এটা কৰা দুৰ্বাৰ হেঁপাহ থাকে। নতুনকৈ গঢ়াৰ, নতুন সপোন ৰচাৰ, নতুন মধুময় কল্পনা কৰাৰ সময়। এনে সময়ছোৱাত মধুৰ অবিস্মৰণীয় স্মৃতি, জীৱনৰ সমগ্ৰ কালছোৱাত সোঁৱৰণী হিচাপে থাকি যায়।

জীৱন বৰ অনুপম। এই ক্ষন্তেকীয়া জীৱনৰ এটা ভাল লগা অধ্যায়ৰ নাম হৈছে কামৰূপ মহাবিদ্যালয় আৰু মোৰ অতিকৈ মৰমৰ 'সংস্কৃত বিভাগ'। মোৰ জীৱনৰ প্ৰথমবাৰৰ বাবে এই সোণোৱালী যাত্ৰাটো আৰম্ভ হৈছিল ২০১৪ চনত। বহুত আশা, সপোন লৈ আহিছিলোঁ কামৰূপ কলেজলৈ, সংস্কৃত বিভাগলৈ।

বিভাগত চিনাকী পৰ্বৰ দিনাৰ পৰাই মোৰ মনটোৱে এক সুকীয়া আমেজ অনুভৱ কৰিছিল। শিক্ষাগুৰুৰ লগতে চিনিয়ৰ দাদা-বাইদেউ আৰু মৰমলগা বন্ধু-বান্ধৱীৰে ভৰি থকা বিভাগটো মোৰ বাবে এখন স্বৰ্গৰাজ্য। য'ত ফুলি আছে হাতত হাত ধৰিবলৈ কেইজনীমান মৰমলগা বান্ধৱী। সিহঁতৰ হাঁহি-ধেমালিত মোৰ কলেজীয়া দিনবোৰ সুমধুৰ হৈ উঠিল। তাত লগ পাইছিলো, বৃক্ষৰ দৰে ছাঁ দি ৰাখি সাহস, উৎসাহ আৰু প্ৰেৰণাৰে মোৰ ভৱিষ্যতটো সফলতাৰে আগবঢ়াই নিব পৰা কেইজনমান শিক্ষাগুৰু। তেওঁলোকৰ জ্ঞানৰ চাকিৰ পোহৰেৰে আলোকিত হৈ মই অগ্ৰসৰ হ'লো মোৰ সপোন পূৰাবলৈ.......

সংস্কৃত বিভাগটো মোৰ দ্বিতীয়ঘৰৰ নিচিনা গঢ়ি তোলাত বিভাগৰ শিক্ষাগুৰু সকলৰ মৰম কেতিয়াও পাহৰিব নোৱাৰিম। গোটেই বিভাগটো এটা পৰিয়ালৰ নিচিনা আছিল। বিশেষকৈ আমাৰ HOD শৰ্মা ছাৰ আৰু ভাগৰতী

ছাৰে মোৰ জীৱনত বহুতখিনিয়ে প্ৰভাৱ পেলাইছে। শৰ্মা ছাৰৰ 'অভিজ্ঞানশকুন্তলম'ৰ ক্লাছ আৰু ভাগৱতী ছাৰৰ ব্যাকৰণৰ ক্লাছ হয়তো আমি জীৱনত পাহৰিব নোৱাৰিম। শৰ্মা ছাৰৰ সেই বিশেষ কথাষাৰি,- 'তৃষ্ণা মোৰ সোঁহাতৰ লেখীয়া'। যি কথাষাৰিয়ে হয়তো মোক জীৱনৰ বহুতো ঘাত-প্ৰতিঘাতৰ পিছতো মোক মই হিচাপে থিয় কৰি ৰখাত বহুতখিনি প্ৰভাৱ পেলাইছে।

সময় যে বৰ নিষ্ঠুৰ, সঘনে বাগৰ সলায়। হয়তো এই অনুভৱখিনি যিমান লিখিলেও কাহানিও শেষ নহ'ব। সংস্কৃত বিভাগৰ সোণালী দিনবোৰৰ কথা মনত পেলালে মনৰ নিভৃততম কোণত থকা অনুভূতিবোৰ এতিয়াও জীপাল হ'বলৈ ধৰে। ছাত্ৰ জীৱনৰ জ্যেষ্ঠসকলৰ মৰম তথা শাসন আৰু কনিষ্ঠ সকলৰ মৰমে পুনৰ এক নতুন জীৱনৰ আৰম্ভণি কৰাৰ যেন অনুপ্ৰেৰণা যোগায় তেনেকুৱা ভাববোৰে মনত দোলা দি যায়। সদৌ শেষত শিক্ষাগুৰুসকলৰ প্ৰতি শ্ৰদ্ধা আৰু সকলোৰে মংগল কামনা কৰি কামৰূপ মহাবিদ্যালয় আৰু সংস্কৃত বিভাগৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী (২০১৪-১৭)
অংশকালীন অধ্যাপিকা, সংস্কৃত বিভাগ, বি. এইচ্. কলেজ, হাউলী

# অনুভৱৰ দস্তাবেজত....
# কামৰূপ মহাবিদ্যালয়ৰ "সংস্কৃত বিভাগ"

**পল্লবী ভট্টাচাৰ্য্য**

শিক্ষাৰ নৱদ্বীপ খ্যাত নলবাৰী জিলাৰ পশ্চিমাঞ্চলৰ এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান হ'ল "কামৰূপ মহাবিদ্যালয়"। ১৯৬৬ চনত প্ৰতিষ্ঠা লাভ কৰা উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ এই মহাবিদ্যালয়খনে প্ৰতিষ্ঠাকালৰে পৰা অসংখ্য শিক্ষাৰ্থীৰ জীৱনৰ মাৰ্গ দৰ্শন কৰাই আহিছে। শিক্ষাৰ্থীৰ সুস্থ শৈক্ষিক বাতাৱৰণ সৃষ্টিৰ লগতে সৰ্বাংগীন উৎকৰ্ষ সাধনৰ ওপৰতো মহাবিদ্যালয়খনে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা সগৌৰৱেৰে উজলি আছে আমাৰ মৰমৰ 'সংস্কৃত বিভাগ'। শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলস্বৰূপে বিভাগটোৱে মহাবিদ্যালয়খনৰ ভিতৰতে এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষাগুৰুসকলৰ পৰা পোৱা জ্ঞানৰ আলোকেৰে আলোকিত হৈ প্ৰতি বছৰে শিক্ষাৰ্থীসকলে উত্তম ফলাফল প্ৰদৰ্শন কৰি বিভাগলৈ সুনাম কঢ়িয়াই আনিছে।

"পঠামি সংস্কৃতং নিত্যং বদামি সংস্কৃতং সদা।
ধ্যায়ামি সংস্কৃতং সম্যক্ বন্দে সংস্কৃতমাতৰম্।।"

মই ২০১৩-১৬ বৰ্ষৰ কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ এগৰাকী প্ৰাক্তন ছাত্ৰী। তিনি বছৰীয়া স্নাতক শিক্ষাৰ কালছোৱাত মহাবিদ্যালয় তথা সংস্কৃত বিভাগটোৰ পৰা পোৱা মোৰ ৰঙীণ অনুভৱৰ স্মৃতিবোৰ কলমৰ লিখনিৰে প্ৰকাশ কৰি অন্ত পেলাব নোৱাৰিম।

সংস্কৃত গুৰু বিষয় হিচাপে লৈ সংস্কৃত বিভাগত নামভৰ্ত্তি কৰিয়ে মোৰ সাক্ষাৎ হৈছিল বিভাগীয় প্ৰধান সকলোৰে নমস্য প্ৰয়াত দেৱেন্দ্ৰ গোস্বামী ছাৰৰ লগত। তেখেতৰ গভীৰ পাণ্ডিত্য আৰু সৰলতাই মোক মুগ্ধ কৰিছিল আৰু সংস্কৃত বিষয়টোৰ গভীৰ অধ্যয়নৰ বাবে প্ৰবল আগ্ৰহ জাগি উঠিছিল। শ্ৰেণীকোঠাত ছাৰে অতি মৰমেৰে আৰু সহজ-সৰলভাৱে প্ৰতিটো বিষয় শিক্ষাৰ্থীসকলৰ মাজত সুন্দৰভাৱে বৰ্ণনা কৰিছিল। এনে এজন মহান শিক্ষাগুৰুৰ শিষ্য হোৱাৰ সুবিধাকণ লাভ কৰি আজি নিজকে সৌভাগ্যশালী অনুভৱ কৰোঁ। কিন্তু দুঃখৰ বিষয় যে অতি কম সময়ৰ ভিতৰতে তেখেতে আমাৰ মাজৰ পৰা নেদেখাজনৰ ওচৰলৈ চিৰদিনৰ বাবে গুচি গ'লগৈ। সকলোৰে শ্ৰদ্ধাৰ গোস্বামী ছাৰৰ বিদেহ আত্মাই শান্তি লাভ কৰক তাৰ বাবে সেৱা জনাইছোঁ।

বিভাগৰ আন এজন নমস্য শিক্ষাগুৰু তথা বৰ্তমানৰ বিভাগীয় প্ৰধান শ্ৰদ্ধাৰ ভগৱান শৰ্মা ছাৰ। যিজনা গুৰুৰ এষাৰ মাতেই সকলোৰে মন শ্ৰদ্ধা আৰু

ভক্তিৰে উপচাই পেলায়। ছাৰৰ নামতেই যেন সোমাই আছে সকলোৰে প্ৰতি যথেষ্ট মৰম আৰু শুভকামনা। ছাৰে আমাক শ্ৰেণীকোঠাত প্ৰতিটো বিষয় পুংখানুপুংখভাৱে বুজাই দিয়াৰ উপৰিও বিষয়বস্তুৰ গভীৰতালৈ গৈ তাক খৰচি মাৰি অধ্যয়ন কৰাৰ বাবে উৎসাহ যোগাইছিল। আজৰি সময়তো তেখেতৰ পৰা নতুন নতুন বিষয়ৰ জ্ঞান লাভৰ সুযোগ পাইছিলোঁ। ছাৰে সদায় পাঠ্যপুথিৰ জ্ঞানৰ লগতে সংস্কৃত ভাষাৰ শিকণ আৰু কথন শৈলীৰ বিকাশৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছিল।

বিভাগৰ আন এজন মহান শিক্ষাগুৰু শ্ৰদ্ধাৰ ড° সুবোধ কুমাৰ মিশ্ৰ ভাগৱতী ছাৰ। তেখেতৰ বন্ধুসুলভ ব্যক্তিত্ব আৰু শৈক্ষিক বিষয়ৰ অংগী-ভংগীমূলক উপস্থাপন প্ৰণালীয়ে সকলোকে মুগ্ধ কৰে। ছাৰৰ ব্যাকৰণৰ জটিল সূত্ৰবোৰৰ সহজ-সৰল ব্যাখ্যা প্ৰণালী তথা 'মাহেশ্বৰ সূত্ৰ'ৰ কাব্যিক শৈলীত উপস্থাপন প্ৰণালীয়ে আমাক যথেষ্ট আমোদ দিছিল। তেখেতৰ শিক্ষা প্ৰদানৰ বিশেষ শৈলীয়ে আমাক অতি কম সময়তে জটিল বিষয়বোৰো আয়ত্ব কৰাত সহজ কৰি তুলিছিল। ছাৰে আমাক আলোচনাৰ মাজেৰে বিষয়বস্তু আয়ত্ব কৰাত গুৰুত্ব দিছিল, যাৰ বাবে আমি বিনা দ্বিধাই সকলো বিষয় আলোচনা কৰিবলৈ সুযোগ পাইছিলোঁ।

বিভাগৰ আন এজন মহান শিক্ষাগুৰু শ্ৰদ্ধাৰ ড° তপন কুমাৰ কাশ্যপ ছাৰ। তেখেতে বন্ধুসুলভ ব্যক্তিত্বৰে শিক্ষাৰ্থীক শিক্ষা দান কৰাৰ উপৰিও সময়ানুবৰ্তিতা আৰু নিয়মানুবৰ্তিতাৰ ওপৰতো যথেষ্ট গুৰুত্ব দিছিল। ছাৰে আমাক বৈদিক বিষয়ৰ যথেষ্ট কঠিন যেন অনুভৱ হোৱা মন্ত্ৰ তথা তাৰ সাৰমৰ্মবোৰ অতি সহজভাষাত ব্যাখ্যা সহকাৰে বুজাই দিছিল। ছাৰৰ শিক্ষণশৈলীয়ে প্ৰতিটো বিষয় আয়ত্ব কৰাত সহজ কৰি তুলিছিল আৰু নজনা কথাবোৰো অতি সহজে বিশ্লেষণ কৰি বিষয়বস্তু আয়ত্বকৰণত সহজ কৰি তুলিছিল। আজৰি সময়তো ছাৰে আমাক বিভিন্ন বিষয়ৰ শিক্ষাদান কৰাৰ উপৰিও পুথিভঁড়াললৈ গৈ অধ্যয়ন কৰাত গুৰুত্ব দিছিল।

"गुरुर्ब्रह्मा गुरुर्विष्णु: गुरुर्देवो महेश्वर: ।
गुरु: साक्षात् परंब्रह्म तस्मै श्री गुरवे नम: ।।"

বিভাগীয় এই চাৰিজন মহান তথা চিৰনমস্য শিক্ষাগুৰুৰ সান্নিধ্যত শিক্ষা গ্ৰহণ কৰি মই ২০১৬ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত সংস্কৃত বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত তৃতীয় স্থান অধিকাৰ কৰি মা-দেউতাৰ লগতে শিক্ষাগুৰুসকলৰ নাম উজলাবলৈ সক্ষম হৈছিলোঁ। তেখেতসকলৰ আশীৰ্বাদ আৰু জ্ঞানৰ জ্যোতিৰে শৈক্ষিক সাফল্য লাভ কৰাৰ লগতে আজি মই শিক্ষক হিচাপে শিক্ষাদানৰ দৰে পৱিত্ৰ কৰ্মত ব্ৰতী হ'বলৈ সুযোগ লাভ কৰিছোঁ।

স্নাতক পৰ্যায়ৰ তিনিটা বৰ্ষত শিক্ষাগুৰুসকলৰ লগতে মোৰ বন্ধু-বান্ধৱীসকলৰ পৰাও শৈক্ষিক দিশৰ লগতে অন্যান্য দিশতো যথেষ্ট সহায়-সহযোগিতা লাভ কৰিছিলোঁ। সংস্কৃত বিভাগৰ আমাৰ সৰু পৰিয়ালটো মোৰ স্মৃতিৰ কোঁঠালিত সোণালী স্মৃতি হৈ যুগমীয়া হৈ ৰ'ব। শেষত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল নিৰোগী আৰু সু-স্বাস্থ্যৰ অধিকাৰী হৈ দীৰ্ঘায়ু হোৱাৰ কামনাৰে আৰু সংস্কৃত বিভাগৰ উজ্জ্বল ভৱিষ্যত কামনাৰে ঈশ্বৰৰ ওচৰত সেৱা জনালোঁ।

জয়তু সংস্কৃত বিভাগ
'জয়তু কামৰূপ মহাবিদ্যালয়'

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী, সংস্কৃত বিভাগ (২০১৬ বৰ্ষ)

# गौतम धर्म सूत्रानुसारं वर्णधमः एका आलोचना

हीरामणि बर्मन

धर्मस्य लक्षणं वेदेषु, धर्मशास्त्रेषु, पुराणेषु दर्शनेषु च प्रतिपादितम्। धारणात् धर्म इतिं वचनात् जीवनं येन धार्यते स धर्मः । धृञ् धारण पोषणयोः इति अस्मात् धातोः मन् प्रत्यये कृते निष्पन्नोऽयं धर्म शब्दः ।

कर्तव्याकर्तव्ययोः अवधारणरूपो शास्त्रं धर्म इति कथ्यते ।

वेदः सर्वाषां विद्यानां मूलभूतः । धर्मस्य मूलं वेद एव। अतैव गौतमाचार्येण उक्तम् - "वेदो धर्ममूलम्।" (गौ.ध.सू.)। धर्मो विश्वस्य जगतः प्रतिष्ठा धर्मार्थकाममोक्षेषु चतुर्षु पुरुषाथेषु धर्मः प्रधानः विद्यते।

पुनः षड्वेदाङ्गेषु कल्पः अन्यतमोऽस्ति। सर्वेषां धर्मशास्त्रग्रन्थानां प्रवर्तनम् धर्ममार्गस्य प्रतिपादनार्थमेव। अतः प्रतिवेदं प्रतिशाखं च धर्म शास्त्राणि विरचितानि सन्ति। धर्मशास्त्रस्य विषयाः आचार - व्यवहार-प्रायश्चित्त भेदेन त्रिधा विभज्यते। सर्वे वेदगताः विषयाः धर्मशास्त्रे प्रतिपादिता।

वेदिक साहित्यस्य अपरिहार्य अङ्गमस्ति धर्मसूत्रम्। प्रत्येकं वेदशाखा अनुसारेण धर्मसूत्राः भिन्ना भिन्ना सन्ति। तेषु धर्मग्रन्थेषु प्राचीनतमो ग्रन्थोऽस्ति गौतम धर्मसूत्रम्। धर्मसूत्रोऽयं सामवेदस्य अन्तर्गतोऽस्ति। अस्य धर्मसूत्रस्य ग्रन्थकारोऽस्ति आचार्य गौतमः। तथा द्वौ भाष्यकारौस्तः हरदत्त मस्करी च। अस्य धर्मसूत्रस्य भाष्यस्य नाम मिताक्षराः वृत्तिः। ग्रन्थेऽस्मिन् अष्टाविंशति अध्यायाः सन्ति।

गौतमधर्मसूत्रे मनुष्य व्यक्तिगत तथा सामाजिकाचारः एवं आश्रमस्य नियमः तथा वर्णानां दैनिक धर्मकृत्यानां विधानमस्ति। वर्णाश्रमव्यवस्थायां गौतमधर्मसूत्रे अत्यन्तं महत्वं प्रदत्तम्। ब्रह्मचारी, गृहस्थ, वैखानसः सन्यासी च रूपेषु मानवसमाजे आश्रमविभाजनं, ब्राह्मणः, क्षत्रियः, वैश्य शूद्रश्चेनि वर्णविभाजनं दर्शयित्वा तेषां कर्तव्य आचरणं च विस्तारेण उल्लेख्यं करोति। गौतमधर्मसूत्रस्य द्वितीय प्रश्नस्य प्रथमोऽध्याये चतुर्वर्णानां कर्तव्यानि वर्णितानि सन्ति। तत्र प्रथम सूत्रे एवं प्राप्यते- "द्विजातीनामध्ययनमिज्या दानम्"।। इति। अर्थात्, वेदाध्ययनार्थम् उपयुक्त समये यस्य उपनयनं साधितः भवति स द्विजातिः उच्यते। ब्राह्मण क्षत्रिय वैश्यानां द्विजातिः इति संज्ञा। द्विजातीनां प्रधानतः त्रयो धर्माः सन्ति। यथा-

अध्ययनम्, इज्या, दानम् इति। अध्ययनम् अर्थात् वेदग्रहणाभ्यासरूपम्, इज्या यागो देवपितृपूजा, दानं पात्रे द्रव्यत्यागः। द्विजातिः नित्यमेव वेदाध्ययनं कुर्यात्। देवयज्ञः, पितृयज्ञः, मनुष्ययज्ञः, भूतयज्ञः, ब्रह्मयज्ञः च इति एतेषां पञ्चमहायज्ञानां पालनं द्विजातीनामन्यतमो धर्मः। अपि च द्विजातिः उपयुक्त पात्रे द्रव्यत्यागं कूर्यात्। पुनः शूद्रवर्णः एतेषां त्रयाणां वर्णानां परिचर्या करोति।

ब्राहमणवर्णस्य उपनयनकालः गौतमधर्मसूत्रे एवं प्रकारेण प्राप्यते यत्–''उपनयनं ब्राह्मणस्याष्टमे''॥ इति। अर्थात् गौतमाचार्येण निर्धारितं यत् ब्राह्मणस्य उपनयनकालः अष्टमवर्षात् प्रारम्भो भवति।

पुनः अध्यापनं, याजनं दानस्वीकरणञ्चेति कार्यत्रयम् अन्ययोः द्विजातीययोः (उपनीतक्षत्रियवैश्ययोः) अपेक्षा ब्राह्मणस्याधिक वर्तत इति। आचार्यः, बन्धवः (भ्रातृपितृव्यादयः), प्रियजनाः मातुलादिगुरुजनान् तथा च धनविद्ययोः विनिमयेन वेदस्य सम्यग् अध्यापनं कर्तुं शक्यते। अस्माद् अतिरिक्तः यथा आदौ उक्तः तदनुसारमेव वेदस्य शिक्षा देया इति।

गौतमधर्मसूत्रानुसारं एकादशवर्षात् द्वाविंशति वर्षपर्यन्तम् क्षत्रियस्य उपनयन अवधिः तिष्ठति । पुनः क्षत्रियस्य धर्मकर्तव्यकथन प्रसङ्गे अस्मिन् धर्मसूत्रे एवं प्रकारेण प्राप्यते– राज्ञः सर्वश्रेष्ठो धर्मो भवति सर्वेषां प्राणीनां संरक्षणम्। उक्तमस्ति गौतमाचार्येण – ''राज्ञोऽधिंक रक्षणं सर्वभूतानाम्''॥ शास्त्रानुसारं न्यायपूर्वकं दण्डप्रदानमपि राज्ञः धर्मः।

अर्थात् ये जनाः शास्त्रप्रतिपादितनियमानाम् आचरणं न कुर्वन्ति तान् प्रति राजा दण्डं दद्यात्।

पुनः गौतमाचार्येण निर्धारितं यत् वैश्यस्य उपनयनकालः द्वादशवर्षात् प्रारम्भो भवति। कृषिः, वाणिज्यं, पाशुपाल्यं, कुसीदञ्चेत्यादिभ्यः प्राप्तं धनं वैश्यस्य सर्वाधिकं भवतीति ।

शूद्रः चतुर्थो वर्णो भवति। शूद्रवर्णः एकजातिः भवति, यतो हि अन्येषा ब्राह्मणादिवर्णानाम् उपनयनसंस्कारो भवति परन्तु शुद्रवर्णस्य यज्ञोपवीतसंस्कारः अर्थात् उपनयनसंस्कारः न भवति तस्माद् अयं द्विजोऽपि न भवतीति। यद्यपि उपनयनसंस्कारो शुद्रवर्णस्य न भवति तथापि एषां कृतेऽपि सत्यमक्रोधशौचादयोः इति नियमाः तु वर्तन्ते। तत्र सत्यं यथादृष्टार्थवादित्वम्। अक्रोधः परानभिद्रोहबुद्धिः। एवं शौचं तु मनः शौचमित्यादि।

লেখক পৰিচিতি- कामरूप महाविद्यालये

अध्ययनकाल –2019–2022

# সাহিত্য সৃষ্টিত শংকৰদেৱৰ আৰু আমাৰ অনুভৱ

গীতাশ্ৰী বৰ্মন

ভাৰতীয় সংস্কৃতিৰ শ্ৰেষ্ঠতম ব্যক্তি শ্ৰীকৃষ্ণ। ভাৰতীয় ইতিহাসৰ শ্ৰেষ্ঠতম ব্যক্তি বুদ্ধদেৱ। অসমীয়া মানুহে তিনিজনা পুৰুষোত্তমক শ্ৰদ্ধা কৰি আহিছে আৰু সেই তৃতীয়জন হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ। জীৱশ্ৰেষ্ঠ মানুহ যিমানেই আধুনিকতালৈ আগবাঢ়িছে সিমানেই অতীতলৈ উভতিব ধৰিছে। কাৰণ অতীতেই মানুহৰ সাংস্কৃতিক জাগৰণৰ ইতিহাসখন মেলি ধৰিব পাৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহান ব্যক্তিত্ব, বহুমুখী কৰ্মৰাজি আৰু অসমৰ সমাজ, সাহিত্য আৰু সংস্কৃতিত তেওঁৰ অৱদান তথা অৰিহণাৰ ক্ষেত্ৰখনৰ কিবা এটি নতুন দিশ উন্মোচন কৰা আমাৰ নিচিনা নিমাখিত, অল্পবিদ্য মানুহৰ কাম নহয়। তথাপি লোভ সামৰিব নোৱাৰি কেতিয়াবা গুৰুজনাৰ শ্ৰীচৰণ কমলত সজীৱ নহ'লেও এপাহি ফুল অৰ্পণ কৰিবলৈ হেঁপাহ জাগে। সাহিত্যজগতৰ পুৰোধা ব্যক্তিসকলে গুৰুজনাৰ কাব্য মহত্বৰ বিভিন্ন দিশত আলোকপাত কৰি আহিছে। গুৰুজনাৰ কৰ্মৰাজি তথা সৃষ্টিৰ নানা দিশত গৱেষণা কৰি গৱেষক সকলে বিভিন্ন সমল উদ্ধাৰ কৰি অসমীয়া কাব্য জগতত এক বিশেষ অৰিহণা যোগাইছে। তথাপি গুৰুজনাৰ সৃষ্টিৰ তত্ত্বৰ অটল গভীৰতাত অৱগাহন কৰি সমাপ্ত কৰিব পৰা নাই। সাধাৰণ মানুহে ঢুকি নোপোৱা ব্যয়বহুল ধৰ্মীয় আচাৰ অনুষ্ঠান বাদ দি শ্ৰৱণ কীৰ্তন সম্বলিত অতি সহজ-সৰল একশৰণ নামধৰ্ম প্ৰচাৰ কৰি এক আধ্যাত্মিক বিপ্লৱৰ সূচনা কৰি থৈ গল। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি নতুন নতুন ৰচনা শৈলীৰে একুৰি ছয়খন পুথি ৰচনা কৰি অসমীয়া সাহিত্য জগতত নৱ জাগৰণৰ সৃষ্টি কৰিলে। তেওঁ আছিল অসমীয়া জাতিৰ পিতৃস্বৰূপ, সমাজ-সংস্কাৰক, গীতিকাৰ, সুৰকাৰ, অভিনেতা, চিত্ৰকৰ, সাহিত্যিক, সমালোচক। গুৰুজনাৰ গোটেই জীৱনটো বিভিন্ন প্ৰতিকুল পৰিস্থিতি নেওচি চৌপাশৰ জীৱন আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰে কেৱল সৃষ্টিকে কৰি গ'ল। গুৰুজনাৰ আদি বয়সৰ ৰচনা হৰিচন্দ্ৰ উপাখ্যানৰ পৰা ৰাম বিজয় ৰচনাৰ মূল আৰু এনেধৰণৰ সমূহ ৰচনাই অসমীয়া সাহিত্যৰ ইতিহাসত সৃষ্টিৰ জোঁৱাৰ আনিছে। কাব্যই হওঁক, গীতেই হওঁক নাইবা নাটকেই হওঁক সকলো কলা মাধ্যমকে মহাপুৰুষে

ভক্তি ধৰ্মৰ অৱলম্বন বা ধৰ্ম সাধনাৰ অনুভৱ স্বৰূপে নিয়োজিত কৰিছিল। সময়ে সময়ে তৰ্ক মহাব্যাঘ্ৰী প্ৰতিপক্ষৰ আগত ভক্তিবাদ সাৰমৰ্ম প্ৰতিপন্ন কৰিবলৈ সাহিত্য ৰচনাক অস্ত্ৰৰূপে লৈছিল। মহাপুৰুষজনাৰ লক্ষ্য নাছিল ভক্তিৰ আধাৰত ধৰ্মীয় আদৰ্শ এটা প্ৰচাৰ কৰিবলৈ যোৱাটো। তেওঁৰ উদ্দেশ্য আছিল সমাজৰ জাগতিক আৰু আধ্যাত্মিক কল্যাণ সাধনৰ মাজেৰে সহজ-সৰল নিৰক্ষৰ মানুহৰ ব্যক্তিগত আৰু সামূহিক হৃদয় বৃত্তিত এক গভীৰ দায়বদ্ধতাৰ নৱৰূপ প্ৰদান কৰা। ক'ব পাৰি যে শংকৰগুৰুৰ কৰ্ম আৰু ধৰ্ম উত্তৰ-পূব ভাৰতৰ মানুহখিনিৰ বাবে পৰিসীমিত নাছিল। তেওঁ আছিল ভাৰতবৰ্ষৰ প্ৰথম জাতীয় কবি, কাৰণ গুৰুজনাৰ লিখনিত ভাৰতবৰ্ষৰ কথা কেবাবাৰো উল্লেখ হৈছে। আন কথাত কবলৈ গলে গুৰুৱে সমগ্ৰ মানৱ জাতিৰ আধ্যাত্মিক মুক্তিৰ বাবে চিন্তা কৰিছিল। মহাপুৰুষজনাই কৈছিল-জগত জীৱন ৰাম/জগতৰে সুমঙ্গল তুৱা গুণ নাম। তেওঁৰ অন্য এক ভূমিকাই মধ্যযুগৰ ভক্তি আন্দোলনে ভাৰতবৰ্ষৰ সকলো প্ৰান্তলৈ সাহিত্য সৃষ্টিত এটা জোঁৱাৰ আনিছিল।

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে/প্ৰেম অমৃতৰ নদী। শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা/বহে ব্ৰহ্মাণ্ডক ভেদি। এই গুৰুজনাই নিজেই অমৃতৰ বিলনীয়া হৈ মানুহৰ মাজত নিজক প্ৰতিষ্ঠা কৰিব খোজা নাছিল। তেওঁ সমূহ জনসাধাৰণৰ মাজত বোৱাই দিছিল এক নতুন ভাৱৰ ধল। গুৰুজনাই নিজে ঈশ্বৰ হ'ব খোজা নাছিল। বৰং প্ৰতিটো নিপীড়িত নিমাখিত মানুহৰ অন্তৰত শুই থকা ঈশ্বৰক জগাই দিব খুজিছিল। সেয়ে আজিৰ অসমীয়াই আজীৱন আমৰণ শংকৰদেৱৰ ওচৰত ধাৰুৱা।

লেখক পৰিচিতি- বৰ্তমান স্নাতকোত্তৰ তৃতীয় যান্মাসিকৰ এগৰাকী ছাত্ৰী (উত্তীৰ্ণ বৰ্ষ- ২০২০)

# জ্যোতিষ শাস্ত্ৰৰ চমু আলোকপাত

যুগল কিশোৰ শৰ্মা

জ্যোতিঃষশাস্ত্ৰং সমগ্ৰং পুৰুষতঃ স্বৰ্ণগৰ্ভাদ্বিদিত্বা
পূৰ্বং ব্ৰহ্মা ততোহয়ং নিখিল মুনিগন প্ৰাৰ্থনাচ্চকাৰ
তচ্ছেন্দং সুপ্ৰসনং মৃদুপবনিকৰৈৰ্গৃহ্য মহাত্মাৰূপম্
শশ্বদ বিশ্বপ্ৰকাশং গ্ৰহচৰিতবিদ্যাং নিৰ্মলং জ্ঞানচক্ষুঃ।

পৰমপিতা পৰমেশ্বৰৰ দ্বাৰা সৃষ্ট জগতত যিমান বিলাক শাস্ত্ৰ প্ৰচলিত আছে তাৰ ভিতৰত আৰ্য ঋষি মুনিসকলে বেদকেই সৰ্বশ্ৰেষ্ঠ বুলি গণ্য কৰি গৈছে। আনহাতে উক্ত বেদৰ ছয়টি অংশক ভগৱানৰ একো একোটা অংগ হিচাপে গণ্য কৰি জ্যোতিষ শাস্ত্ৰক ইয়াৰ চকু হিচাপে কল্পনা কৰি, অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ একমাত্ৰ প্ৰকাশ হিচাপে কল্পনা কৰিছে। ত্ৰিকালজ্ঞ ঋষিমুনিসকলে যোগসাধনাৰ ফলত জাগতিক বিষয়ে মানৱসমাজৰ মঙ্গলৰ কাৰণে যি উপায় উদ্ভাৱন কৰি শাস্ত্ৰকাৰে প্ৰচাৰ কৰিলে তাৰ নামেই হ'ল জ্যোতিষ শাস্ত্ৰ। এই শাস্ত্ৰ, কাল্পনিক, মনোৰঞ্জক, আখ্যান বা আত্মবিনোদক সৃষ্টি নহয়। ই সম্পূৰ্ণ বাস্তৱবিজ্ঞান। প্ৰাচীন কালত আৰ্যসকলৰ কাৰ্যকলাপ আনকি ৰাজ কাৰ্যত জ্যোতিষ শাস্ত্ৰৰ মতানুসাৰে প্ৰয়োগ হৈছিল। প্ৰত্যেক ৰাজসভাতে এজন হ'লেও জ্যোতিৰ্বিদ পণ্ডিত নিযুক্ত আছিল। ইয়াৰপৰা এটা কথা অনুমান কৰিব পাৰি যে সেই সময়ৰ ৰজাসকলো জ্যোতিষশাস্ত্ৰৰ উন্নতিৰ বাবে প্ৰচেষ্টা চলাইছিল আহিছিল।

পৃথিৱীৰ আটাইতকৈ প্ৰাচীন গ্ৰন্থ হৈছে ঋকবেদ। এই ঋকবেদৰ ওপৰত ভিত্তি কৰিয়েই প্ৰায় ৬/৭ হাজাৰ বছৰৰ আগতে জ্যোতিষচৰ্চা আৰম্ভ কৰা হয়। জ্যোতিষ শাস্ত্ৰৰ বীজস্বৰূপ জ্ঞান সংক্ষেপতে ঋকবেদত বৰ্ণিত হৈছে। গতিকে ঋকবেদ যিমান পুৰণি জ্যোতিষশাস্ত্ৰও সিমানেই পুৰণি। ঋকবেদত উল্লেখ আছে যে মহামুনি অত্ৰি আৰু ঋষি বৃহস্পতিয়ে জগতৰ গ্ৰহ গণনাৰ পদ্ধতি সৰ্বপ্ৰথম আবিষ্কাৰ কৰিছিল। গতিকে আমি নিঃসন্দেহে ক'ব পাৰো যে জ্যোতিৰ্বিজ্ঞানৰ যিবিলাক সূত্ৰ সেইবিলাকে ভাৰতীয় ঋষিমুনি বিলাকৰদ্বাৰা সৰ্বপ্ৰথম আবিষ্কৃত হৈছিল।

আমাৰ শ্ৰদ্ধাৰ প্ৰাতঃস্মৰণীয় পূৰ্বপুৰুষ মহৰ্ষি বশিষ্ঠ, অত্ৰি, ভৃগু, গৰ্গ, মনু আদি ত্ৰিকালদৰ্শী দাৰ্শনিকসকলে এই শাস্ত্ৰৰ বিধি বিধান আৰু শ্ৰেণীবিভাজন কৰি কল্পনাতীত কীৰ্তি ৰাখি থৈ গৈছে। আকৌ আৰ্যভট্ট, মহৰ্ষি বেদব্যাস, ভাস্কৰাচাৰ্য, বৰাহমিহিৰ, পৰাশৰমুনি, শ্ৰীনিবাস,

ভৃগু, কালিদাস প্ৰভৃতি জ্যোতিষ শাস্ত্ৰবিদসকলে জ্যোতিষ সম্বন্ধে বহুতো মূল্যবান গ্ৰন্থ ৰচনা কৰি গৈছে। ঠিক তেনেদৰে গণিত আৰু ফলিত জ্যোতিষত অদ্বিতীয় খনা আৰু লীলাৱতীৰ নিচিনা অসাধাৰণ প্ৰতিভাশালী লিখনীৰ জন্ম আমাৰ ভাৰতবৰ্ষতে হৈছিল। মহৰ্ষি বেদব্যাস ৰচিত বিষ্ণুপুৰাণ হ'ল অতি প্ৰাচীন গ্ৰন্থ। বিষ্ণুপুৰাণত জ্যোতিষ গণনাৰ দুটি পদ্ধতি দেখা যায়। ধ্ৰুবকেন্দ্ৰিক গ্ৰহ গণনা আৰু মেৰুকেন্দ্ৰিক অয়নাংশ গণনা পদ্ধতি। আনহাতে বৰাহমিহিৰৰ জ্যোতিষৰ সিদ্ধান্ত বিভাগৰ 'পঞ্চসিদ্ধান্তিকা' সংহিতা বিভাগৰ 'বৃহৎ সংহিতা' আৰু 'জাতক স্কন্ধ'ৰ 'বৃহৎ জাতক গ্ৰন্থ সংকলন' ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ সংকলনৰূপে পৰিগণিত হৈছে।

সূৰ্য পিতামহো ব্যাসঃ বশিষ্ঠাত্ৰিঃ পৰাশৰ
কাশ্যপো নাৰদো গৰ্গো মৰীচিৰ্যনুৰঙ্গিৰাঃ
ৰোমশঃ পৌলশশ্চৈব চ্যবনো যবনো ভৃগু
শৌনকোহষ্টাদশ হ্যোতে জ্যোতিঃশাস্ত্ৰ প্ৰবৰ্তকাঃ।।

সূৰ্য ব্ৰহ্মা, ব্যাস বশিষ্ঠ, অত্ৰি, পৰাশৰ, কাশ্যপ, গৰ্গ, মৰীচি, মনু, ৰোমক, অঙ্গিৰা, পৌলিশ, চ্যবন, শেৱনাচাৰ্য, ভৃগু আৰু শৌনক এই ১৮জন ঋষি জ্যোতিষ শাস্ত্ৰৰ ৰচয়িতা। ইয়াৰ বাহিৰে যবনাচাৰ্য প্ৰণীত সংস্কৃত ভাষাত লিখিত যবন জাতকাম্য আৰু তাজিকাখ্য জ্যোতিষ গ্ৰন্থ ও 'মধ্যপ্ৰাচ্যৰ জ্যোতিষ' আছে। প্ৰাচীন জ্যোতিৰ্বিদ ৰোমকৰ মতে ব্ৰহ্মাই জ্যোতিষ শাস্ত্ৰ সূৰ্যক জনাইছিল। সূৰ্যই সেই সকলো উপদেশ যবনক দিয়ে। সেই যবনৰদ্বাৰা তাজিক জ্যোতিষ প্ৰকাশিত হয়। ভাৰতীয় ওঠৰজন ঋষিমুনিয়ে লিখা জ্যোতিষ সংহিতাৰ ভিতৰত, পৰাশৰ, ভৃগু আৰু নাৰদাদিমুনিয়ে লিখা সংহিতাই বৰ্তমান জ্যোতিষৰ আধাৰ হিচাপে প্ৰচলিত হৈ আছে।

জ্যোতিষ শাস্ত্ৰৰ জ্ঞান লাভৰ যোগেদি মানুহৰ স্বাভাবিক মেধা, কৰ্মবৃত্তি, বিবাহ, চৰিত্ৰগত দোষ-গুণ, উপাৰ্জন প্ৰভৃতি বিষয়ে পূৰ্বজ্ঞান লাভ কৰিব পাৰি। ইয়াৰ বাহিৰেও এই শাস্ত্ৰৰ জ্ঞানৰদ্বাৰা শৈশৱৰপৰা পৈণত বয়সলৈ সঠিক পথৰ নিৰ্দেশ তথা প্ৰেৰণা লাভ কৰিব পাৰি। সেয়ে এই শাস্ত্ৰৰ ৰহস্য প্ৰত্যেকেই, বিশেষকৈ ব্ৰাহ্মণ সকলে অধ্যয়ন কৰাটো কৰ্তব্য, কাৰণ যিহেতু এই শাস্ত্ৰৰ জ্ঞানৰ দ্বাৰা সম্যক অৰ্থ, ধৰ্ম, যশ আৰু শেষত মোক্ষ প্ৰাপ্তি হয়।

ইতি শম্

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰ, (২০১৯-২১ বৰ্ষ)

# ভাৰতীয় সাহিত্যৰ লগত চিত্ৰকলাৰ সম্পৰ্ক

জ্যোতিৰ্ময় ভট্টাচাৰ্য্য

অতীতৰে পৰা ভাৰত ভূমিত সাহিত্য আৰু চিত্ৰকলাৰ এক মধুৰ সম্পৰ্ক দেখা পোৱা যায়। ইয়াৰ ভিতৰত প্ৰধানকৈ সংস্কৃত সাহিত্য উল্লেখনীয়। শিল্পীসকলে কাহিনীৰ লগত খাপ খোৱাকৈ মাজে-সময়ে পুথিত কাহিনীৰ দৃশ্যাংশ চিত্ৰৰূপে অংকণ কৰিছিল।

**পুথিচিত্ৰ ঃ** এহাজাৰ বছৰ মান আগতে সুজাতা ভদ্ৰ নামৰ এজন লেখকে আঠ হাজাৰ শ্লোকেৰে SKT Astasahasrika Projna Paramita নামেৰে জনাজাত এখন পুথি ৰচনা কৰিছিল। সুজাতা ভদ্ৰ কাঠমাণ্ডুৰ ওচৰে-পাজৰে বাস কৰা বুলি অনুমান কৰা হয়। সংস্কৃত ভাষাৰে লিখিত এই গ্ৰন্থখন বৰ্তমান সময়ত কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত পাণ্ডুলিপি কক্ষত সংৰক্ষিত অৱস্থাত আছে। এই লিপিত মহাত্মা বুদ্ধৰ জ্ঞান তথা বিচাৰৰ কথা বৰ্ণিত আছে। এই গ্ৰন্থখনত বিভিন্ন ধৰণৰ প্ৰাকৃতিক ৰঙেৰে তৈয়াৰী চিত্ৰ অংকিত থকা দেখা যায়।

(১) আকৌ ১৭ শতিকাৰ দেৱানগৰী আখৰেৰে লিখা Devimohatma Monuscript (দেৱী মহাত্মাৰ পাণ্ডুলিপি) ইয়াত মা দুৰ্গাৰ চিত্ৰ অংকণ কৰা দেখা পোৱা যায়।

**(২) ৰাজা ৰবি বাৰ্মাৰ চিত্ৰকলা ঃ** ভাৰতৰ প্ৰসিদ্ধ চিত্ৰশিল্পী ৰাজা ৰবি বাৰ্মাৰ চিত্ৰত সংস্কৃত সাহিত্যৰ প্ৰভাৱ বাৰুকৈয়ে পৰা দেখা যায়। তেওঁ অংকণ কৰা চিত্ৰসমূহৰ ভিতৰত মহাভাৰতৰ আধাৰত গংগা ভীষ্ম (১৯৭০ খ্ৰীষ্টাব্দত) হৈছে অন্যতম, য'ত মা গংগাই ভীষ্মক নদীৰ পানীত উতুৱাই দিব খোজা দৃশ্য অংকণ কৰিছে।

(৩) আকৌ ৰাজা ৰবি বাৰ্মাদেৱে ১৮৯৮ খ্ৰীষ্টাব্দত মহাভাৰতৰ ৰাজসভাত হোৱা দ্ৰৌপদীৰ বস্ত্ৰহৰণ ঘটনাৰ দৃশ্যাংশ অংকণ কৰি।

(৪) শকুন্তলাৰ জন্ম (১৮৯০ খ্ৰীষ্টাব্দত), শকুন্তলা (১৮৯৮ খ্ৰীষ্টাব্দত) শকুন্তলা পাত্ৰলেখা (১৮৭৬ খ্ৰীষ্টাব্দত) আদি চিত্ৰ কালিদাসৰ অভিজ্ঞানশকুন্তলম্ নাটৰ আধাৰত অংকণ কৰা হৈছে।

**(৫) মৎস্যগন্ধা (১৯০০ খ্ৰীষ্টাব্দ) ঃ** মহাভাৰতৰ আধাৰত অংকিত এই চিত্ৰখনত ৰজা শান্তনু আৰু সত্যৱতীৰ প্ৰথম মিলনৰ দৃশ্য অংকণ কৰা হৈছে। সত্যৱতীৰ গাৰ গোন্ধ মাছৰ দৰে আছিল বাবে তেওঁৰ নাম মৎস্যগন্ধা হৈছিল। সত্যৱতীৰ পুত্ৰ সকল হ'ল চিত্ৰাংগদ, বিচিত্ৰবিৰ্য্য আৰু মহাভাৰতৰ লেখক ব্যাসদেৱ।

(৬) একেদৰে শান্তনু আৰু মৎস্যগন্ধা (১৮৯০

খ্ৰীষ্টাব্দ), সাবিত্ৰীৰ চিত্ৰ (১৮৯৮ খ্ৰীষ্টাব্দ), কিৰাটবিলি (১৮৯৫ খ্ৰীষ্টাব্দ), বালকৃষ্ণ (১৯৯৫ খ্ৰীষ্টাব্দত), অহল্যা (১৮৯৮ খ্ৰীষ্টাব্দ), ৰম্ভা (১৮৯৬ খ্ৰীষ্টাব্দ) আদি চিত্ৰসমূহত সংস্কৃত সাহিত্যৰ দৃশ্যাংশ অংকিত হোৱা দেখা যায়।

**ৰাজপুত চিত্ৰকলা (১৫৫০-১৮৫০ খ্ৰীষ্টাব্দ)**

ভাৰতীয় চিত্ৰকলাৰ এটি প্ৰধান অংগ হৈছে ৰাজপুত চিত্ৰকলা। ইয়াৰ প্ৰধান স্থান হৈছে ৰাজপুতনা, বুণ্ডেলখণ্ড আৰু পাঞ্জাৱৰ হিমালয়পদীয় দেশাংশ। এই চিত্ৰৰ মূল উৎস হ'ল ধৰ্ম প্ৰচাৰ। ইয়াত মূলতঃ কৃষ্ণৰ লীলা, ভাগৱত পুৰাণ, মহাভাৰত আৰু ৰামায়ণৰ চৰিত্ৰবোৰে মুখ্য স্থান অধিকাৰ কৰিছে। বিভিন্ন ধৰ্মমূলক গ্ৰন্থৰ দ্বাৰা এই চিত্ৰসমূহে সমগ্ৰ বিশ্বতে এক সুকীয়া পৰিচয় দাঙি ধৰিছে।

(৭) **চিত্ৰভাগৱত ঃ** মহাপুৰুষ শংকৰদেৱে লিখা চিত্ৰভাগৱত গ্ৰন্থখনত শ্ৰীকৃষ্ণৰ বিভিন্ন কাহিনী সম্বলিত চিত্ৰ দেখা যায়। এই চিত্ৰসমূহত ব্যৱহাৰ কৰা চিয়াহীৰ মূল মাধ্যম আছিল শিলিখা। ইয়াত ব্যৱহাৰ কৰা আন আন ৰংসমূহ আছিল ডাঠ হালধীয়া, হেঙুল, হাইতাল আৰু ছাই বৰণীয়া আদি। ইয়াত জীৱ-জন্তু, চৰাই আদিৰ অৱয়ৱবোৰ বাস্তৱিক তথা আৱেগযুক্ত ৰূপত অংকণ কৰিছে। চিত্ৰসমূহত পুৰুষে ধুতি, তিৰোতাসকলে শাৰীৰ দৰে বস্ত্ৰ পৰিধান কৰা দেখা যায়। চিত্ৰত থকা মানুহবোৰৰ চকু মাছৰ দৰে, চেলাউৰি ধেনুভিৰীয়া, নাক জোঙা, কপাল বহল আৰু এঢলীয়া দেখা যায়।

(৮) **হস্তীবিদ্যাৰ্ণৱ** - চিত্ৰৰ ভিতৰত অন্যতম এখন হ'ল হস্তীবিদ্যাৰ্ণৱ। স্বৰ্গদেউ শিৱ সিংহৰ অনুগ্ৰহত সুকুমাৰ বৰকাইথে এই গ্ৰন্থখন ৰচনা কৰিছিল। ইয়াত হাতীৰ ব্যৱস্থাপনা, ৰক্ষণাবেক্ষণ আৰু চিকিৎসাৰ কথা বিবৰি কোৱা হৈছে। হাতী ৰজাৰ বাবে কিমান প্ৰয়োজনীয় তথা যুদ্ধ বিগ্ৰহত হাতীৰ ক্ষমতাৰ বিষয়ে এই গ্ৰন্থত উল্লেখ আছে। এই গ্ৰন্থত চিত্ৰ অংকণ কৰাৰ বাবে ৰজাই ৰাজস্থানৰ পৰা দিলবৰ আৰু দোছাই নামৰ দুগৰাকী শিল্পীক আনিছিল। তেওঁলোকে যে অসমৰ প্ৰাকৃতিক সৌন্দৰ্যৰ লগত ভালদৰে চিনাকি নাছিল, সেই কথা চিত্ৰসমূহৰ জৰিয়তে উমান পোৱা যায়।

(সংগ্ৰহ- ইন্টাৰনেট)

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰ, (২০২০-২০২৩ বৰ্ষ)

# কলেজীয়া দিনৰ কিছু স্মৃতি

মৃদুস্মিতা ডেকা

মোৰ স্মৃতিপটত ভাঁহি উঠা তিনিবছৰীয়া জীৱনৰ স্মৃতিত এক ৰেঙণি। কলেজ শব্দটো মনলৈ আহিলে সেই সোণোৱালী দিনবোৰেই যেন জুমুৰি মাৰি ধৰে। ২০২০ বৰ্ষত মই কামৰূপ মহাবিদ্যালয়ত স্নাতক প্ৰথম ষাণ্মাসিকত নামভৰ্তি কৰিছিলোঁ আৰু ২০২০ বৰ্ষত উত্তীৰ্ণ হৈছোঁ।

এক নিৰিবিলি পৰিৱেশৰ মাজত মহাবিদ্যালয়খন অৱস্থিত। পশ্চিম নলবাৰীৰ উচ্চ শিক্ষাৰ কেন্দ্ৰবিন্দু হৈছে এই কামৰূপ মহাবিদ্যালয়। এই মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অতি উন্নত। চহৰৰ পৰা নিলগত এক সুস্থ পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগ্ৰহণ কৰি আহিছে। অতীতৰে পৰা মহাবিদ্যালয়খনে সুনাম অৰ্জন কৰি আহিছে। ইয়াৰ মূলতে হ'ল মহাবিদ্যালয়খনৰ শিক্ষাগুৰুসকলৰ অক্লান্ত চেষ্টা আৰু ছাত্ৰ ছাত্ৰীসকলৰ একান্ত ইচ্ছাশক্তি। মহাবিদ্যালয়খনত খেলৰ সামগ্ৰী, পুথিভঁৰাল, সাংস্কৃতিক আদি দিশৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিক আৰু মানসিক দিশত উৎকৰ্ষ সাধন কৰিবলৈ সক্ষম হৈছে।

মহাবিদ্যালয়খনৰ সংস্কৃত বিভাগটো লেখত ল'বলগীয়া। প্ৰাচীন ভাৰতীয় সংস্কৃত ভাষাৰ ব্যৱহাৰ আৰু উৎকৰ্ষ সাধন কৰাত সংস্কৃত বিভাগটোৱে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াত কৰ্মৰত শিক্ষাগুৰুসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ।

এই আপোন বিভাগটোৰ লগত মোৰ বহুতো স্মৃতি জড়িত হৈ আছে। তাৰ ভিতৰত এটা অভিজ্ঞতা মই ব্যক্ত কৰিলোঁ তেতিয়া আমাৰ মহাবিদ্যালয় সপ্তাহ চলি আছিল আৰু আমাৰ শ্ৰেণীকোঠাত নাটকৰ আখৰা প্ৰস্তুতি চলিছিল কিন্তু সময় বহুত হোৱাৰ বাবে আমি শিক্ষাগুৰুসকলৰ অনুমতি নোলোৱাকৈ গুচি আহিছিলোঁ তাৰ পাছত গাড়ীত উঠিবলৈ লোৱাত আমাৰ বিভাগৰ মুৰব্বী অধ্যাপক ভগৱান শৰ্মা ছাৰে তৎক্ষণাত আমাক বিভাগত উপস্থিত হ'বলৈ কোৱাত আমি গাড়ীৰ পৰা নামি বিভাগলৈ গৈছিলোঁ। সেইবোৰ এতিয়া স্মৃতি হৈ ৰ'ল।

শিক্ষাগুৰুসকল আমাৰ ভৱিষ্যতৰ পথ প্ৰদৰ্শক। আপোন বিভাগটোৰ শিক্ষাগুৰুসকলৰ পৰা বহুতো নজনা কথা শিকিব পাৰিছো,

আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত বহুতো উৎসাহ আৰু প্ৰেৰণা পাইছোঁ। ছাত্ৰ অৱস্থাৰ সোণোৱালী দিনবোৰত পাঠদানৰ সময়ত প্ৰতিজন শিক্ষাগুৰু অকৃত্ৰিম ভালপোৱা আৰু শাসনবোৰ মনত পৰিলে মনটো নষ্টালজিক হৈ পৰে। শিক্ষাগুৰুসকলৰ আমাৰ প্ৰতি থকা দায়িত্ব, মৰম, জীৱনত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ যি অৱদান কোনোদিনেই পাহৰিব নোৱাৰিম। ইয়াৰ ফলতেই হয়তো আজি সঁচা পথ বিচাৰি পোৱাত অনুপ্ৰেৰণা লাভ কৰিছোঁ।

সময় গতিশীল। সময় কাৰো বাবেই ৰৈ নাথাকে। কলেজীয়া জীৱনৰ তিনিবছৰ সোনকালেই শেষ হৈছিল। ২০২৩ বৰ্ষৰ কোনোবা এটি দিনত আমি শিক্ষাগুৰু আৰু অন্যান্য ভাইটি-ভন্টিসকলৰ পৰা বিদায় লৈছিলোঁ। সেই দিনটোৰ কথা মনত পৰিলে আজিও বেয়া লাগে। কিমান দুখৰ আছিল সেই বিদায় মূহুৰ্তটো। সময়ে সময়ে কলেজৰ স্মৃতিয়ে মনত বহু আমনি কৰে। জীৱনত সেই দিনবোৰ আৰু কেতিয়াও ঘূৰাই নাপাওঁ।

অতীত সদায় অতীত হ'লেও উভতি চালে অতীত যেন সজীৱ হৈ পৰে। স্মৃতিৰ ৰোমন্থনত এটি দুটিকৈ অনেক স্মৃতি কাহিনীৰ দৰেই মনৰ পৰ্দাত উজলি উঠে। স্মৃতি ৰেখাৰ যেন অন্ত নপৰে। আজিও মনত পৰে এৰি অহা সোণোৱালী মধুৰ স্মৃতিবোৰলৈ।

অদূৰ ভবিষ্যতে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰি সামৰিছোঁ।

লেখক পৰিচিতি- বৰ্তমান স্নাতকোত্তৰ তৃতীয় ষান্মাসিকৰ এগৰাকী ছাত্ৰী
(উত্তীৰ্ণ বৰ্ষ- ২০২০)

# বৰ্তমানৰ শিক্ষাব্যৱস্থাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা

শান্তনু বৰ্মন

অতীতৰ শিক্ষাব্যৱস্থা আৰু বৰ্তমানৰ শিক্ষাব্যৱস্থা সময়ৰ অনুক্ৰমত যথেষ্ট সালসলনি হোৱা দেখা যায়। বৰ্তমানৰ শিক্ষা ব্যৱস্থা যথেষ্ট উচ্চমানৰ, উন্নত কাৰিকৰী কৌশল প্ৰযুক্তিবিদ্যা আদিৰ পয়োভৰ দেখিবলৈ পোৱা যায়। অতীত আৰু বৰ্তমানৰ শিক্ষাব্যৱস্থাৰ তুলনাত্মক অধ্যয়ন কৰিলে দেখা যায় যে তাহানিৰ দিনৰ শিক্ষাব্যৱস্থা আৰু এতিয়াৰ শিক্ষাব্যৱস্থাৰ পাৰ্থক্য কিছু পৰিমাণে হ'লেও দৃষ্টিগোচৰ হয়। সেই সময়ৰ শিক্ষা ব্যৱস্থা আজিৰ দৰে ইমান উন্নত নাছিল যদিও আছিল সেয়া এক আধ্যাত্মিক পৰিৱেশৰ অথবা শৃংখলাবদ্ধতাৰ মাজত সীমাবদ্ধ। হয়তো এতিয়া যি এক উশৃঙ্খলতাৰ সৃষ্টি হোৱা দেখা গৈছে তাৰ প্ৰধান কাৰণো হ'ব পাৰে আধ্যাত্মিক শিক্ষাৰ অভাৱ। ইয়াৰ বাবে হয়তো বৰ্তমানৰ শিক্ষা ব্যৱস্থাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়টো আহি পৰিছে। সাম্প্ৰতিক সময়ছোৱাত যে আমাৰ ওচৰ-পাজৰৰ বিদ্যালয়- মহাবিদ্যালয়সমূহত ইতিহাসত নোহোৱা-নোপোজা ঘটনা কিছুমান ঘটিবলৈ লৈছে তাৰ বিভিন্ন কাৰণৰ আংশিক হ'লেও আধ্যাত্মিক শিক্ষাৰ অভাৱো হ'ব পাৰে। গতিকে এই শিক্ষাৰ প্ৰয়োজন আছে।

আধ্যাত্মিক শব্দই বুজায়, ঈশ্বৰ বা নেদেখাজনৰ প্ৰতি একান্ত ভাৱ-ভক্তি। এই ভক্তিয়ে শিক্ষাগ্ৰহণৰ প্ৰাকক্ষণত মনত এক নতুন শক্তিৰ সৃষ্টি কৰে। মনটো শান্ত, সু-শৃংখল আৰু সজীৱ কৰি তোলে। দৰাচলতে, আধ্যাত্মিক শিক্ষাৰ অবিহনে আমাৰ শিক্ষাব্যৱস্থাত কোনোবাখিনিত হ'লেও এক ত্ৰুটি ৰৈ যায়, এই শিক্ষাৰ অবিহনে আমাৰ শিক্ষা ব্যৱস্থাই পূৰ্ণাংগ ৰূপ লাভ নকৰে। কিছুবছৰ আগলৈ বিদ্যালয়সমূহতেই হওঁক বা ৰাতিপুৱা-গধূলি শিক্ষাৰ্থী এজনৰ ঘৰতেই হওঁক এক ভাল লগা পৰিৱেশৰ সূচনা হৈছিল। "তুমি চিত্ত বৃত্তি মোৰ', 'মুক্তিত নিস্পৃহ যিটো' কি যে এক ভাল লগা বহু দূৰলৈ শিপাই যোৱা এই পৰিৱেশে এক মধুৰতা বিস্তাৰ কৰিছিল। কিন্তু বৰ্তমান কোনোবাখিনিত হ'লেও যেন এই পৰিৱেশৰ ম্লান পৰিছে। কিন্তু বিভিন্ন বিদ্যালয়ত এতিয়াও কিছু পৰিমাণে এক আধ্যাত্মিকতা প্ৰচলিত আছে। কিন্তু সৰ্বস্তৰৰ বিদ্যালয়তেই ইয়াৰ প্ৰয়োজনীয়তা

আছে। আচলতে শিক্ষাৰ্থী এজনৰ শিক্ষাৰে সঠিক আৰু সম্পূৰ্ণ মূল্যাংকন আধ্যাত্মিক শিক্ষা অবিহনে সম্পূৰ্ণ নহয়।

বৰ্তমান সময়চোৱাত কিছুমান শিক্ষাৰ্থীৰ নৈতিক মূল্যবোধৰ দ্ৰুত অবক্ষয় হৈছে। কিছুমান হৈ পৰিছে একেবাৰে উশৃংখল, পিতৃ-মাতৃক অৱমাননা, শিক্ষাগুৰুক অৱমাননা কৰা। শিক্ষাৰ্থীৰ সঠিক আত্মবিশ্লেষণৰ প্ৰয়োজন হৈছে। কিন্তু দ্ৰুত অৱনতি ঘটা এনে শিক্ষাৰ্থীৰ মনৰ উশৃংখল স্বভাৱৰ বাবে তেওঁলোকক আধ্যাত্মিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিলে কিছু পৰিমাণে এই উশৃংখলতা নিয়ন্ত্ৰণ কৰিব পৰা যাব। আচলতে সুস্থ দেহ-মনেহে সুস্থ সমাজ এখন গঠন কৰিব পাৰে। ইয়াৰ আঁৰত থকা কাৰণবোৰৰ ভিতৰত অন্যতম এটি কাৰণ হ'ল সুস্থ মন গঠন কৰিবলৈ হ'লে মানুহ নৈতিক বা আধ্যাত্মিকভাৱে শিক্ষিত হ'ব লাগিব। যাৰ গুৰিধৰোতা হ'ল ঘৰ, বিদ্যালয় লগতে পাঠ্যপুথি। গতিকে দেখা যায় যে আমাৰ শৈক্ষিক জীৱনত আনুষ্ঠানিক- অনানুষ্ঠানিক শিক্ষাৰ সমান্তৰালভাৱে আধ্যাত্মিক শিক্ষাৰো প্ৰয়োজনীয়তা আছে, যাতে বৰ্তমানৰ বিজ্ঞান প্ৰযুক্তিৰ এই জয়জয়কাৰ সময়ছোৱাত সাধাৰণ মানৱীয় গুণখিনিৰ পৰাজয় নহয়। বৰ্তমান আমাৰ নৱপ্ৰজন্মৰ উশৃংখলতাৰ লগতে নৈতিক স্খলনৰ বাবে আমি নিজেই আৰু আমাক আকৰ্ষণ কৰা বাহ্যিকতা সম্পূৰ্ণৰূপে দায়ী। ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা যাব আধ্যাত্মিক শিক্ষাৰ দ্বাৰা। শিক্ষাৰ্থীসকলক এই শিক্ষাৰ দ্বাৰা শাৰীৰিক, মানসিক উৎকৰ্ষ সাধনৰ বাবে আমাৰ সকলোৰে দায়িত্ব আছে। ইয়াৰ সমান্তৰালভাৱে শিক্ষা ব্যৱস্থাত এনেকুৱা এক দিশ প্ৰৱৰ্তন কৰাটো সকলোৰে সমানে চৰকাৰৰো কৰণীয় আছে। কিয়নো আমাৰ সমাজখনত আধ্যাত্মিক শিক্ষাৰ যথেষ্ট প্ৰয়োজন আছে। আধ্যাত্মিক শিক্ষাৰ দ্বাৰা বৌদ্ধিক বৃদ্ধিয়েই নহয় আৱেগিক, নৈতিক, সামাজিক বিকাশো প্ৰসাৰিত কৰে, যাৰ দ্বাৰা ব্যক্তিৰ সামগ্ৰিক বিকাশ হয়।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰ, সংস্কৃত বিভাগ (২০২১-২০২৪ বৰ্ষ)
স্নাতকোত্তৰ প্ৰথম বৰ্ষ

# এটি অধ্যায়ৰ পৰিসমাপ্তি

বৰষা পাঠক

যিদিনা প্ৰথমবাৰৰ বাবে সংস্কৃত বিভাগত খোজ দিছিলো ভবা নাছিলো ইমান আপোন হৈ পৰিব সকলো। এষাৰ কথা আছিল যে কলেজীয়া জীৱনৰ যিমানেই স্মৃতি নাথাকক কিন্তু প্ৰকৃত মনত পৰা স্মৃতিবোৰ আমি স্কুলীয়া দিনবোৰতে এৰি আহো। কিন্তু আজি মোৰ ক্ষেত্ৰত ওলোটা হৈ পৰিল। ঘৰৰ পৰা দূৰত আন এখন আপোন ঘৰ, কেইজনমান বন্ধুৰ সৈতে দিনযোৰা আড্ডা, Assignment ৰ বিষয় লৈ আলোচনা। প্ৰথম অৱস্থাত সকলো অচিনাকি আছিলোঁ, কিন্তু লাহে লাহে এক আত্মীয়তাৰ দোলেৰে বান্ধ খাই পৰিলোঁ। তিনিটা বছৰ চকুৰ পলকতে কেতিয়া পাৰ হ'ল গমকেই নাপালোঁ। সময়বোৰ স্মৃতি হিচাপে লগত ৰাখি থম, ভবিষ্যতে সুঁৱৰি নষ্টালজিক হৈ আকৌ কলমৰ চিয়াহীৰ মাজেৰে ব্যক্ত কৰিম।

শৰ্মা ছাৰৰ "তুমি পাৰিবা চেষ্টা কৰি যোৱা, কষ্টৰ ফল এদিন পাবাই"। কথাযাৰ মোৰ কাৰণে আজিও প্ৰেৰণাদায়ক। ছাৰৰ এই কথাই মোক খুব সাহস দিয়ে এতিয়াও। ভাগৱতী ছাৰৰ কথা নকলে নহ'ব আজি ভাত খাই আহিছনে ফেঁচী, সময় মতে পঢ়িবি সদায়। তাৰ পিছত মই হাজাৰ দেৰি হ'লেও সদায় ভাত খাই যাওঁ আৰু দৈনিক পঢ়াখিনি অব্যাহত ৰাখো। শেষত আমাৰ খুহুতীয়া কথাৰ গৰাকী কাশাপ ছাৰ আজিও দেৰিকৈ ক্লাছত সোমাইছা, ইয়াৰ পিছদিনা কিন্তু সোমাব নিদিওঁ এনেকৈ কোৱাৰ পিছতো ছাৰে কেতিয়াবা দেৰি হ'লেও ক্লাছত সোমাব দিয়ে। কথাবোৰ মনত পৰি থাকিব, লিখিলে দীঘলীয়া হৈ যায় থাকিব কিন্তু মোৰ জীৱনত তেওঁলোকৰ অৱদানৰ কথা শেষ নহ'ব।

এইবোৰ সৰু সৰু স্মৃতিৰ মাজেৰে, বিভাগীয় সৰু-বৰ কাম, অগ্ৰজ-অনুজ আৰু সমনীয়াৰ সৈতে কটোৱা ক্ষণবোৰে বৰকৈ আমনি কৰে। কেতিয়াবা অজানিতে কৰা ভুলৰ বাবে ক্ষমা কৰি আৰু আগলৈও আমাক মৰম-আশীৰ্বাদ কৰি যাব।

শেষত- ক'বলগীয়া বহু থাকি গ'ল, কৰিবলগীয়া বহুত থাকি গ'ল।

এবাৰ নতুনকে জী উঠিব লওতে
বিদায় মাগিব লগা হ'ল।

আপোনালোকৰ সাহচৰ্যত জীৱনৰ এছোৱা সময় জীপাল হ'ল

মুহূৰ্তবোৰ সোঁৱৰণী যদিও সময়ৰ আহ্বানত আপোন বিভাগত আকৌ লগ হম।

স্মৃতিবোৰ আলফুলে সামৰি আগুৱাই যোৱাৰ সময় সমাগত হ'ল !!

জয়তু সংস্কৃত বিভাগ
জয়তু কামৰূপ মহাবিদ্যালয় চামতা

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী, (২০২১-২০২৪ বৰ্ষ), স্নাতকোত্তৰ প্ৰথম বৰ্ষ

# বিভাগটোৰ প্ৰতি থকা আন্তৰিকতা

নিশিতা ভূঞা

মোৰ বিভাগটোৰ প্ৰতি থকা আন্তৰিকতাখিনি হিয়া উজাৰি প্ৰকাশ কৰিবলৈ আজি পোনপ্ৰথমবাৰৰ বাবে হাতত কলমটো তুলি ল'লোঁ। পোনপ্ৰথমে, বিভাগটোলৈ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

সেই দিনটোলৈ সঁচাকৈয়ে মনত পৰে যিদিনা মই আমাৰ সকলোৰে অতি চেনেহৰ নলবাৰী জিলাৰ চামতাস্থিত কামৰূপ মহাবিদ্যালয়খনত মোৰ স্নাতক বৰ্ষত সংস্কৃত বিভাগত নাম ভৰ্তি কৰিছিলোঁ। তেতিয়া আছিল ২০২১ বৰ্ষৰ আগষ্ট মাহ, সঠিককে তাৰিখটো পাহৰিলোঁ। কিন্তু মনত আছে আমাৰ অক্টোবৰ মাহৰ ২১ তাৰিখৰ পৰাহে নিয়মীয়াভাৱে ক্লাছবোৰ হৈছিল। হয় অলপ দেৰিকৈ আৰম্ভ হৈছিল ক্লাছবোৰ। কাৰণ তেতিয়া কৰ'ণা নামৰ এবিধ সংক্ৰামক ভাইৰাছৰ কাৰণে লকডাউন চলি আছিল। বাৰু, প্ৰথমদিনাৰ অনুভৱটো সঁচাকৈয়ে স্মৰণীয়। মনত ভয় ভয় ভাব, সংকোচ, লাজ, নতুন সংগ, নতুন শিক্ষক মনত নানানটা কথা। তাৰ পিছত লাহে লাহে সকলোৰে লগত চা-চিনাকি হ'লোঁ। তিনিওজন ছাৰৰ কথানো কি কম। একেবাৰে নিজৰ সন্তানৰ দৰে যত্ন লৈছিল সকলোকে। আমাৰ বিভাগৰ সন্মানীয় HOD অৰ্থাৎ, শৰ্মা ছাৰক মই বহুত ভয় কৰিছিলোঁ। বাকীদুজন ছাৰকো কৰিছিলোঁ বাৰু, কিন্তু তেখেতকৈ কম। বাৰু এতিয়া আহোঁ কাশ্যপ ছাৰৰ কথালৈ। কাশ্যপ ছাৰে আকৌ মোক উপাধিটোৰেহে মাতিছিল। মোৰ প্ৰায়ভাগ ক্লাছত সোমাওঁতে দেৰিয়ে হৈছিল। ক্লাছত সোমোৱাৰ লগে লগে কয় ছাৰে আহিলা Bhuyan? পিছে ইমান দেৰি কিয় হ'ল আজি আৰু, চাইকেলখন পামচাৰ হ'ল নেকি? নে ভাত নিদিলে ঘৰত। এইটো আছিল ছাৰৰ Common Dialogue। ক্লাছত কবা ভোক লাগিছে, ভোক লাগিছে বুলি, তেনেকৈ কৈ দিলে নহয় ছাৰে কাণখন চেঁপি। হা হা হা। কি যে হব নহয় ছাৰজন সঁচাকৈয়ে বহুত ধেমেলীয়া প্ৰকৃতিৰ আছিল। আৰু এইবাৰ আহিল নহয় মিশ্ৰ ভাগৱতী ছাৰ। তেখেতৰ ক্লাছত আকৌ মই মনে মনে মোবাইলটো উলিয়াই টিপি থকা আছিলোঁ। ছাৰে কেনেবাকৈ দেখিলে আৰু এদিন মোবাইল টিপি থকা সেইদিনাখনৰে পৰা এৰিলো। ছাৰে অনৰ্গল Note লিখি দিছিলে

আমাক। পৰীক্ষাৰ আগদিনাও আনকি whatsapp ৰ Group ত Note লিখি দিছিল। তাৰ পিছত কয় ভালকৈ পঢ়িবি তহঁতে, Paper Easy আহিব দে, চিন্তা নকৰিবি। তেনেকৈয়ে হাঁহি ধেমালিৰ মাজত ছাত্ৰসকলৰ লগত আৰু সমনীয়াহঁতৰ লগত তিনিটা বছৰ অতিক্ৰম কৰিলোঁ। নষ্টালজিক হৈ ক্লাছবোৰৰ মাজে মাজে ছাৰসকলৰ লগত একেলগে চাহ খাইছিলোঁ। লগতে বতৰত ওলোৱা বিধে বিধে চকলোৱা বগৰী, কেঁচা আম, জলফাই, ৰবাব টেঙা আদিও খাইছিলোঁ। উফ্ কি যে দিন আছিল, বজাৰত কিনিলেও এইবোৰ সময় ঘূৰাই পোৱা নাযাব।

শেষত, যদি এই তিনিবছৰে কিবা ভুল-ত্ৰুটি কৰিছিলোঁ নিজৰ পৰিয়ালৰ সদস্য বুলি ভাবি আটাইয়ে ক্ষমা কৰি দিয়ে যেন। সকলোকে লগ পোৱাৰ আশাৰে বাট চাই ৰ'ম, আগুৱাই যাওঁক বিভাগটো। সদায় বিভাগটোলৈ সন্মান আছিল, আছে আৰু থাকিবও।

'জয়তু সংস্কৃত বিভাগ'

লেখক পৰিচিতি- স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, গুৱাহাটী বিশ্ববিদ্যালয় (২০২৪ বৰ্ষ)

# नलबारी क्षेत्रे पारस्परिक संस्कृत शिक्षा

गीताश्री देवी

'भाषासु मुख्या मधुरा दिव्या गीर्वाण भारती।' अस्माकं यदि देशे ग्रामाः दुर्गताः भवन्ति तर्हि ग्रामजनानां वा सद्भावयुक्तानां महापुरुषाणां संख्या क्रमेण न्यूनी भवति, भारतीय सभ्यतायाः विजयः भविष्यति।

सम्पूर्ण नलबारीक्षेत्रे संस्कृतभाषा प्रसारस्य एतां प्राचीनप्रवृत्तिं निरन्तरं कुर्वन्ति । संस्कृतशिक्षाकेन्द्राणां अद्वितीया शृंखला वर्तते। यत् संस्कृत 'टोल्' इति कथ्यते । प्रारम्भिकाः संस्कृतविद्वांसः स्वगृहेषु टोल् उदघाट्य छात्रान् पाठयन्ति स्म। स्थानीय छात्राणां अतिरिक्तं दक्षिण असमदेशस्य बहवः छात्राः अपि एतेषु टोलेषु अध्ययनं कुर्वन्ति सः तत् ग्रहीतुं आगतः ।

टोलस्य छात्राणां भोजनादिव्ययस्य शुक्लं शिक्षकाः एवं कृतवन्तः। परन्तु आवश्यकतायां ग्रामजनानां साहाय्यं याचितम्। अस्य कृते एकः अद्वितीयः विधिः स्वीकृतः। या चैताली नाम आसीत्। चैत्रमासे छात्राः गृह गृह गत्वा गणानां संस्कृतेन आशीर्वाद ददति स्म। यथोचित भिक्षां च दत्तवान् गणः। अस्मिन् समये संगृहीत धनं पश्चात् छात्रैः अध्यापकाय प्रेषितम्। तेन धनेन शिक्षकाः छात्रान् भोजनं दत्वा शेषं टोल् प्रबन्धेन व्यापयन्ति स्म। १९५०-६० तमे दशके सर्वकारेण नाममात्र सहायतां एव प्रदत्ता। सः परीक्षायां उत्तीर्णस्य प्रत्येकस्य छात्रस्य कृते १०-२० रुप्यकाणि प्रस्तावितवान्।

प्रथमं टोल्, द्वितीयं टोल्, उपाधि इति त्रयः पर्यायाः परीक्षा कृता। प्रथमा द्वितीया च टोल परीक्षाः असमप्रदेशे एव भवन्ति स्म। किन्तु उपाधि परीक्षायै कलकत्तानगरं गन्तव्यम् आसीत्। राष्ट्रीयशिक्षापरिषद अन्तर्गता परीक्षा कृता आसीत्। १९१६ तमे वर्षे असम संस्कृतः समितिः स्थापना अभवत्। ततः परं असमप्रदेशेऽपि उपाधि परीक्षा भवति।

१९६७-६८ तमे वर्षे असम सर्वकारेण टोलशिक्षायाः आधुनिकीकरणस्य उद्देश्यं कृत्वा केचन् टोल् आदर्श-टोल् रूपेण स्वीकृताः। तेषा पाठ्यक्रमे संस्कृतस्य अतिरिक्तं असमिया आंग्लभाषा गणितं च अन्तर्भवन्ति। २०१८ जनवरीतः असम सर्वकारेण टोलियशिक्षा व्यवस्थायाः प्रबन्धनस्य दायित्वं कुमारभास्करवर्मसंस्कृत-पुरातनाध्ययन विश्वविद्यालय नलबारी इत्यस्मै समार्पितम् ।

१९३८ तमे वर्षे यदा नलवारी संस्कृत महाविद्यालयस्य स्थापना अभवत, तदा अस्मिन् क्षेत्रे प्राय: १०० संस्कृत टोल्:आसन्। सम्प्रति सर्वकारेण मान्यताप्राप्ता: एतादृशा: संस्था: सन्ति-

१) नलबारी संस्कृत महाविद्यालय, नलबारी।
२) योगेश्वरी दर्शन विद्यालय, बरखला।
३) माणिक बाबा संस्कृत टोल्, खाटिकुछि।
४) दामोदर धाम धीरश्वर विद्यालय, पाण्डुला ।
५) जीवानन्द ज्योतिविद्यालय, गन्धिया।
६) ककया संस्कृत विदयापीठ, ककया
७) गोपालथान आदर्श संस्कृत टोल, जानिगोग।
८) सन्धा महेश्वर चतुष्पाठी, सन्धा।
९) गोविन्द मिश्राश्रम टोल्, बैलशर।
१०) चटमा रुद्रेश्वर चतुष्पाठी, चटमा।
११) बीणापाणि चतुष्पाठी, बगुरिहाटी
१२) बाट्सर संस्कृत विद्यालय, बाट्सर।
१३) काशीनाथ पुन्याश्रम चतुष्पाठी, बरमुरिकोणा ।
१४) महाविष्णु चतुष्पाठी, बरनर्द्दि ।
१५) चन्द्रकान्त संस्कृत विद्यालय, गामारिमुरी।

पारम्परिकसंस्कृतशिक्षाया: एषा धारा मध्ययुगात् अद्यावधि नलबारीमण्डले निरन्तरतया प्रवहति। अतएव नलबारी असमस्य नवद्वीप: इति उच्यते।

লেখক পৰিচিতি- स्नातक उत्तीर्ण वर्ष- २०२४
वर्तमान कर्म- कुमारभास्करवर्मसंस्कृत-
पुरातनाध्ययनविश्वविद्यालयस्य
स्नातकोत्तरवर्षस्य
प्रथमषान्माषिकस्य छात्री

# বিষাদ বেদনা

নিশিস্মিতা বৰ্মন

দুৰ্বল নীৰৱ হৃদয় মোৰ
আৰু কিমাননো সহিব দুখ,
অশ্ৰু সিক্ত দিন মোৰ
নাপালো অকণো সুখ।
হাঁহি পাহৰি মই কান্দিব শিকিছোঁ,
সকলো আঁতৰাই মাথো দুখক আদৰিছোঁ
কেনেকৈ বুজাও মোৰ অবুজন মনক
বেদনাৰ পৃথিৱীত হেৰালো আপোনজনক।
আশাৰ সমাধি বিচাৰি দুখে আঁৱৰিছে
মৰম বিচাৰি মৰমে কান্দিছে,
পলে পলে হৃদয়ত অশ্ৰু নিগৰে
মোৰ দুচকুত তাৰ ছবি ভাহে,
বিষাদ বেদনাই বুকুত খুন্দিয়াইছে
তাক পায়ো হেৰুৱাই জীৱনে কান্দিছে।

লেখক পৰিচিতি- বৰ্ষ-২০২৩
বৰ্তমান স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ
এগৰাকী ছাত্ৰী

# শেষ মুহূৰ্ত

প্ৰিয়ংকা শৰ্মা

আত্মা আৰু শৰীৰ,
মৃত্যুৰ পিছতো অমৰ
কিছুমান ব্যক্তি
মৃত্যু নিশ্চিত দেহত,
অহংকাৰে আনি দিয়ে
দুখৰ উপৰি দুখ
দৌৰি দৌৰি ভাগৰি যায় দেহ,
মনৰ হেঁপাহ পলাই নাহে,
গোটেই জীৱন আমি
নিবিচাৰো কি,
শেষ মুহূৰ্তত কিন্তু আশংকা
থাকে মাথোঁ এটাই।

লেখক পৰিচিতি- ছাত্ৰী, স্নাতক পঞ্চম ষাণ্মাসিক

# পিতাই

অলিস্মিতা শৰ্মা

মুৰত অযুত আশাৰ সম্ভাৰ লৈ,
পিতাই গৈ থাকে পথাৰৰ বকিয়াইদি;
তেওঁৰ বুকুত হাজাৰ সপোন...
উজনি-মুৰা সপোনৰ ঘাটেদি যাওতে,
ল'ৰালি দেখিছিলো পিতাইৰ....
তেতিয়া সপোনবোৰ সেউজীয়া আছিল।
তেওঁ মোক কোৱা নাছিল কাহানিও;
অৰ্থৰ অভাৱে কোঙা কৰাৰ কথা,
তেওঁৰ কৃচ্ছসাধনাৰ কথা....
ভৰ দুপৰত মুৰত আশাৰ সপোন লৈ,
সেই একেটা সপোনকে কাইলৈৰ
বাবে সাচি, দোভাগ ৰাতি
ঘৰ সোমোৱাৰ কথা....
সলনি হোৱা জনুৰে পিতাইৰ সপোন,
এতিয়া পোনাকনৰ বাবে...
মোৰ দুচকুত তেওঁ দেখে সেউজীয়াবোৰ।
তিয়নী সলাই চোতালত বহা,
পিতাইৰ ৰ'দে পোৰা কৃশ শৰীৰ,
আধি খোৱা ৰাজহাড়ে,
বোজা কঢ়িয়াব নোৱাৰাৰ কথা,
অকপটে স্বীকাৰ কৰিছে সিদিনাখন....
উদং ভৰাঁলটোৱে সেয়া মানি নোলোৱাৰ কথা,
ত্ৰিশটা বসন্ত গৰকা মই জানো...
সেয়ে আজিকালি,
কোঠালীৰ সিটো মুৰৰ বাঁহৰ শেতেলীত শুই
পিতাইৰ সেউজীয়াবোৰ বুকুত বান্ধি,
পুৱতিনিশা পোনাকনে কান্দে,
কোনেও নজনাকৈ,
আৰু কিয়েইবা কৰিব সি... ?

লেখক পৰিচিতি- ছাত্ৰী, স্নাতক পঞ্চম ষাণ্মাসিক

# সোণোৱালী দিনক সুঁৱৰি.....

সংগীতা দেৱী

ভাৰতৰ প্ৰায় সকলো ভাষাৰে জাননীস্বৰূপ সংস্কৃত ভাষা। পশ্চিম নলবাৰীৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ কামৰূপ মহবিদ্যালয়ৰ ছাত্ৰী হিচাপে মই বহুত গৰ্বিত। কামৰূপ মহবিদ্যালয়, চামতা সংস্কৃত বিভাগ এটা স্মৃতিচিহ্ন; য'ত ২০১৪ চনৰ পৰা ২০১৭ চনৰ এই সময়ছোৱাৰ এমুঠি মিঠা স্মৃতি। উচ্চতৰ মাধ্যমিকৰ দেওনাখন পাৰ কৰি আহি এমা-ডিমা সপোন বুকুত বান্ধি অতিশয় শংকাৰে এই মহাবিদ্যালয়খনত খোজ দিছিলোঁ। মোৰ দাদাৰ প্ৰেৰণাত লগতে সংস্কৃত শিকাৰ বাবে থকা মোৰ ধাউতিয়ে মোক এই বিভাগলৈ লৈ আহে। এই তিনিবছৰীয়া সময়ছোৱাত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে এটা সুন্দৰ গৃহসদৃশ পৰিৱেশত হাঁহি-ধেমালিৰ মাজেৰে পাঠদান কৰিছিল। মহাবিদ্যালয়খনৰ প্ৰতিটো বিভাগৰ শিক্ষাগুৰুসকললৈ মোৰ শত সহস্ৰ প্ৰণাম। বিশেষকৈ সংস্কৃত বিভাগৰ শিক্ষাগুৰুসকলে এই তিনিবছৰীয়া সময়ছোৱাত হাঁহি-ধেমালিৰে যিমানখিনি জ্ঞান দিলে তেখেতসকলৰ চৰণত মই চিৰকৃতজ্ঞ। পাঠদানৰ মাজতেই থকা সাংস্কৃতিক দিশবোৰত, খেলাধূলা আদিত শিক্ষাগুৰুসকলৰ পৰা বহুতো সহযোগ পাইছিলোঁ। ২০১৭ চনত স্নাতক ডিগ্ৰী লৈ ওলাই আহি স্নাতকোত্তৰৰ বাবে যেতিয়া অন্য এখন বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিলোঁ, তেতিয়াও শিক্ষাগুৰুসকলৰ পৰা মই বহুতখিনি সহায় পাইছিলোঁ। মাজে সময়ে তেখেতসকলে ভ্ৰাম্যভাষযোগে খা-খবৰ লয়, মই সেইবাবে বহুত সৌভাগ্যৱতী অনুভৱ কৰোঁ। ইমানখিনি মৰম তথা আশীৰ্বাদৰ বাবে বহুত বহুত ধন্যবাদ।

বৰ্তমান মই এটা চৰকাৰী বিভাগত কৰ্মৰত। স্নাতকোত্তৰ দ্বিতীয় ষান্মাসিকত মোৰ শাৰীৰিক অসুস্থতাৰ বাবে পৰীক্ষাটো ভালদৰে দিব নোৱাৰিলোঁ। পিছত নিৰ্ধাৰিত সময়ত পৰীক্ষাটো পুনৰবাৰ দিব নোৱাৰিলোঁ, কাৰণ মই প্ৰশিক্ষণৰ বাবে ডেৰগাঁওলৈ যাব লগা হ'ল। ২০১৯-২০২৪ এই দীঘলীয়া সময়ছোৱাত কৰ্মব্যস্ততাৰ বাবে পঢ়াত সময় দিব নোৱাৰাৰ নিচিনাই। তথাপি মাজে সময়ে সংস্কৃত বিষয়ক দুই-এখন কিতাপ আনি পঢ়িব চেষ্টা কৰোঁ। এতিয়া আকৌ সেই স্নাতকোত্তৰ ডিগ্ৰীটো লোৱাৰ হাবিয়াসটো ঠন ধৰি উঠিছে। গতিকে ভৱিষ্যতেও শিক্ষাগুৰুসকলৰ পৰা সহায় সহযোগিতা লগতে আশীৰ্বাদ মোৰ সদায় কাম্য। শেষত মহাবিদ্যালয়খনৰ উন্নতি, বিভাগটোৰ উন্নতি তথা শিক্ষাগুৰুসকলৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

জয়তু সংস্কৃতম্।
জয়তু ভাৰতম্।

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী, (২০১৭ চন), বৰ্তমান অসম আৰক্ষীত কৰ্মৰত

# স্মৃতিবোৰ সোঁৱৰিছো

প্ৰীতিৰেখা বৰ্মন

১৯৬৬ চনত চামতাৰ বুকুত প্ৰাণ পাই উঠা কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ এগৰাকী ছাত্ৰী হোৱাৰ হেঁপাহ মোৰ সৰুৰে পৰাই আছিল। সপোনে দিঠকে কেৱল সেই কথাটোৱে মনত বাৰুকৈয়ে উৎসুকিত কৰিছিল। সময়ৰ পৰিৱৰ্তন হল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ২০১৯-২০২০ বৰ্ষত সপোনৰ কলেজখনত নামভৰ্ত্তি কৰিলোঁ। সপোনটো বাস্তৱত পৰিণত হ'ল। সপোনৰ কলেজখন বাস্তৱত লগ পাই আনন্দতে পুলকিত হৈ পৰিছিলোঁ। মই পঢ়ি থকা সময়ত বিভাগটোত তিনিজন বিভাগীয় অধ্যাপক আছিল। তেখেতসকলৰ পঠনশৈলীয়ে অধ্যয়নত যথেষ্ট আগ্ৰহী কৰি তুলিছিল। আমাৰ প্ৰত্যেকজন গুৰুৱেই জ্ঞানৰ প্ৰতীকস্বৰূপ। শান্ত সাগৰত জ্ঞানৰ ঢৌ যেন ভগৱান শৰ্মা ছাৰ, ভয়ৰ প্ৰবাহ জ্ঞানৰ অমৃত যেন ড° সুবোধ মিশ্ৰভাগৱতী ছাৰ, ৰণত প্ৰেৰক জ্ঞানৰ ভঁৰাল যেন ড° তপন কুমাৰ কাশ্যপ ছাৰ। তেখেসকলৰ পৰা পোৱা আদৰ্শই মোক বাৰুকৈয়ে অনুপ্ৰাণিত কৰিছিল।

প্ৰথম ষান্মাসিকতে মই এটি কবিতা লিখিছিলোঁ আৰু সেই কবিতাটো বিভাগৰ 'প্ৰাচীৰ পত্ৰিকা'ত প্ৰকাশ পোৱাত মোৰ মনটো আনন্দেৰে ভৰি পৰিছিল। মহাবিদ্যালয় সপ্তাহত সকলো প্ৰতিযোগীতাতে অংশগ্ৰহণ কৰিছিলো। মহাবিদ্যালয় সপ্তাহৰ 'সাংস্কৃতিক শোভাযাত্ৰা'ত আমাৰ বিভাগটোৱে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰতিবছৰে আমাৰ বিভাগৰ পৰা বনভোজলৈ গৈছিলোঁ। শিক্ষাগুৰু আৰু শিষ্যৰ মাজত থকা আত্মীয়তাৰ বাবে বনভোজটো অতি সুমধুৰ হৈ পৰিছিল। চাওঁতে চাওঁতে চকুৰ পলকতে তিনিটা বছৰ কেনেকৈ পাৰ হৈ গ'ল গমকে নাপালোঁ। আজি মনটো উৰুঙা উৰুঙা লাগিছে এই মহাবিদ্যালয়খন যেন এৰি আহিবলগীয়া হ'ল ভবাই নাছিলো আৰু বহুদিন পঢ়ি থাকিবলৈ মন যায়। এনেকুৱা শিক্ষাগুৰুসকলৰ সান্নিধ্যই আমাৰ জীৱন বাটত পোহৰৰ ৰেঙণি হৈ আমাক উৎসাহিত কৰিছে। অহা জন্মটো এই বিভাগতেই পঢ়াৰ অটুত হেঁপাহ থাকি গ'ল।

'জয়তু সংস্কৃত বিভাগ, জয়তু কামৰূপ
মহাবিদ্যালয়'

লেখক পৰিচিতি- প্ৰাক্তন ছাত্ৰী (স্নাতক উত্তীৰ্ণ বৰ্ষ-২০২২ ইং)

# আকৌ আহিব দুৰ্ভিক্ষ, দুৰ্দ্দিন

অংকিতা দেৱী

দুৰ্ভিক্ষ, দুৰ্দ্দিন আকৌ আহিব
মানুহে পেট ভৰাই খাবলৈ নেপাব।
পিতৃয়ে কষ্টৰে টকা আৰ্জ্জিছে
সন্তানে অহংকাৰৰ সীমা চেৰাইছে।
ঋণত জৰ্জ্জৰিত নিম্নবিত্ত, মধ্যবিত্ত
গাড়ী ক্ৰয়ত সন্তানৰ আধিপত্য।
পৰিশ্ৰমত নিয়োজিত মজদূৰৰ দল
দাৰিদ্ৰতাৰ ব্যথা পাইছিল যিসকল।
সন্তান অমনোযোগী পিতৃৰ ক্লেশ
চাল-চলনত ৰাজকুমাৰৰ বেশ।
ধাবা কিম্বা ৰেস্তোৰাত আনন্দ স্ফূৰ্ত্তি
নতুন বন্ধু, ফাষ্টফুডৰ জুতি।
স্বাস্থ্যৰ অৱহেলা, অপচয় সম্পদ
নিচাত মতলীয়া আসক্ত মদ, ভাং আৰু ড্ৰাগছ।
নিচাযুক্ত দ্ৰব্য বিষাক্ত ড্ৰাগছ
যুৱ প্ৰজন্মক কৰি আছে গ্ৰাস।
কৰ্মহীন, নাই চিন্তা জীৱন গঢ়া
এটি প্ৰজন্মৰে যেন সম্ভাব্য পতন।
সদা নিচামত্ত,নাই যদি উপাৰ্জ্জন
আকৌ আহিব দুৰ্ভিক্ষ, দুৰ্দ্দিন দুৰ্দ্দিন দুৰ্দ্দিন।

লেখক পৰিচিতি- ছাত্ৰী, পঞ্চম ষাণ্মাসিক

# জোনাক নিশাৰ আমেজ

শিখামনি শৰ্মা

চোতালৰ চাৰিওফালে
উচ্চ অট্টালিকাই যেন
ঢাকি ধৰিছে আকাশৰ বিশালতা,
আকাশত হাজাৰ হাজাৰ তৰা
কিন্তু দেখিবলৈ পাওঁ কিছু মাথোঁ
চাৰিওফালে কেৱল মাথোঁ
চকু চাট মাৰি ধৰা বৈদ্যুতিক পোহৰ
জোনাক নিশাৰ পোহৰ মাটি যেন চুই নাযায়,
বৈদ্যুতিক পোহৰৰ প্ৰদূষণৰ মাজত
হেৰাই গৈছে তাহানিৰ দিনৰ
জোনাক নিশা আকাশলৈ চোৱা
চোতালত সকলোৱে একেলগে বহা
তৰা চাই তৰাৰ দেশৰ সাধু শুনা
অলপমান আন্ধাৰ থাকিলে
ল'ব পাৰিলেহেঁতেন হেঁপাহ পলুৱাই
মিঠা জোনাক নিশাৰ পোহৰৰ আমেজ।

লেখক পৰিচিতি- ছাত্ৰী, পঞ্চম ষাণ্মাসিক

| বৰ্ষ | নাম | বৰ্তমান কি কৰি আছে | অনুভৱ |
|---|---|---|---|
| 1986 | Dr. Latika Devi | Librarian ,Paschim Barigog Anchalik Mahavidyalaya | Hope this event will lead us to the greater development of the college in future |
| 1987 | Satyabati Goswami Sarma | Asstt. Teacher in Cotton Collegiate Govt HS School | Spent some the most memorable years of my life. Feeling Nostalgic. |
| 1994 | Jonamani Devi | Teacher UP | Eagerly waiting for 3 November. |
| 2000 | ডঃ বিভূতি লোচন শৰ্মা | বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত সহকাৰী অধ্যাপক হিচাপে কাৰ্যৰত | বিভাগটোৰ ছাত্ৰ হিচাপে অতিশয় গৌৰৱবোধ কৰোঁ। সংস্কৃত ভাষাটোৰ প্ৰতি অগাধ শ্ৰদ্ধা আৰু প্ৰেমে সদায় প্ৰেৰিত কৰে কিবা এটা কৰাৰ বাবে। সেই শ্ৰদ্ধা আৰু প্ৰেমৰ বশে নিজৰ কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি সজাগ থাকিবলৈ যত্ন কৰোঁ। সংস্কৃত ভাষাৰ জনমুখীতা জীৱনৰ লক্ষ্য। সংস্কৃতসেৱীৰ একতা স্বানুভূত দায়িত্ব। |
| 2001 | Mrinal sarma | Teacher | Good feelings |
| 2008 | Lipika Das Misra | Teacher | Amazing |
| 2008 | দিপাঞ্জলী গোস্বামী | মেলেৰিয়া বিভাগত কৰ্মৰত | কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে আগন্তুক প্ৰাক্তন সতীৰ্থ সন্মিলন অনুষ্ঠানটোক লৈ অত্যন্ত আনন্দিত, গৌৰৱান্বিত আৰু আগ্ৰহী। জয়তু কামৰূপ মহাবিদ্যালয়।। |
| 2011 | Gitima devi | House wife | সতীৰ্থ সমাৰোহৰ আয়োজনৰ বিষয়ে জানিবলৈ পাই মই বৰ সুখী অনুভৱ কৰিছো। এই সমাৰোহৰ সফল সমাপ্তি মই অন্তৰেৰে কামনা কৰিছো।সমাৰোহৰ দৰে আমাৰ সংস্কৃত বিভাগটো সদায় আগুৱাই যাওঁক। |
| 2011 | Ruprekha Barman | Housewife | Very Happy and good Memory. |
| 2011 | পল্লৱী গোস্বামী | সহকাৰী শিক্ষয়িত্ৰী, পিপলীবাৰী হাইস্কুল। | কামৰূপ কলেজ এক আবেগ। জীৱন নামৰ কিতাপখনৰ এক পাহৰিব নোৱাৰা অধ্যায়। সংস্কৃত বিভাগৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী চিৰ নমস্য। |
| 2013 | Asim Bhattacharyya | Works at Water Resources Department Nalbari | Awesome experience |
| 2013 | Nabanita Deka | Teacher | Proud to be as a student of kamrup college chamata, Sanskrit depertment |
| 2014 | Nitul Bhagabati | Medical representative | I feel proud to be a kamrupiyan. It's a very nice step to meet and introduce older and new generation. |
| 2015 | Anamika devi | House wife | Very very good |
| 2015 | Sayanika Devi | Teacher | Very good experience |
| 2015 | কৰবী বৈশ্য | গৃহিণী | কলেজীয়া জীৱনৰ অন্তিমটো দিনত এটি অধ্যায় শেষ হৈছিল। কেইবাখনো মাৰ্কশ্বীটৰ বিপৰীতে সহস্ৰ স্মৃতিৰ টোপোলা বুকুত লৈ আগুৱাই গৈছিলো। অশেষ ধন্যবাদ সকলোলৈকে সেই স্মৃতি বোৰক পুনৰ জীপাল কৰি তোলা বাবে |
| 2015 | হিৰণ্য কাকতি | ব্যৱসায় | অত্যন্ত সুখী |
| 2016 | Pallavi Bhattacharyya | Teacher | Excellent |
| 2018 | Dhritismita Sarma | House wife | Feeling good |
| 2018 | Himasmita Das | Nothing | Good |
| 2018 | Juman sarma | Job in private sector | Sanskrit department of kamrup college ,chamata resources and facilities are top-notch, providing students with the tools they need to succeed. |
| 2019 | Jacklin barman | বৰ্তমান স্কুল এখনত সংস্কৃত শিক্ষক হিচাপে কাম কৰি আছো। | অনুভৱ বুলিবলৈ বহুত স্মৃতি জড়িত হৈ আছে কামৰূপ কলেজৰ সংস্কৃত বিভাগৰ লগত..... বহুত সুখী হওঁ ভাবি যে মইও সংস্কৃত বিভাগ ৰ প্ৰাক্তন ছাত্ৰী। জয়তু কামৰূপ কলেজ, জয়তু সংস্কৃত বিভাগ। |
| 2019 | Madhurjya Talukdar | Student | Feels great |
| 2019 | তৃষ্ণা বৰ্মন | ক্ষুদ্ৰ ব্যৱসায় | বহুত ভাল । |
| 2020 | Sanjay | Unemployed | Good |
| 2020 | Upasana haloi | Teaching Sanskrit class IX and X at Eden valley academy Chamata | Very good |
| 2021 | Himangshu Sarma | I am working as a laboratory technician as an intern in Nalbari Medical College & Hospital | I have a wonderful experience studying in the Sanskrit department of Kamrup College. I am proud to be a student of the Sanskrit department |
| 2021 | Hrishikesh Chakraborty | I am currently working in a pharmacy. | I am very proud to be an alumnus of the Sanskrit Department of Kamrup College. |
| 2021 | Liza sarma | B.ed course | Happy |
| 2022 | Himakshi devi | Private job | সতীৰ্থ সমাৰোহ অনুষ্ঠিত কৰাৰ বাবে বিভাগীয় ব্যক্তিসকলক সন্মান আৰু সেৱা জনালোঁ। সমাৰোহত উপস্থিত থাকিবলৈ চেষ্টা কৰিম |
| 2022 | Jyotirmoy nath | Teacher | কলেজ খনত পঢ়ি মোৰ বহুত ভাল লাগিছিল। বিভাগটো মোৰ নিজৰ ঘৰৰ দৰে দৰে লাগিছিল। ঘাৰ সকলে আমাক |

| | | | |
|---|---|---|---|
| | | | যিদৰে গুৰুত্ব দিছিল।সেই মৰম মই আজীৱন পাহৰিব নোৱাৰো। |
| | | | I feel so good |
| | | | Very good |
| 2023 | Doli Baruah | MA | আপোন বিভাগটোত বহুতো মধুৰ স্মৃতি জড়িত হৈ আছে। জীৱন যাত্ৰাত আগবঢ়ি যাবলৈ শিক্ষাগুৰু সকলৰ পৰা বহুতো নজনা কথা শিকিব পাৰিছো। |
| 2023 | Nilakshi bhuyan | Student at nalbari law college | |
| 2023 | গীতাশ্ৰী বৰ্মন | স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ এগৰাকী ছাত্ৰী | |
| 2023 | তৃষ্ণা ৰাজবংশী | বি এ পাছ কৰি স্কুল এখনত কাম কৰি আছো | তিনিটা বছৰ সুকলমে পাৰ কৰি অহা আপোন বিভাগটোৰ সৈতে বহুতো সুমধুৰ স্মৃতি জড়িত হৈ আছে। শিক্ষাগুৰুসকলৰ পৰা নজনা কথাবোৰ জানিবলৈ পাইছো। |
| 2023 | বৰষা বৰ্মন | কম্পিউটাৰ শিকি আছো। | কলেজ খনত পঢ়ি বহুতো ভাল লাগিছে। বিভাগটো মোৰ নিজৰ ঘৰ খনৰ নিচিনা লাগিছিল। |
| 2023 | মৃদুস্মিতা ডেকা | স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ এগৰাকী ছাত্ৰী | আপোন বিভাগটোৰ লগত বহুতো মধুৰ স্মৃতি জড়িত হৈ আছে।জীৱন পথত আগবাঢ়ি যাবলৈ শিক্ষাগুৰু সকলৰ পৰা বহুতো নজনা কথা শিকিব পাৰিছো। |
| | | | ভাল লাগিছে |
| 2024 | Jyotishmita barman | MA | Good |
| 2024 | RUPSHIKHA BARMAN | MA 1st sem | বহুত ভাল লগা |
| 2024 | কংকিতা বৰ্মন। | কম্পিউটাৰ কৰি আছো | ভাল লগা |
| 2024 | কস্তুৰী গোস্বামী | Ma পঢ়ি আছোঁ | অনুভৱ ভাল |
| 2024 | ডলিমা বৰুৱা | কম্পিউটাৰ শিকি আছো | অনুভৱ বৰ সুকীয়া। সমাৰোহৰ উত্তৰণ কামনা কৰিলোঁ। |
| 2024 | বৰষা পাঠক | স্নাতকোত্তৰ প্ৰথম বৰ্ষ | জয়তু সংস্কৃতঃ বিভাগঃ। |
| | | | চিৰযুগমীয়া হওঁক আমাৰ অনুষ্ঠানটো। |
| 2024 | শান্তনু বৰ্মন | স্নাতকোত্তৰ অধ্যয়ন | পোন প্ৰথমে অনুষ্ঠানটো আয়োজিত কৰাৰ বাবে কামৰূপ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপকৰ লগতে সমূহ শিক্ষাগুৰু বৃন্দকে তথা অনুষ্ঠানটোৰ সমূহ কৰ্মকৰ্তালৈ শ্ৰদ্ধা আৰু ধন্যবাদ জনাইছোঁ। অতিকৈ ভাল পদক্ষেপ বুলি মই ভাবো কাৰণ এনেকুৱা অনুষ্ঠান বিলাকৰ পৰা আমাৰ বিভাগৰ |
| ২০১৬-২০১৯ | পম্পী বৰ্মন | প্ৰফেচনেল মেকআপ আৰ্টিষ্ট | |
| | | | পৰা কিমান প্ৰতিভাই কি কি অনুষ্ঠানত নিয়োজিত হৈ বিভাগটোৰ লগতে মহাবিদ্যালয়খনক গৌৰৱান্বিত কৰি আছে সেইটো জানিব পাৰি লগতে তেওঁলোকৰ পৰা অনুপ্ৰাণিতও হব পাৰি। সকলোতকৈ বেছি ন- পুৰণি সকলো বন্ধু বান্ধৱীক আকৌ এবাৰ লগ পাম বুলি বেছি উৎসাহিত হৈ আছোঁ। |
| ১৯৮৭চনত পি ইউ,১৯৮১৮ নত স্নাতকত ,১৯৮৪চনত ওলালো। | ৎমীৰা বৰ্মন | ৩১/১/২৪ত বি,বি,কিমান মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী সহযোগী অধ্যাপিকা হিচাপে অৱসৰ | সেউজী সোণালী শইচৰ যেৰেৰে শুৱনি কামৰূপ মহাবিদ্যালয়ৰ |
| 1988 (B.A) | Rina Devi | Service | Nostalgic, excited to meet all the batchmates,seniors and juniors of Sanskrit Department |
| ১৯৯১ইং বৰ্ষত কামৰূপ মহাবিদ্যালয়; চামতাত স্নাতক শ্ৰেণীত প্ৰৱেশ। সংস্কৃত বিষয়ত Major সহ ১৯৯৪ ইং বৰ্ষত উক্ত মহাবিদ্যালয়ৰ পৰা কলেজিয়া | শ্ৰী ফুলেন শৰ্মা গাওঁ + ডাক : গন্ধিয়া জিলা : নলবাৰী (অসম) | অসমৰ জ্যোতিষ চৰ্চাৰ প্ৰাণকেন্দ্ৰ নলবাৰী জিলাৰ গন্ধিয়া গাওঁৰ ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় জ্যোতিষ পণ্ডিতমণ্ডলীৰ দ্বাৰা প্ৰশংসিত চৰকাৰী স্বীকৃতি প্ৰাপ্ত জীৱানন্দ জ্যোতিৰ্বিদ্যালয় ; গন্ধিয়াত ২০০৫ ইং বৰ্ষত দ্বিতীয় অধ্যাপক হিচাপে যোগদান কৰি ২০১২ইং বৰ্ষৰ পৰা প্ৰধান অধ্যাপক হিচাপে বৰ্তমান কৰ্মৰত অৱস্থাত নিয়োজিত হৈ আছো সমান্তৰাল ভাবে জ্যোতিষ চৰ্চা কৰি আছো। | কামৰূপ মহাবিদ্যালয় ; চামতাত প্ৰৱেশ কৰি কলেজিয়া শিক্ষা গ্ৰহণ কৰাৰ অনুভৱ হোৱা নাছিল। কিয়নো শিক্ষা গুৰু-গুৰুৰী সকলে অতিনিষ্ঠা সহকাৰে হাইস্কুল পৰ্যায়ৰ শ্ৰেণীৰ দৰে পাঠদান কৰি আপ্লুত কৰিছিল। ড° নকুল চন্দ্ৰ ডেকাদেৱে সহিত্যাদৰ্পন মধুৰতকৈ মধুৰ ভাৱে শিকোৱা ছবি আজিও মনত পৰে। মান্যবৰ ফটিক চন্দ্ৰ শৰ্মা মহোদয়ে সেই সময়ত অভিজ্ঞানশকুন্তলম ; নলচম্পু ; কৌটিল্যৰ অৰ্থশাস্ত্ৰ ; বেণীসমাহাৰ আদি শিক্ষা প্ৰদানৰ কল্পচিত্ৰ মোৰ বাবে আজিও চিৰস্মৰণীয়। গুৰুমহোদয়ে আমাক মাজে মাজে গালত হাত নিদিবা বোলা কথাষাৰ আজিও মনত পৰে। ফটিক চন্দ্ৰ শৰ্মা মহোদয় বৰ্তমান ডক্টৰেট উপাধীৰে বিভূষিত। গোস্বামী ছাৰ (৺দেৱেন চন্দ্ৰ গোস্বামী ) মহোদয়ৰ প্ৰাকৃত-প্ৰকাশ আৰু ছন্দ শাস্ত্ৰৰ শিক্ষা অন্যতম সুমধুৰ আৰু অতুলনীয় আছিল। গোস্বামী ছাৰ মোৰ মনত "ছন্দকোষ" বিভাগীয় মুৰব্বী অধ্যাপক মান্যবৰ শ্ৰীযুত অচ্যুৎ চন্দ্ৰ মিশ্ৰদেৱৰ দ্বাৰা শিক্ষা গ্ৰহণ কৰা স্বপ্নবাসবদত্তম ; The New Vedic Selection Part I & II আদি গ্ৰন্থৰ পৰা সংস্কৃতৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ লগতে |

| | | | |
|---|---|---|---|
| শিক্ষাৰ সামৰণি । | | | নতুন পানীৰ তৰৰ দ্বাৰা যেন সমুদ্ৰ সেলেকে পৃথিৱী শীতলকৰি উৰ্বৰতা বৃদ্ধি কৰে তদ্ৰূপ সংস্কৃত ভাষাৰ প্ৰতি তেনে গঠন মূলক শিক্ষা প্ৰদান কৰা অনুভৱ হৈছিল ।। ইতি শম ।। |
| 1998. BA 2nd year | Tapan sarma | Privete job | Good |
| 1999-2002 | JURI DEVI | Working as Assistant Professor at Indira Gandhi College, Bongaigaon | Feeling happy and nostalgic having revisited the past memories with the department and the college as a whole. |
| ২০১৩-২০১৬ | অনামিকা গোস্বামী | সহ শিক্ষয়িত্ৰী | ভাল লগা অনুভৱ,সফল হওঁক এই অনুষ্ঠানটি। |
| 2014-17 | Banasmita Thakuria | Job- As a Block Coordinator in Golaghat | বহুত বেছি ভাল লাগিছে। নৱ- পুৰণি সকলোকে লগ পাই আকৌ এদিন সেই দিনবোৰলৈ ঘূৰি যাব পাৰিম। যোগাযোগৰ সুবিধাকন দিয়াৰ বাবে বহুত বহুত ধন্যবাদ। |
| 2014-2017 | তৃষ্ণা ডেকা | অংশ কালীন অধ্যাপিকা, সংস্কৃত বিভাগ, বি. এইচ. মহাবিদ্যালয়, হাউলী | জীৱন বৰ অনুপম। এই জীৱনৰ এটা ভাল লগা অধ্যায়ৰ নাম হৈছে কামৰূপ কলেজ আৰু সংস্কৃত বিভাগ। |
| 2016-2019 | Chayanika Mishra | B.ed | Happy |
| 2016-2019 | শ্ৰী জুহি বৰ্মন | ঘৰতে টিউচন কৰি আছো | অতি সুন্দৰ |
| 2017-20 | Jahnabi Devi | Working as a teacher | Very good and full of good experiences |
| 2017-2019 | RAKESH MISHRA | PRIVATE JOB. | I am Rakesh Mishra. This is a very good decision. We are very proudfull as Kamrupians. |
| 2019-2021 | Jugal Kishor Sarma | Private job | অতীত মানেই যেন স্মৃতি। কিন্তু অতীতৰ স্মৃতিবোৰে মানুহক কেতিয়াবা দুখ আৰু কেতিয়াবা সুখ দিয়ে। মোৰ জীৱনৰ আটাইতকৈ বেছি আনন্দ পোৱা স্মৃতিটো হ'ল - কামৰূপ মহাবিদ্যালয়ত দিয়া মোৰ প্ৰথম খোজ। পশ্চিম নলবাৰী অঞ্চলৰ এখন আগশাৰীৰ মহাবিদ্যালয় হৈছে কামৰূপ মহাবিদ্যালয়, চামতা । আৰু তাৰ আপোন বিভাগ হৈছে সংস্কৃত বিভাগ। মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ বাবে যথেষ্ট সু-ব্যৱস্থা আছে। যেনে - বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, বিজুলী সেৱা, পুথিভঁড়াল, কেন্টিন, প্ৰেক্ষাগৃহ, ছাত্ৰ-ছাত্ৰীৰ জিৰণিৰ বাবে কোঠা ইত্যাদি।এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহোতে মোৰ বহু নতুন অভিজ্ঞতা হয়। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ২০১৯ চনৰ এইখন মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ সুযোগ লাভ কৰিলোঁ আৰু বহুত ভয়, শংকাৰ মাজেৰে কামৰূপ মহাবিদ্যালয়ত প্ৰথম খোজ পেলালো। প্ৰথম শ্ৰেণীকোঠাত খোজ দিয়েই অলপ ভয় লাগিছিল কিন্তু পাছত যেন ইয়াৰ সকলো বিপৰীতহে হ'ল। মহাবিদ্যালয়ত দিয়া প্ৰথম খোজৰ প্ৰথম দিনটোৱে এতিয়াও মোক আনন্দ দিয়ে। সঁচাকৈয়ে প্ৰতিটো বিভাগৰে ছাৰ-বাইদেউসকল মোৰ জীৱনৰ একোটা উজ্জ্বল জ্যোতিষ্ক। একেদৰে সংস্কৃত বিভাগটোও মোৰ আপোন। বিভাগটো মোৰ দ্বিতীয় ঘৰ য'ত মই মোৰ সকলো মনৰ কথা ছাৰৰ সকলৰ আগত ব্যক্ত কৰিব পাৰো। মহাবিদ্যালয়ত দিয়া প্ৰথম খোজৰ প্ৰথম দিনটোৱে এতিয়াও মোক আনন্দ দিয়ে। সঁচাকৈয়ে প্ৰতিটো বিভাগৰে ছাৰ-বাইদেউসকল মোৰ জীৱনৰ আদৰ্শ স্বৰূপ। শেষত সকলৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু জীৱন কামনা কৰিলোঁ লগতে এই লিখনি খিনিৰ একেবাৰে শেষ অংশত ইতি কৰিলোঁ। লিখি থাকিলে লিখি থাকিবলে মন কিন্তু সময় আৰু পৃষ্ঠাৰ কথা ভাবি ইমানতে মোৰ লিখনি সমাপ্ত কৰিলোঁ । জয়তু কামৰূপ মহাবিদ্যালয়, চামতা। । জয়তু সংস্কৃত বিভাগ। জয়তু কামৰূপ মহাবিদ্যালয়, চামতা। |
| 2019-2021 | মীনাক্ষী দত্ত | ছাত্ৰী | স্মৃতি বোমন্থনৰ এক সুৰীয়া সুযোগ |

| | | | |
|---|---|---|---|
| 20৺২০19-2022 | Hiramani Barman | Student | Excellent |
| 2019-2022 | Kangkana Barman | Government employee | Smriti romonthonor sukiya sujog |
| 2019-2022 | Nilakshi Das | Student | Excellent |
| 2019-22 | Sri Trishna Barman | Student | Excellent |
| ২০২০-২০২৩ | নিতুমনি বৰ্মন | কম্পিউটাৰ শিকি আছো | কামৰূপ কলেজ আমাৰ আমাৰ এক আবেগ, আপোন মহাবিদ্যালয়খনৰ লগত বহতো মধুৰ স্মৃতি জড়িত হৈ আছে ভাল লাগিছে |
| ২০২০-২০২৪ | বুমী বৰ্মন। | কাম কৰি | |
| ২০২০-২৩ | নিশিস্মিতা বৰ্মন | স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ এগৰাকী ছাত্ৰী | আপোন বিভাগটোতবহতো স্মৃতি জড়িত হৈ আছে। জীৱন বাটৰ পথ পদৰ্শক হিচাপে তিনিওজন শিক্ষাগুৰুৰ পৰা বহুতো নজনা কথাজানিব পাৰিছো৷ |
| 2021-2024 | শ্ৰী নিশিতা চুগা | গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পঢ়ি আছো | ভাল |
| 2021 to 2024 | Sri Subarna Sarma | P. G. D. C. A (computer coarse) | Good, Feeling Happy |
| 2021-2024 | শ্ৰী নিশিতা চুগা | গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পঢ়ি আছো | ভাল |
| ২০২১-২০২৪ | শ্ৰী বিউটী বৰ্মন | MA কৰি আছোঁ | খুবেই ভাল লগা অনুভৱ |
| ২০২১-২০২৪ বৰ্ষ | বৃপশিখা বৰ্মন | MA পঢ়ি আছোঁ | ভাল লগা |
| Graduate in 2022 | Dimpee Barman | MA in Sanskrit sahitya | I must say, it was an incredibly enriching experience. |
| Option 1 | Anjan Kumar Mishra | Job under health and family welfare department | সতীৰ্থ সমাৰোহ অনুষ্ঠিত হোৱা বাবে বহুত সুখী হৈছো। অনুষ্ঠান টো সৰ্বাংগ সুন্দৰ হব লাগে। ব্যস্ততাৰ বাবে সময় দিব পৰানাই তাৰবাবে দুঃখিত অনুভৱ কৰিছো। |
| Option 1 | Aparna sarma | Preparation for exam | Very exciting |
| Option 1 | Dipa moni thakuria | Job | Very happy |
| Option 1 | Pranjali devi | Student | Happy |

| | | | |
|---|---|---|---|
| Option 1 | গীতাশ্ৰী বৰ্মন | স্নাতকোত্তৰ তৃতীয় ষাণ্মাষিকৰ এগৰাকী ছাত্ৰী | আপোন বিভাগটোত বহুতো মধুৰ স্মৃতি জড়িত হৈ আছে। জীৱন বাটৰ পথ প্ৰদৰ্শক হিচাপে তিনিওজন ছাৰৰ বহুতো নজনা কথা শিকিব পাৰিছো। |
| Option 1990-92(১৯৯০-৯২) | Dinendra Narayan Deva Goswami (দীনেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী) | Post Graduate Teacher (স্নাতকোত্তৰ শিক্ষক) | Nostalgic (স্মৃতিকাতৰ) |
| প্ৰাক্ - বিশ্ববিদ্যালয় - ১৯৭৮, স্নাতক- ১৯৮০ | ড: উপমা বৰ্মন ডেকা | শিক্ষা-সাহিত্য-সংস্কৃতিৰ কামত জড়িত হৈ আছো। | আগ্ৰহেৰে বাট চাই আছো সতীৰ্থসকলক লগ পাবলৈ। |

